


গুৱাহাটী আৰু
ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা




ত্ৰয়োদশ বছৰ ■ সংখ্যা ৪৮ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৩ ছেপ্টেম্বৰ, ২০২২, ৬ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XIII ISSUE NO. 48 Dainandin Barta ■ Guwahati, Friday ■ 23 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

## অসংক্ৰামক ৰোগত আক্ৰান্ত হৈ প্ৰতি ২ ছেকেণ্ডত বিশ্বত প্ৰাণ হেৰুৱাইছে এজনকৈ লোকে ঃ বিশ্ব স্বাস্থ্য সংস্থা সংস্থা



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ ছেপ্টেম্বৰ ঃ** ৰোগ-ব্যাধিয়ে কাবু কৰা বিশ্বত অসংক্ৰামক ৰোগেও ত্ৰাসৰ সৃষ্টি কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই বৃহস্পতিবাৰে প্ৰকাশ কৰা প্ৰতিবেদনত কোৱা হৈছে যে অসংক্ৰামক ৰোগত আক্ৰান্ত হৈ প্ৰতি ২ ছেকেণ্ডত বিশ্বত প্ৰাণ হেৰুৱাইছে এজনকৈ লোকে। বিশ্বৰ শীৰ্ষ স্বাস্থ্য সংস্থাটোৱে ১৯৪খন দেশৰ পৰা অসংক্ৰামক ৰোগৰ তথ্য একত্ৰিত কৰি এই প্ৰতিবেদন প্ৰকাশ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই আজি এই সম্পৰ্কীয় এটা ডাটা পৰ্টেলো মুকলি কৰে। এই প্ৰতিবেদনত অসংক্ৰামক ৰোগৰ ফলত বিশ্বত হোৱা মৃত্যুৰ এক স্পষ্ট ছবি দেখুওৱা হৈছে। অসংক্ৰামক ৰোগবোৰ এতিয়া বিশ্বৰ বহু লোকৰ বাবে মৃত্যুৰ মুখ্য কাৰণ হৈ পৰিছে। ইয়াৰে দহটা মৃত্যুৰ ঘটনাৰ ভিতৰত প্ৰায় নটা নিম্ন আৰু মধ্য আয়ৰ দেশত হয়। এইবোৰ হৈছে এনে ৰোগ যাৰ এটা কোনো নিৰ্দিষ্ট কাৰণ নাই, দীৰ্ঘম্যাদী স্বাস্থ্যৰ অৱনতিৰ কথাটো এনে ৰোগৰ সৈতে জড়িত হৈ থাকে আৰু অসংক্ৰামক ৰোগৰ ক্ষেত্ৰত প্ৰয়োজন হয় দীৰ্ঘম্যাদী চিকিৎসা আৰু যত্নৰ। এনে ৰোগসমূহৰ ভিতৰত আছে কৰ্কট ৰোগ, মৃগীৰোগ, কাৰ্ডিঅ'ভাস্কুলাৰ ■ ৮ পৃষ্ঠাত

## ৰাষ্ট্ৰপিতা



■ বিতং বাতৰি ৯ পৃষ্ঠাত

ভাল বাৰ্তা

### সমাগত দুৰ্গা পূজা— ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীৰ দৰমহা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমাগত দুৰ্গা পূজালৈ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ চলিত ■ ৮ পৃষ্ঠাত

## নীলপৱন বৰুৱা আৰু পুলক গগৈৰ স্বাস্থ্যৰ বুজ ল'লে মন্ত্ৰী বিমল বড়াই



### চিকিৎসা ব্যয় বহন কৰিব চৰকাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ ছেপ্টেম্বৰ ঃ** গুৰুতৰভাৱে অসুস্থ হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা ৰাজ্যৰ বিশিষ্ট চিত্ৰশিল্পী নীল পৱন বৰুৱা আৰু খোজ, শ্ৰীমতী মহিমাময়ী, সূৰুয, ৰে'লৰ আলিৰ দূবৰি বন, মমতাজ আদি চলচ্চিত্ৰৰে অসমীয়া ছবিক সমৃদ্ধ কৰা চলচ্চিত্ৰ পৰিচালক তথা চিত্ৰশিল্পী পুলক গগৈৰ স্বাস্থ্য আৰু চিকিৎসাৰ আজি বুজ লয় সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ■ ৮ পৃষ্ঠাত



## কৃত্ৰিমতাৰে ভৰা চীনতকৈ ভাৰতৰ মুক্ত গণতন্ত্ৰৰ পৰিৱেশত মৰিবলৈ পছন্দ কৰিম ঃ দালাই লামা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ ছেপ্টেম্বৰ ঃ** তিব্বতীয় আধ্যাত্মিক নেতা দালাই লামাই বৃহস্পতিবাৰে পুনৰ চীনৰ বিৰুদ্ধে সৰৱ হৈ পৰাৰ লগতে ভাৰতৰ প্ৰশংসাত গদ্ গদ্ হৈ পৰে। ধৰ্মগুৰুগৰাকীয়ে কয় যে তেওঁ 'কৃত্ৰিমতাৰে ভৰা' চীনৰ পৰিৱৰ্তে ভাৰতৰ প্ৰকৃত আৰু মৰমীয়াল লোক, মুক্ত গণতন্ত্ৰৰ দ্বাৰা পৰিৱেষ্টিত পৰিৱেশত শেষ নিশ্বাস ত্যাগ কৰিবলৈ বিচাৰে। দালাই লামাই আজি হিমাচল প্ৰদেশৰ ধৰ্মশালাত থকা তেওঁৰ বাসভৱনত নৱ-প্ৰজন্মৰ একাংশৰ সৈতে বাৰ্তালাপৰ সময়ত এনেদৰে কয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিষ্ঠান ইউএছআইপিৰ দ্বাৰা আয়োজিত উক্ত বাৰ্তালাপৰ সময়ত তেওঁ এই মন্তব্য কৰে। দালাই লামাই কয়— 'মই ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙক কৈছিলো, মই আৰু ১৫-২০ বছৰ জীয়াই থাকিম, ■ ৮ পৃষ্ঠাত

### পুৱতি নিশা ১৫ ৰাজ্যত পিএফআইৰ বিৰুদ্ধে নিয়াৰ অভিযান ঃ সন্ত্ৰাসবাদী পুঁজিৰ অভিযোগক লৈ এনআই এৰ 'এতিয়ালৈকে সৰ্ববৃহৎ' অভিযান

# সৰ্ববৃহৎ সমন্বিত অনুসন্ধান

### শতাধিকক গ্ৰেপ্তাৰ, অসমতো ১০জনক গ্ৰেপ্তাৰ ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা নিয়াৰ ঃ গ্ৰেপ্তাৰ ৪৫জন শীৰ্ষ পিএফআই নেতাক ঃ ভাৰতৰ ৯৩ স্থানত নিয়া, ইডি আৰু ৰাজ্যিক আৰক্ষী বাহিনীৰ অভিযান ঃ সৰ্বাধিক গ্ৰেপ্তাৰ হৈছে কেৰালাত ১৯ তাৰ পিছতে তামিলনাডুত ১১





**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ ছেপ্টেম্বৰ ঃ** আজি পুৱতি নিশা দেশৰ ১৫খন ৰাজ্যত পিএফআই-এছডিপিআইৰ বিৰুদ্ধে অভিযান চলায়। মূলতঃ পিএফআই-এছডিপিআই সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে জড়িত থকাৰ অভিযোগতে এই অভিযান চলোৱা হয়। কেন্দ্ৰীয় সংস্থাটোৱে অসমৰ কেইবাখনো জিলাত অভিযান চলাই ১০জন লোকক গ্ৰেপ্তাৰ কৰিছে। এতিয়ালৈকে দেশৰ বিভিন্ন স্থানৰ পৰা ১০৫জন লোকক ■ ৮ পৃষ্ঠাত



## অসম বিধানসভাৰ শৰৎকালীন অধিৱেশন স্থগিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ ছেপ্টেম্বৰ ঃ** অসম বিধান সভাৰ এক অধিসূচনাৰ জৰিয়তে জনাইছে যে, অসম বিধান সভাৰ শৰৎকালীন অধিবেশন ১৯ ছেপ্টেম্বৰত অনুষ্ঠিত বৈঠকৰ অন্তত অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে।

## লেজাত তীব্ৰবেগী বাইকে মহটিয়ালে ছগৰাকী মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২২ ছেপ্টেম্বৰ ঃ** কমলপুৰ থানাৰ অন্তৰ্গত লেজাত আজি সন্ধিয়া সংঘটিত হোৱা এক ভয়াৱহ দুৰ্ঘটনাত ছগৰাকী নামতি মহিলা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত সমগ্ৰ অঞ্চলজুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, সন্ধিয়া প্ৰায় ৬.৩০ বজাত কমলপুৰ দিশৰ পৰা লেজা চ'ক অভিমুখী তীব্ৰবেগী বাইক (নং এ এছ-০১ ই ই-৬৮৭৯) এখনে স্থানীয় শ্ৰীশ্ৰীশিৱ মন্দিৰত নাম গায় নাম শেষ কৰি গৃহাভিমুখে গৈ থাকোতে মন্দিৰৰ প্ৰায় ■ ৮ পৃষ্ঠাত

## মাজুলীত ট্ৰেক্টৰ দুৰ্ঘটনাত দুজনৰ মৃত্যু, শোকাকুল গাঁওবাসী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২২ ছেপ্টেম্বৰ ঃ** মাজুলীৰ জুগুনিধাৰী গাঁৱত আজি বিয়লি এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা অনুসৰি গাঁওখনৰ তুলসী বৰাই নিজৰ ঘৰৰ ট্ৰেক্টৰখনেৰে নদী চাপৰিত হাল বাই সন্ধ্যা ঘৰলৈ উভতি আহি থকাৰ সময়ত গাঁৱৰ সন্মুখৰ মথাউৰিটোত উঠোৱা সময়তে ট্ৰেক্টৰখন চালকজনে নিয়ন্ত্ৰণ কৰিব নোৱাৰি মথাউৰিৰ তললৈ বাগৰি যোৱাত ট্ৰেক্টৰখনত উঠি অহা চালকসহ ছজনকৈ লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। ■ ৮ পৃষ্ঠাত



### উপ-ৰাষ্ট্ৰপতিয়ে উদ্বোধন কৰিলে লোকমন্থন-২০২২

### মুখ্যমন্ত্ৰী ড° শৰ্মাৰ 'এটা সপোনৰ সন্ধানত' শীৰ্ষক গ্ৰন্থৰ ইংৰাজী অনুবাদ উন্মোচন কৰিলে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে

## ভাৰতবৰ্ষই পৃথিৱীৰ অন্যতম পুৰণি সভ্যতাকে প্ৰতিফলিত কৰে

### উত্তৰ-পূবৰ সংস্কৃতি আৰু পৰম্পৰাই প্ৰাচীন কালৰে পৰা মহান ভাৰতীয় সংস্কৃতিক সমৃদ্ধ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ ছেপ্টেম্বৰ ঃ** উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি ৰাজ্যপাল জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাষ্ট্ৰীয় বৌদ্ধিক সংগঠন প্ৰজ্ঞা প্ৰবাহৰ 'লোকমন্থন' শীৰ্ষক অনুষ্ঠানৰ তৃতীয়টো সংস্কৰণ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। লোক-পৰম্পৰাক মুখ্য বিষয় হিচাপে লৈ উত্তৰ-পূৰ্বাঞ্চলৰ বৌদ্ধিক মঞ্চ (আই এফ এন ই)ৰ উদ্যোগত অসম পৰ্যটন উন্নয়ন নিগমৰ সহযোগত লোকমন্থন-২০২২ অনুষ্ঠিত হৈছে। এই অনুষ্ঠানৰ জৰিয়তে ■ ৮ পৃষ্ঠাত

### জাহাজৰ ভাৰা বৃদ্ধিৰ দিশে জল পৰিবহণ বিভাগ

### ইনলেণ্ড ৱাটাৰ নিয়ন্ত্ৰণ ব'ৰ্ডৰ খচৰা নিৰিখৰ ওপৰত যাত্ৰীৰ মতামত গ্ৰহণ

## এশ শতাংশ বৰ্ধিত নিৰিখ বিবেচনাৰ দাবী যাত্ৰীৰ


**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২২ ছেপ্টেম্বৰ ঃ** শীঘ্ৰে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে জাহাজৰ ভাৰা বৃদ্ধি কৰিব। ইতিমধ্যে ইনলেণ্ড ৱাটাৰ ৰেগুলেটৰী ব'ৰ্ডে জাহাজৰ ■ ৮ পৃষ্ঠাত

## ইৰাণত 'নৈতিকতা আৰক্ষী'ৰ জিম্মাত মৃত্যুৰ বিৰুদ্ধে প্ৰতিবাদকাৰীৰ বিৰুদ্ধে অভিযান

### মাহছা আমিনীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২২ ছেপ্টেম্বৰ ঃ** নৈতিকতা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মাহছা আমিনীৰ মৃত্যুৰ পিছত ইৰাণৰ নিৰাপত্তা বাহিনীয়ে চলোৱা তীব্ৰ অভিযানত কমেও ৩১জন সাধাৰণ নাগৰিকৰ মৃত্যু হৈছে বুলি অশ্লোস্থিত ইৰাণ মানৱ অধিকাৰ এন জি অ'টোৱে প্ৰকাশ কৰিছে। দ্য এছ'চিয়েটেড প্ৰেছৰ মতে, সপ্তাহৰ শেষৰ ফালে আৰক্ষীৰ জিম্মাত থকা এগৰাকী ২২ বছৰীয়া মহিলাৰ মৃত্যুক লৈ ক্ষুব্ধ ইৰাণৰ নিৰাপত্তা বাহিনী আৰু প্ৰতিবাদকাৰীৰ ■ ৮ পৃষ্ঠাত

## ৩১জনতকৈ অধিক লোক নিহত



একবিংশ শতিকাৰ পিছতো অন্ধ বিশ্বাসে লগ এৰা নাই ৰাজ্যবাসীক

## বিহালীত কথমপি প্ৰাণৰক্ষা তিনিজনৰ

### বিহালীত সোপাধৰাৰ আতংক ঃ তিনি ব্যক্তি গণৰোষৰ বলি ঃ ৰাইজৰ সহযোগত আজি বৰগাঁও চাহ বাগিচাত সজাগতা সভা ঃ উৰা-বাতৰিত ভোল নাযাবলৈ আহ্বান পুলিচ প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২২ ছেপ্টেম্বৰ ঃ** সম্প্ৰতি বিহালীৰ বৰগাং আঞ্চলত সোপাধৰাৰ উৰা বাতৰিয়ে আতংকিত কৰি তোলা পৰিলক্ষিত হৈছে। ইতিমধ্যে কালি সন্ধিয়া এনে উৰা বাতৰিৰ প্ৰভাৱত তিনিজন ব্যক্তি ৰাইজৰ ৰোষত পৰে। অৱশ্যে ইয়াৰে দুজন পলাই সাৰিবলৈ সক্ষম হয় যদিও কমল হাজৰিকা নামৰ ব্যক্তিজন ৰাইজৰ প্ৰহাৰৰ সন্মুখীন হয়। বৰগাঁও চাহ বাগিচাৰ পৰিচালক দিলীপ কুমাৰ নাথৰ আপ্ৰাণ চেষ্টাত ৰক্ষা পৰে ব্যক্তিজন। এই একবিংশ শতিকাৰ পিছতো অন্ধ বিশ্বাস ■ ৮ পৃষ্ঠাত

## দিল্লীৰ জন্তৰ-মন্তৰত সংখ্যালঘু সংগ্ৰাম পৰিষদ আৰু নেমছুৰ

### ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু সংখ্যালঘু দপ্তৰৰ মন্ত্ৰীক স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ সংখালঘু লোকসকল পূৰ্বৰ পৰাই বিভিন্ন সমস্যাৰে জৰ্জৰিত। কোনো এখন চৰকাৰেই সংখ্যালঘু লোকসকলৰ শৈক্ষিক, সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন হোৱাটো নিবিচাৰে। পিছপৰা সংখ্যালঘু লোকসকলক লৈ প্ৰতিটো ৰাজনৈতিক দলেই মাথোঁ ৰাজনীতি কৰি আহিছে। ৰাজনৈতিক বিভাজন আৰু ভয়-শংকাৰ ৰাজনীতি কৰি একমাত্ৰ সংখ্যালঘু লোকসকলক লৈ বিভাজনমুখী ৰাজনীতি কৰি আহিছে। শৈক্ষিক বিপ্লৱ ■ ৮ পৃষ্ঠাত

## অসমৰ মাটিত অৰুণাচলী পিষ্টলধাৰীৰ দপদপনি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২২ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ জিলাৰ গহপুৰ মহকুমা থানাত বৃহস্পতিবাৰে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কেইবাখনো গাঁৱৰ শতাধিক পুৰুষ-মহিলা উপস্থিত হ'ল গহপুৰ থানা চৌহদত। জানিব পৰা মতে গহপুৰ সমষ্টিৰ এখন গাঁৱত এগৰাকী মহিলাৰ সৈতে অৰুণাচলী এজন লোকৰ সৈতে থকা অবৈধ সম্পৰ্কক কেন্দ্ৰ কৰি এই উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয় গহপুৰ থানাত। স্থানীয় মহিলাই অভিযোগ কৰা অনুসৰি গহপুৰৰ কুজুৰজানৰ দেউৰী উপাধিৰ এগৰাকী মহিলাই অৰুণাচল প্ৰদেশৰ এগৰাকী ব্যক্তিৰ সৈতে দীৰ্ঘদিন ধৰি অবৈধ সম্পৰ্ক চলাই থকা ঘটনা পোহৰলৈ আনে গাঁওখনৰ ৰাইজে। ইফালে এই খবৰ ■ ৮ পৃষ্ঠাত

### গহপুৰ থানাত উত্তপ্ত পৰিস্থিতি ঃ অবৈধ সম্পৰ্কক কেন্দ্ৰ কৰি থানা চৌহদত পুৰুষ-মহিলাই ঘেৰাও কৰিলে থানা



*লখিমপুৰত লাচিত সেনাৰ প্ৰতিবাদী কাৰ্যসূচী*



## অখণ্ড ভাৰতৰ প্ৰবক্তা আছিল অসম সাহিত্য সভাৰ সৰ্বকনিষ্ঠ সভাপতি ড° ময়িদুল ইছলাম বড়া

### দেশ বিভাজনৰ বিৰোধিতা কৰি মৃত্যু বৰণ কৰা অসম হিতৈষীগৰাকীৰ মৃত্যুৰ ৰহস্যৰ আজিও নপৰিল ওৰ ঃ দিগন্ত বিশ্ব শৰ্মা

### শিৱসাগৰত ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ ছেপ্টেম্বৰ ঃ** অৰুণোদয় সাহিত্য সভা আৰু ময়িদুল ইছলাম বড়া স্মৃতি ৰক্ষা সমিতিয়ে আগবঢ়োৱা ২০২২ বৰ্ষৰ ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা আজি শিৱসাগৰ ছোৱালী কলেজত আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে বিশিষ্ট সাহিত্যিক, অনুবাদক, সাহিত্য অকাদেমি বঁটাপ্ৰাপক দিগন্ত বিশ্ব শৰ্মাই। এই বঁটা গ্ৰহণ কৰি শৰ্মাই কয় যে- পদ্ধতিগতভাৱে গৱেষণা কৰি বিলাতৰ পৰা ডক্টৰেট উপাধি লাভ কৰা তথা অসম সাহিত্য সভাৰ সৰ্বকনিষ্ঠ সভাপতি আৰু প্ৰথমগৰাকী ■ ৮ পৃষ্ঠাত

## যোগীঘোপাত দ-খাৱৈত পৰি সলিল সমাধি দুটি কণমানি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত কুমাৰকাটা গাঁৱত আজি দুপৰীয়া প্ৰায় ১২ বজাত এক শোকাৱহ ঘটনা সংঘটিত হয়। ঘৰৰ কাষতে খেলি থাকোতে দুটি কণমানি ■ ৮ পৃষ্ঠাত

# মাৰ্ঘেৰিটাত বেদান্ত নামৰ তৈল খনন কোম্পানীটো বিৰুদ্ধে ক্ষোভ শ্ৰমিক-কৰ্মচাৰীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২২ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত বেদান্ত নামৰ তৈল খনন কোম্পানীৰ বিৰুদ্ধে শ্ৰমিক - কৰ্মচাৰীক বঞ্চনা কৰাৰ গুৰুতৰ অভিযোগ প্ৰতিষ্ঠানটোত কৰ্মৰত শ্ৰমিক কৰ্মচাৰী। উল্লেখ্যে কেন্দ্ৰীয় চৰকাৰে ইতিপূৰ্বে অসমৰ ৪১টা তৈল খাদ বিভিন্ন ব্যক্তিগত খণ্ডৰ কোম্পানীক আবন্টন দিছিল। ইয়াৰে বেদান্ত নামৰ তৈল খনন কোম্পানীটোৱে বিগত ছমাহে মাৰ্ঘেৰিটা মহকুমা অন্তৰ্গত পেঙেৰীৰ ইনথেমত তৈল অনুসন্ধান আৰু খননৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি চলাই আহিছিল। কিন্তু ব্যক্তিগত মালিকানাধীন তৈল কোম্পানীটোৱে শ্ৰম আইন ভংগ কৰি যোৱা ছমাহে কৰ্মৰত শ্ৰমিক কৰ্মচাৰী সকলক দা-দৰমহাৰ লগতে সকলোধৰণৰ ন্যায্য সা-সুবিধাৰ পৰা বঞ্চিত কৰি অহাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অসমীয়াৰ চোতালতে তেল খনন কৰি বহিৰাগত কোম্পানীটোৱে অসমীয়া নিবনুৱা যুৱক-যুৱতীকে বঞ্চনা কৰি অহা অভিযোগ তৈল প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে। পেঙেৰীৰ ইনথেমত তৈল খনন চলোৱা বেদান্ত নামৰ কোম্পানীটোৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজালিলে কোম্পানীটোত কৰ্মৰত এগৰাকী শ্ৰমিক কৰ্মচাৰীয়ে। ২৫০০ টকা দৰমহাৰে খটুৱাই অহাৰ লগতে চিকিৎসা খোৱা আদি সকলো ক্ষেত্ৰতে চূড়ান্তভাৱে প্ৰৱঞ্চনা কৰাৰ অভিযোগ তুলি তৈল প্ৰতিষ্ঠানটোৰ কাম স্তব্ধ কৰি বুধবাৰৰ পৰা শ্ৰমিক-কৰ্মচাৰীসকলে বন্ধ কৰি দিয়ে। প্ৰতিবাদকাৰী শ্ৰমিক - কৰ্মচাৰীসকলৰ স্পষ্ট কথা যে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ থকাৰ লৈকে তেওঁলোকে তৈল প্ৰতিষ্ঠানটোৰ কোনো কাম- কাজ উক্ত ঠাইত চলাবলৈ নিদিয়ে।

# নাৰায়নপুৰ চাহ বাগিছা আদৰ্শ বিদ্যালয়ত কৰম পূজা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২২ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত নাৰায়ণপুৰ চাহ বাগিছা আদৰ্শ বিদ্যালয়ত যোৱা ১৬ ছেপ্টেম্বৰত অতি উলহ মালহেৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী, স্থানীয় ব্যক্তিৰ উপস্থিতিত বাগিছাৰ আদৰ্শ বিদ্যালয় সমূহৰ ভিতৰত প্ৰথম বাৰৰ বাবে যথা ৰীতি অনুসৰি কৰম পূজা, ঝুমুইৰ সম্পন্ন হৈ যায়। পূজাৰ কাৰ্যসূচী অনুসাৰে ১২ ছেপ্টেম্বৰৰ সন্ধিয়া, ১৩, ১৪, ১৫, ১৬ ছেপ্টেম্বৰত পুৱা জাঁৰা জাগৰণ, ১৬ ছেপ্টেম্বৰত ১২বজাত কৰম ডাইৰ আদৰণি আৰু প্ৰতিষ্ঠা, দিনৰ ১বজাত পূজা অৰ্চনা আৰু কাহিনী পৰ্ব, ২বজাত ঝুমুইৰ নৃত্য আৰু ৪বজাত কৰম বিসৰ্জন দিয়া হয়। পূজা-অৰ্চনা আৰু কাহিনী



পৰ্ব সম্পন্ন কৰে বাগিচাখনৰ সৰহবৰহী ব্যক্তি বিষ্ণু মাহালী আৰু মিঠুন মাহালীয়ে। বিদ্যালডয়খনে নিজাববীয়াকৈ এনেদৰে কৰম পূজা, ঝুমুইৰ কাৰ্যসূচী বিদ্যালডয়খনত অনুষ্ঠিত কৰাত স্থানীয় ৰাইজ, বিভিন্ন আদিবাসী সংগঠনে শলাগ লয়। অনুষ্ঠানটিত অৱসৰপ্ৰাপ্ত শিক্ষক, খেলুৱৈ অবিনাশ শৰ্মা, আছা নেতা শিবু ভূঞা, নৃত্য শিল্পী কংকনা কেওট, শিক্ষক শিক্ষয়িত্ৰী তথা স্থানীয় ৰাইজে অংশ গ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাত বিদ্যালয়খনৰ অধ্যক্ষ সত্য কলিতাই সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰে।

নৃত্যাঞ্জলি একাডেমীৰ ১৮ সংখ্যক বৰ্ষ পূৃতি অনুষ্ঠান

## টীয়কত অসম ভিত্তিত প্ৰাইজমানি নৃত্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২২ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি সম্পন্ন টীয়কৰ অন্যতম কলা-সংস্কৃতি চৰ্চাৰ কেন্দ্ৰ নৃত্যাঞ্জলি একাডেমীৰ ১৮ সংখ্যক বৰ্ষ পূতি অনুষ্ঠান অহা ৩ অক্টোবৰত আয়োজন কৰিছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি অসম ভিত্তিত প্ৰাইজমনি নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। টীয়কৰ হস্পিটেল তিনিআলিত আয়োজিত হ'বলগীয়া নৃত্য প্ৰতিযোগিতা তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ উপৰিও উক্ত কাৰ্যসূচীতে টীয়ক সমষ্টিৰ অন্তৰ্গত কলা-সাহিত্য- সংস্কৃতিলৈ বিশেষভাৱে অৱদান আগবঢ়োৱা এগৰাকী বিশিষ্ট ব্যক্তিলৈ 'নৃত্যঞ্জলি বঁটা-২০২২' প্ৰদান কৰা হ'ব। পূৰ্বৰে পৰা একাডেমীয়ে প্ৰদান কৰা এই বিশেষ বঁটাটিৰ ওপৰিও অঞ্চলতোৰ বিভিন্ন ক্ষেত্ৰত সমাজলৈ আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ বাবে বহুকেইগৰাকী ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হ'ব। নিশালৈ অসমৰ বহু কেইগৰাকী জনপ্ৰিয় কণ্ঠশিল্পীৰ দ্বাৰা গীত আৰু নৃত্যৰ এক বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ সাফল্যমণ্ডিত কৰাত ৰাইজৰ সৰ্বতোপ্ৰকাৰৰ সহযোগ কামনা কৰিছে নৃত্যাঞ্জলি অসমৰ মুখ্য পৰিচালন সঞ্চালক অভিজিৎ বৰুৱাই প্ৰতিযোগিতাৰ সন্দৰ্ভত আগ্ৰহীসকলে সবিশেষৰ বাবে ৯৮৫৪৪৮০৬২৭, ৮৪৭৪০৬৪৭৬৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

পাথৰিঘাট মহকুমা কৃষি কাৰ্যালয়ত শস্যৰ বীজ পাইছে কোনে

# প্ৰকৃত কৃষক সুবিধাৰ বঞ্চিত হোৱাৰ অভিযোগ, তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২২ ছেপ্টেম্বৰ ঃ** বছৰে বছৰে প্ৰলয়ংকৰী বানে ককাল ভাগি পেলোৱা দৰিদ্ৰ কৃষক ৰাইজৰ আশা-ভৰসাৰ স্থলী চৰকাৰৰ কৃষি বিভাগ। বতৰৰ খেতিৰ বাবে প্ৰয়োজন বীজ-সাৰ লাভ কৰাৰ আশাত কৃষি বিভাগলৈ আশাৰে বাট চাই থাকে। চৰকাৰেও দৰিদ্ৰ কৃষক ৰাইজৰ উন্নতি নহ'লে দেশৰ উন্নতি সম্ভৱ নহয় বুলি নিশ্চিত হৈয়ে কৃষি বিভাগক অধিকভাৱে গুৰুত্ব দি আহিছে। কিন্তু আশ্বৰ্যজনকভাৱে বিভাগৰ একাংশ অমনোযোগী বিষয়া-কৰ্মচাৰীৰ বাবে প্ৰকৃত কৃষকসকল বছৰৰ পিছত বছৰ ধৰি পদে পদে চৰকাৰৰ বিভাগৰ তেনে সুবিধাৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন হৈছে। দৰঙৰ পাথৰিঘাট মহকুমা কৃষি কাৰ্যালয়ত পূৰ্বতে কৰ্মচাৰীৰ চিনাকি দালালৰ দপদ্‌পনিত প্ৰকৃত কৃষক একাংশ চৰকাৰৰ কৃষি সুবিধাৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন হৈ অহাৰ পাছত পৰিৱৰ্তনকামী চৰকাৰৰ দিনতো তেনে সংস্কৃতি চলি থকাৰ অভিযোগ উত্থাপন হৈছে। চৰকাৰে বিভাগীৰ জৰিয়তে কৃষকৰ মাজত বিতৰণ কৰিব দিয়া বীজ-সাৰকে ধৰি অন্যান্য সামগ্ৰীসমূহ প্লট আকাৰে খেতি কৰাৰ ক্ষেত্ৰত অধিকভাৱে বিভাগে গুৰুত্ব দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা বুলি প্ৰকাশ। মহকুমা কৃষি কাৰ্যালয়লৈ কৃষকসকল গ'লে বিষয়া-কৰ্মচাৰীয়ে বিষয়টো অৱগত কৰা বুলি প্ৰকাশ। কিন্তু আশ্বৰ্যজনকভাৱে মহকুমা কৃষি কাৰ্যালয়টোৰ হাত দীঘল কৰ্মচাৰীৰ চিনাকি কোনো কোনো লোকে প্লটত খেতি কৰাৰ কথাকৈ বিভাগৰ পৰা বীজবোৰ নি আজিও খেতি নকৰাৰ অভিযোগ উত্থাপন কৰিছে সচেতন লোকসকলে। জানিব পৰা মতে চেঙেলীয়াঝাৰ অঞ্চলত আজি দুমাহ আগতে বিভাগৰ কৰ্মচাৰীৰ চিনাকি কোনো কোনো লোকক প্লটত খেতি কৰাৰ নামত দিয়া হৈছিল কিছু বীজ। যি প্লট আগতে কৰ্মচাৰীয়ে পৰিদৰ্শন তথা পৰ্যবেক্ষণ কৰি সেই অনুসৰি প্ৰয়োজনীয় বীজবোৰ দিয়াটো প্ৰয়োজন আছিল। কিন্তু আশ্বৰ্যজনকভাৱে তেনে প্লটত কৰ্মচাৰীয়ে ভৰি নিদিয়াকৈয়ে মুকলি কৰি দিছিল বীজ। য'ত স্থানীয় গ্ৰামসেৱিকা গৰাকী এইলৈ অজ্ঞ আছিল বুলি জানিব পৰা গৈছে। কথা হ'ল সেই বীজসমূহ প্লটত খেতি কৰিবলৈ নি কৰিলে কি, দিলে কাক? তাৰ এক তদন্তৰ দাবী তুলিছে একাংশ কৃষকে। বিষয়টো কৃষি মন্ত্ৰী-কৃষি সঞ্চালকক অনলাইন অভিযোগ দিয়াৰো চিন্তা চৰ্চা কৰা বুলি প্ৰকাশ। আনহাতে কৰ্মচাৰীসকল ১০-৩০ বজাৰ আগতে কাৰ্যালয়ত উপস্থিত নোহোৱাটো এটা সংস্কৃতি হৈ পৰাৰো অভিযোগ বহুদিনীয়া। জানিব পৰা মতে মহকুমা কৃষি কাৰ্যালয়টোৰ বিষয়াগৰাকীৰ সজ-সৰলতাৰ সুবৰ্ণ সুযোগ একাংশ কৰ্মচাৰীয়ে গ্ৰহণ কৰা বুলি অভিযোগ উত্থাপন হৈছে। ইমানৰ পিছতো উৰ্ধ্বতন মহল নিমাত হৈ থাকিবনে?

# দক্ষিণ পশ্চিম ৰঙিয়াৰ হৰিমন্দিৰ প্ৰাংগনত বিশ্বশান্তি দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২২ ছেপ্টেম্বৰ ঃ** কবি অৰণ্যম কাশ্যপৰ নেতৃত্বত তথা ভাস্কৰ ৰাজবংশী, জয়ন্ত বৈশ্য, ভৰেশ কলিতা, কাকুমণি বৈশ্য আৰু ম'হখলী বৰমুৱা খানাপৰা সুন্ধিয়া গাঁওবাসীৰ সহযোগত দক্ষিণ পশ্চিম ৰঙিয়া হৰি মন্দিৰ প্ৰাংগনত আজি বিশ্ব শান্তি দিৱস উদ্‌যাপন কৰা হয়। এই দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এলানি কবিতা লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে উৎপল দাস আৰু ২য় পুৰস্কাৰ ৰাকেশ বৈশ্য আৰু ৩য় পুৰস্কাৰ লাভ কৰে ক্ৰমে চুমি কলিতা আৰু আফৰিণ ইছলামে। ইয়াৰ লগতে প্ৰতিযোগী সকলে বিশ্ব শান্তিৰ সন্দৰ্ভত নিজাকৈ বক্তৃতাও আগবঢ়ায়। ৰাষ্ট্ৰসংঘৰ নিৰ্দেশ অনুযায়ী গোটেই বিশ্বতে পালন হৈ অহা আজিৰ এই



দিনটোৰ ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ কথা দোহাৰি উদ্যোক্তাসকলৰ ফালৰ পৰা কবি অৰণ্যম কাশ্যপে জনাই যে সমাজৰ মাজত মৰম শান্তিময় পৰিৱেশ বৰ্তাই ৰাখিবলৈ তথা দেশ আৰু অঞ্চলভিত্তিক হিংসাসমূহ নিৰ্মূল কৰিবলৈ আমি সকলোৱে বদ্ধপৰিকৰ হৈ উঠা উচিত আৰু শিশুসকলকো এইক্ষেত্ৰত মানসিকভাৱে আগবঢ়াই আনিব লাগিব। আগন্তুক সময়বোৰত এইধৰণে কাৰ্যসুচী আগবঢ়াই লৈ যাব বুলি উদ্যোক্তাৰ ফালৰ পৰা জনায়।

## লাহৰীঘাটত ভয়ংকৰ পথ দুৰ্ঘটনাত সংকটজনক অৱস্থাত এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২২ ছেপ্টেম্বৰ ঃ** মৰিগাঁও বগলীপাৰা সংযোগী পথৰ ধূপগুৰী দলংৰ মূৰত ট্ৰানিং লওতেই সংঘটিত হয় এই ভয়ংকৰ বাইক দুৰ্ঘটনাটো। তীব্ৰগতিৰে বাইক চলাই গৈ থকাত নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাটো সংঘটিত কৰে। দুৰ্ঘটনা সংঘটিত কৰা বাইক খনৰ নম্বৰ হৈছে As-21L 1837. দুৰ্ঘটনাটোত বাইক চালক ইজাজুল হকৰ অৱস্থাত অতি সংকটজনক। আনহাতে দুৰ্ঘটনাত সামান্য পৰিমাণে আঘাত প্ৰাপ্ত হয় আছচব আলী (২০)নাম ব্যক্তিজন। ইতিমধ্যে দুয়োজন ব্যক্তিক স্থানীয় ৰাইজে লাহৰিঘাট আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে ইজাজুল মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। জানিব পৰা মতে দুইজন ব্যক্তিৰ ঘৰ ছাতিয়ানতলী গাঁৱত।

শিৱসাগৰ নগৰৰ শংকৰদেৱ সমাজ নামঘৰৰ উদ্যোগ

# ৪-৫ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্মজয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ নগৰৰ অন্যতম প্ৰাচীন ধৰ্মীয় অনুষ্ঠান শ্ৰীশ্ৰী শংকৰদেৱ সমাজ নামঘৰৰ সৌজন্যত ৪ আৰু ৫ অক্টোবৰ ২০২২ তাৰিখে দুদিনীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। সেই মৰ্মে ৪ অক্টোবৰত এলানি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত প্ৰতিযোগিতাসমূহৰ ভিতৰত ক আৰু খ শাখাৰ বৰগীত প্ৰতিযোগিতা, দিহা নাম প্ৰতিযোগিতা আৰু সদৌ অসম ভিৰ্ত্তিত ৰচনা প্ৰতিযোগিতা। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যাপক দ্ৰোণ কান্ত কলিতা সোঁৱৰণী ৰচনা প্ৰতিযোগিতাৰ বিষয় হ'ল 'বৰ্তমান সমাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নীতি আদৰ্শৰ প্ৰাসংগিকতা'. অসমীয়া আৰু ইংৰাজী দুয়োটা মাধ্যমতেই লিখিব পৰা ৰচনা সমূহ নৱম শ্ৰেণীৰ পৰা স্নাতক পয্যায়লৈকে অধ্যয়নৰত ছাত্ৰছাত্ৰীৰ বাবে মুকলি থাকিব। ২৫০০ শব্দৰ ভিতৰত লিখিব লগা ৰচনা সমূহ শিক্ষানুস্থানৰ মুৰব্বীৰ প্ৰমাণপত্ৰ অথবা পৰিচয়পত্ৰৰ প্ৰতিকপিৰ লগতে নাম-ঠিকনা আৰু ফোন নম্বৰ সহিতে অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত নিম্নলিখিত ঠিকনা অথবা ই-মেইল ঠিকনাত ৰচনা পঠিয়াব পাৰিব- সম্পাদক, শ্ৰীশ্ৰী শংকৰদেৱ সমাজ, শংকৰ মন্দিৰ পথ, অথবা অৰুণোদয় প্ৰিন্টাৰ্চ অথবা আৰ ডি টেন্ট হাউচ শিৱসাগৰ (৭৮৫৬৪০)। ই-মেইল dkdeka1@gmail.com. ফোন নম্বৰ ৯৪৩৫০৫৬৪৬৬ আৰু ৯৪৩৫১৫৫০৮৮. শ্ৰেষ্ঠ প্ৰতিযোগীক নগদ ধন, গ্ৰন্থৰ টোপোলা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব।

পশ্চিম দৰঙত বিদ্যুতৰ সেৱা শোচনীয়

## অত্যধিক বিলেও মাধমাৰ শোধাইছে গ্ৰাহকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২২ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ২৪ ঘন্টাই বিদ্যুৎ যোগান শ্ল'গান চৰকাৰখনে আজিও কাৰ্যকৰী কৰিব নোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ দৰং জিলাৰ পশ্চিম দৰং অঞ্চলত ই যেন অসাৰত পৰিণত হৈ পৰিছে। দৰং জিলাৰ ছিপাঝাৰ বিদ্যুৎ উপ সংমণ্ডলৰ অধীনস্থ কুমাৰপাৰা, ঘোপেলী, বাঘমাৰা, চমুখা, নাওপোটা, দুৰদুৰীয়াকে ধৰি গাঁওসমূহৰ গ্ৰাহক ৰাইজক বিদ্যুৎ বিভাগে আঁভুৱা ভাৰাৰ অভিযোগ উঠিছে। সন্ধিয়া হ'লে বিদ্যুৎ সেৱাৰ লুকাভাকু হোৱাটো এক নিময়মাফিক পৰম্পৰালৈ পৰিণত হৈ পৰাত স্কুল - কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে পঢ়াত বাধাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। দোকানত কেৰাচিনৰ অত্যধিক মূল্যবৃদ্ধিৰ বাবে দৰিদ্ৰ গ্ৰাহকসকলে তেল কিনাৰ আশা বাদ দি বিদ্যুতৰ ওপৰতে নিৰ্ভৰশীল হৈ পৰে। আনহাতে দেশৰ ডিজিটেল কাম-কাজত সকলোবোৰ অনলাইন ব্যৱস্থাৰে কাম-কাজ কৰিবলগীয়া হোৱাত অসুবিধাত পৰিবলগীয়া হৈছে। তদুপৰি ব্যৱসায়িক প্ৰতিষ্ঠান সমূহেও বিদ্যুতৰ ল'ৰা ধেমালিত প্ৰতিটো দিনতে লোকচানৰ সন্মুখীন হ'বলগীয়াত পৰিছে। ইফালে বিদ্যুতৰ এনে লুকাভাকুৰ সময়তো বিদ্যুৎ বিভাগৰ দৰিদ্ৰ গ্ৰাহকসকলৰ ওপৰত জাপি দিয়া অত্যধিক বিলত হাহাকাৰ লাগি পৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি ছিপাঝাৰ বিদ্যুৎ উপ সংমণ্ডলৰ কুমাৰপাৰা গাঁৰৰ ইন্দাদুল হকৰ নামত বিভাগৰ কৰ্মচাৰীয়ে যোৱা আগষ্ট মাহৰ বিদ্যুৎ বিল হিচাপে মিটাৰ ৰেডিং কৰি ১৫৩ টকাৰ বিলৰ চিলিপ এখন দি যায়। যাৰ পিছত দৰিদ্ৰ গ্ৰাহক গৰাকীয়ে বিল দিবলৈ গৈ দেখি কম্পিউটাৰত বিল হৈ আছে ১৬২ টকা। গ্ৰাহকগৰাকীয়ে বিল লোৱা কৰ্মচাৰীজনৰ পৰা জানিব বিচৰাত তেওঁক জনোৱা মতে আপোনাক বিল দি অহাৰ পিছত দিনাখনেই চৰকাৰে বিল বঢ়াইছে। আপুনি এনে বৃদ্ধি বিল দিবই লাগিব বুলি স্পষ্ট কৰি দিয়াত অৱশেষত বৰ্ধিত নিৰিখৰ বিল দিবলৈ বাধ্য হৈ পৰা বুলি প্ৰকাশ। একে গাঁও খনৰ ৰিয়াজুল হকৰো মিটাৰ ৰেডিঙৰ বিলকৈ ১১ টকা বৰ্ধিত হাৰত বিল দিয়া বুলি প্ৰকাশ। আশ্বৰ্যজনক কথা যে বিদ্যুতৰ শোচনীয় অৱস্থাৰ পিছতো এনেদৰে অধিক হাৰত বিদ্যুৎ বিল বৃদ্ধি কৰি দুখীয়া দৰিদ্ৰগ্ৰাহকৰ ওপৰত চৰকাৰে মাধমাৰ শোধোৱাত চকুৰে সৰিয়হৰ ফুল দেখিবলৈ লোৱা বুলি প্ৰকাশ।

# খুমটাই পতিয়া পথাৰত ৰাষ্ট্ৰীয় পোষণ মাহ পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২২ ছেপ্টেম্বৰ ঃ** খুমটাই আদৰ্শ চিকিৎসালয়ৰ অন্তৰ্গত পতিয়াপথাৰ উপ-স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত আৰু ২নং পতিয়া পথাৰ অংগন বাড়ীকেন্দ্ৰৰ সহযোগত আজি ৰাষ্ট্ৰীয় পোষণ দিৱস উদ্‌যাপন কৰা হয়। উল্লেখ যে ২ নং পতিয়াপথাৰ অংগন বাড়ী কেন্দ্ৰত অনুষ্ঠিত হোৱা পোষন অভিযানত পতিয়া পথাৰ উপ-স্বাস্থ্য কেন্দ্ৰৰ এমপি ডৱলিউ আচিকুৰ আলি আহমেদে পোষণ মাহৰ তাৎপৰ্যপূৰ্ণ ব্যক্তব্য প্ৰদান কৰাৰ লগতে গৰ্ভাৱতী মহিলাসকলৰ খাদ্য কেনেধৰণৰ হ'ব লাগে উল্লেখ কৰে। আনহাতে আশা কৰ্মী মীৰা গোহাঁইয়ে গৰ্ভৱতী মহিলাৰ সবধানতা আৰু আহাৰ কেনেধৰণৰ খাব লাগে এই সম্পৰ্কত বক্তব্য প্ৰদান কৰে। সভাত শিক্ষক লোহিত গগৈ,আপকু গোলাঘাট জিলা সমিতিৰ সভাপতি নবীন গোহাঁইয়ে বক্তব্য প্ৰদান কৰা সভাত এ এন এম ধানেশ্বৰী মাহাত্ব, আশা কৰ্মী পাৰুল গগৈ, অংগন বাড়ী কৰ্মী ভবানী গগৈ উপস্থিত থাকে। উল্লেখ যে স্বাস্থ্য কৰ্মী সকলৰ পৰা জানিব পৰা মতে ছেপ্টেম্বৰ মাহটো ৰাষ্ট্ৰীয় পোষণ মাহ হিচাপে পালন কৰা হয়। পোষণ অভিযানত অঞ্চলটোৰ গৰ্ভৱতী মহিলাসকলৰ ওপৰিও কেঁচুৱা মাতৃ সকলৰ লগতে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

# চাংলাং-মাৰ্ঘেৰিটা সংযোগী বিধ্বস্ত পথে জলা-কলা খুৱাইছে সাধাৰণ পথচাৰীক



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২২ ছেপ্টেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ চাংলাং আৰু অসমৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ সৈতে সংযোগ হোৱা একমাত্ৰ পথৰ ভয়াৱহ অৱস্থাই সকলোৱে চকু কঁপালত তুলিব। পথ নহয় যেন পুখুৰীহে, বহু বছৰ ধৰি নিৰ্মাণ বা মেৰামতিৰ অভাৱ তথা গধুৰ যান - বাহন চলাচলৰ ফলত পথটিৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। এজাক বৰষুণতে স্তব্ধ হৈ পৰে পথটোৱে যাতায়াত। আজিও কেইবাখনো গাড়ী বোকাত আবদ্ধ হৈ পৰাত বহু সময় ধৰি স্তব্ধ হৈ পৰে যাতায়াত। অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ মূল প্ৰাণকেন্দ্ৰ চাংলাঙৰ সামৰিক অসামৰিক আদি সকলো লোক চিকিৎসা বজাৰ সমাৰ আদি সকলো ক্ষেত্ৰতে মাৰ্ঘেৰিটালৈ আহিব বা মাৰ্ঘেৰিটা হৈ তিনিচুকীয়া ডিব্ৰুগড় যাব লগা হয়, কিন্তু এই পথটোৰ অৱস্থা দেখাৰ পাছত কোনেও নক'ব যে এই পথটো এটা আন্তঃ ৰাজ্যিক গুৰুত্ব থকা পথ। গধুৰ যান- বাহন চলাচলৰ লগতে বছৰ বছৰ ধৰি পুনঃ নিৰ্মাণ বা মেৰামতিৰ অভাৱত এই পথটোৰ জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। গুৰুত্বপূৰ্ণ কথা- অসমৰ অংশ প্ৰায় ৭ কিলোমিটাৰ পথ বিধ্বস্ত হোৱাৰ বিপৰীতে অৰুণাছলত প্ৰবেশ কৰাৰ লগে লগে সুন্দৰ পথ। স্থানীয় ৰাইজ দল-সংগঠন তথা অৰুণাচলৰ চাংলাংবাসীয়ে এই পথটো নিৰ্মাণৰ বাবে অসম চৰকাৰক আহ্বান কৰি আহিছে যদিও বৰ্তমানলৈকে কোনো ফল ধৰা নাই।

বঙাইগাঁৱত কংগ্ৰেছত খহনীয়া

## পঞ্চায়তৰ সভাপতি-কাউঞ্চিলাৰসহ অৰ্ধ শতাধিকৰ অগপত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ ছেপ্টেম্বৰ ঃ** অসম গণ পৰিষদৰ বঙাইগাঁৱস্থিত অগপ কাৰ্যালয়ত মঙলবাৰে আয়োজিত এক সভাত অৰ্ধ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে আঞ্চলিকতাবাদী দলটোত যোগদান কৰে। অগপৰ জ্যেষ্ঠ নেতা তথা বিধায়ক ফণীভূষণ চৌধুৰীয়ে গামোছা পিন্ধাই আটাইকে দললৈ আদৰণি জনায়। কাকৰাগাঁও পঞ্চায়তৰ সভাপতি ক্ষিৰোদ শীল, আঞ্চলিক পঞ্চায়তৰ সদস্যা মেহমুদা বিবি, পঞ্চায়তখনৰ সদস্য কমল ৰায়, ইলাৱতী সিংহ, নাবিয়া বিবি, জহিদুল ইছলামসহ অৰ্ধ শতাধিক লোকে কংগ্ৰেছ দল ত্যাগ কৰি অগপত যোগদান কৰে। উক্ত যোগদান অনুষ্ঠানত বিধায়ক চৌধুৰীৰ লগতে অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নীৰেন দাস, বঙাইগাঁও বিধান পৰিষদৰ সভাপতি বিজয় সিংহ, সম্পাদক শৈলেন সৰকাৰ, মহিলা পৰিষদৰ সভানেত্ৰী লীনা সিংহ প্ৰমুখ্য কৰি দলীয় নেতৃবৰ্গ উপস্থিত থাকে।

# লাহদৈগড় চাৰি আলিত ৰাজহুৱা প্ৰস্ৰাৱাগাৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২২ ছেপ্টেম্বৰ ঃ** লাহদৈগড় চাৰিআলিত হোলোঙাপাৰ জিলা পৰিষদৰ পঞ্চদশ বিত্তীয় আয়োগৰ ২০২০/২১ বৰ্ষৰ আৱণ্টিত চাৰিলাখ দহ হাজাৰ টকা পুজিৰে বুধবাৰে এটা ৰাজহুৱা প্ৰসাৰগাৰ শুভাৰম্ভ কৰা হয়। লাহদৈগড় অঞ্চলৰ ব্যৱসায়ী তথা পথচাৰীৰ দীঘদিনীয়া সহাঁৰি জনায় হোলোঙাপাৰ জিলা পৰিষদৰ সদস্যা প্ৰণতি বৰপাত্ৰ গোহাঁইৰ লগতে যোৰহাট জিলা পৰিষদৰ সভাপতি ৰঞ্জন কুমাৰ শইকীয়া, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া প্ৰণৱ কুমাৰ বৰা,বিজেপি চিপাহীখোলা মণ্ডলৰ সভাপতি ৰাতুল বৰঠাকুৰ উপস্থিত থাকি শুভাৰম্ভ কৰা হয়। উল্লেখ যে উক্ত প্ৰসাৱগাৰটিয়ে লাহদৈগড় ব্যৱহায়ী তথা ৰাইজৰ যথেষ্ট উপকৃত হ'ব।

<table><tr><td>

## ৰাশিফলত আজিৰ দিনটো

**৬ আহিন, শুকুৰবাৰ, ২৩ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা ত্ৰয়োদশী, নক্ষত্ৰ ঃ মঘাা, জন্ম ৰাশি ঃ সিংহ**
**সূৰ্যোদয়- ৫-১৫-৩৮, সূৰ্যাস্ত- ৫-১৭-৯**



■ **মেষ ঃ** নতুন উদ্যোগত চিন্তা। ■ **বৃষ ঃ** কৰ্মত জটিলতা। ■ **মিথুন ঃ** শৰীৰত ৰোগ। ■ **কৰ্কট ঃ** শত্ৰু ভয়। ■ **সিংহ ঃ** সাহসৰ পৰিচয়। ■ **কন্যা ঃ** জ্যেষ্ঠজনৰ পৰা সঁহাৰি। ■ **তুলা ঃ** শুভ কাৰ্যানুষ্ঠান। ■ **বৃশ্চিক ঃ** ধনৰ নাটনি। ■ **ধনু ঃ** এলাব বৃদ্ধি। ■ **মকৰ ঃ** বন্ধু সহায়। ■ **কুম্ভ ঃ** গৃহ সুখ। ■ **মীন ঃ** ভ্ৰমণ যোগ।

</td></tr></table>

# মাজবাটত ৰাজহুৱা ৰূপালী জয়ন্তী বৰ্ষ কৰম উৎসৱ

## প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২২ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাটত ৰাজহুৱা ৰূপালী জয়ন্তী বৰ্ষ কৰম উৎসৱৰ ২০ ছেপ্টেম্বৰৰ তৃতীয় দিনৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱা ৯ বজাত ২৫ জোপা বৃক্ষ ৰোপণ কৰে অসম চাহ মজদুৰ সংঘৰ মাজবাট অঞ্চলৰ চাহ বাগিচা সমূহৰ মজদুৰ সংঘৰ সভাপতি সম্পাদক আৰু জাতীয় সংগঠনৰ কৰ্ম কৰ্তা সকলে। পুৱা ১১ বজাত মুকলি সভাত ৰূপালী জয়ন্তী বৰ্ষ কৰম উৎসৱৰ বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন উপাধ্যক্ষ অসম বিধানসভাৰ তথা এ চি এম এছ বৰছলা শাখাৰ সম্পাদক ভীমানন্দ তাঁতীয়ে। দুপৰীয়া ১২ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়ায়। নিতুমণি শইকীয়ায় গ্ৰন্থ উন্মোচন কৰি ভাষণত কয় যে আদিবাসী জনগোষ্ঠী অসমত প্ৰায় এক কোটিতকৈ অধিক লোক আছে। এই জাতিক আগুৱাই লৈ যাবলৈ মন্ত্ৰী-বিধায়কসকলে



আগভাগ ল'ব লাগিব। শিক্ষাৰ ক্ষেত্ৰতো আগুৱাই যাবলৈ আহ্বান জনায় শইকীয়ায়। মুকলি সভাত উৎযাপন সমিতিৰ সভাপতিৰ অভিভাষণ ৰাখে স্থানীয় বিধায়ক চৰন বড়োয়ে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ৮নং মঙ্গলদৈ লোকসভা সমষ্টিৰ সংসদ দিলীপ শইকীয়া, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আছাৰ কেন্দ্ৰীয় সভাপতি প্ৰদীপ নাগ সম্পাদক নোৱাছ বাৰলা, এম চি এল এ ফ্ৰেচ মোছাহাৰী, উদ্‌যাপন সমিতিৰ সভাপতি শ্যাম চুণ্ডীৰ, মুখ্য সম্পাদক নৰেন আইমা, যুটিয়া সম্পাদক নৱজ্যুতি কৰ্মী ধীৰেন ৰাজোৱাৰৰ লগতে মুকলি সভাখনত উপস্থিত থাকে আদিবাসী শান্তি চুক্তিত স্বাক্ষৰ কৰা পাঁচটাকৈ বিদ্ৰোহী সংগঠনৰ নেতা-কৰ্মীসকল।

# বঙাইগাঁৱৰ বীৰঝৰা চাহ বাগিছত কৰম উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানত অঘটন

### হাইড্ৰেজেন গেছৰ ছিলিণ্ডাৰ বিস্ফোৰণৰ ফলত নিহত এজন যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২২ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও চহৰৰ গাতে লাগি থকা বীৰঝৰা চাহ বাগিছাত যোৱা নিশা ১১.৩০ মান বজাত কৰম উৎসৱৰ সাংস্কৃতিক অনুষ্ঠান চলি থকাৰ সময়তে এক অঘটন সংঘটিত হয়। উৎসৱস্থলীত হঠাতে বেলুন বেচা দোকানী এজনৰ বেলুন ফুলোৱা হাইড্ৰেজন গেছৰ চিলিণ্ডাৰ এটাৰ বিস্ফোৰণ ঘটাত যুৱক এজন নিহত হয়। আনহাতে আন দুজন লোক কিছু পৰিমাণে আহত হয়। পিচত যুৱকজনৰ চিকিৎসালয়লৈ নিয়াৰ পথত মডত্যু হয়। নিহত যুৱকজন বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত পুৰণি বঙাইগাঁও ভাটিপাৰাৰ জয়ন্ত ৰায়ৰ পুত্ৰ বীৰবল ৰায় (২০) বুলি চিনাক্ত হৈছে। উল্লেখ্য যে বীৰঝৰা চাহ বাগিছাৰ খেলপথাৰত বঙাইগাঁও জিলা আছাৰ উদ্যোগত সোমবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আদিবাসীসকলৰ জাতীয় উৎসৱ 'কৰম উৎসৱ'ৰ আয়োজন কৰিছিল। ১৯ সংখ্যক কৰম উৎসৱৰ মঙলবাৰে আছিল দ্বিতীয় তথা অন্তিন দিনৰ কাৰ্যসূচী। নিশা আছিল সাংস্কৃতিক অনুষ্ঠান। এই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিছিল ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই। সাংস্কৃতিক অনুষ্ঠান উদ্বোধনী কাৰ্যসূচী সমাপ্ত হোৱাৰ পিচত সেই স্থান ত্যাগ কৰিছিল সাংসদগৰাকীয়ে। ইয়াৰ পিচতে আৰম্ভ হৈছিল সাংস্কৃতিক অনুষ্ঠানৰ। ইয়াৰ মাজতে আমন্ত্ৰিত অতিথি হিচাপে কিছু পলমকৈ কেএচিৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মন কৰম উৎসৱস্থলীত উপস্থিত হৈছিল। মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে মঞ্চত ভাষণ দিয়াৰ পিচত গীত পৰিৱেশন কৰি থকাৰ সময়তে হঠাতে উৎসৱস্থলীত বিস্ফোৰণৰ শব্দ হয় আৰু উপস্থিত দৰ্শকৰ মাজত কিছু হুৱা - দুৱা লাগে। পিচত বেলুন ফুলোৱাৰ বাবে ব্যৱহৃত এটা হাইড্ৰজেন গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ ঘটা বুলি সকলোৱে নিশ্চিত হয়। কিন্তু এই চিলিণ্ডাৰ বিস্ফোৰণত কাষতে থকা বীৰবল ৰায় নামৰ যুৱকজনৰ লগতে আৰু দুজন লোক কম বেছি পৰিমাণে আহত হয়। ইয়াৰে ভিতৰত বীৰবল ৰায় নামৰ যুৱকজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ মাটিত বাগৰি পৰাৰ লগতে আঘাতৰ স্থানৰ পৰা তীব্ৰ ৰক্তক্ষৰণ হয়। পৰৱৰ্তী সময়ত গুৰুতৰভাৱে আহত যুৱকজনক বঙাইগাঁৱৰ লৱাৰ আসাম হাস্পতাল এণ্ড ৰিচাৰ্চ চেন্টাৰলৈ নিয়ে যদিও হাস্পতালৰ চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উল্লেখ্য যে ঘটনাটো সংঘটিত হোৱাৰ পিচতে আহত যুৱকজনক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়াৰ বাবে কোনেও ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। পিচত বন্ধুকেইজনমানেহে গুৰুতৰভাৱে আহত যুৱকজনক চিকিৎসালয়লৈ লৈ গৈছিল। উৎসৱ আয়োজক সমিতিয়েও আহত যুৱকজনক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। আনহাতে সাংস্কৃতিক অনুষ্ঠানত নিৰাপত্তাৰ বাবে কোনো আৰক্ষীৰ লোক নাছিল নেকি যে ঘটনাটোত আহতক উদ্ধাৰ কৰি চিকিৎসাৰ ব্যৱস্থা কৰাব। এনে বিষয়বোৰৰ এতিয়া চৰ্চা চলিছে। ইপিনে বুধবাৰে সন্ধিয়াৰ ভাগত কৰম উৎসৱ উদযাপন সমিতিয়ে ঘটনাটোত দুখ প্ৰকাশ মৃত বীৰবল ৰায়ৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত কৰম উৎসৱ উদযাপন সমিতিৰ বিষয়ববীয়াৰ লগতে ৱাৰ্ড কমিছনাৰ হীৰু বাগদীয়ে মৃত যুৱকজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।


POWERED BY
NPCI
भारतीय राष्ट्रीय भुगतान निगम
NATIONAL PAYMENTS CORPORATION OF INDIA
MRS. RAO SAYS,
"NEVER ENTER UPI PIN TO RECEIVE MONEY."
Bank Name
username@upi
ENTER UPI PIN
You are transferring money from your account to user
1 2 3
4 5 6
7 8 9
X 0 SUBMIT
UPI
SAFETY SHIELD
Remember the UPI Safety Shield every time you make UPI payments
1 Enter UPI PIN ONLY to deduct money from your account. UPI PIN is NOT required for receiving money.
2 Check the receiver's name on verifying the UPI ID. Do NOT pay without verification.
3 Use UPI PIN ONLY on the app's UPI PIN page. Do NOT share UPI PIN anywhere else.
4 Scan QR ONLY for making payment and NOT for receiving money.
5 Do not download any screen sharing or SMS forwarding apps when asked upon by any unknown person and without understanding its utility.
Scan QR to learn more about UPI Safety Shield
UPI 3rd Party Apps: Amazon Pay, Bajaj Finserv, Bajaj MARKETS (Finserv Markets), CoinTab, CRED, Fave (Pinelabs), Goibibo, Google Pay, Groww, Jupiter Money, Make My Trip, Mi Pay, MobiKwik, PhonePe, Samsung Pay, Slash, SuperPay (Chintamoney), TataNeu, Timepay, tvam (Atyati), Ultracash, WhatsApp, YuvaPay
UPI Banks apps & PSPs: Axis Bank, Bank of Baroda, Bank of India, Bank of Maharashtra, Canara Bank, Catholic Syrian Bank, City Union Bank, Central Bank of India, DBS, Digibank, Equitas small finance bank Federal Bank, HDFC Bank, HSBC, ICICI Bank, IDBI Bank, IDFC Bank, Indian Bank, Indian Overseas Bank, Jammu & Kashmir bank, Janta Sahakari Bank Pune, IndusInd Bank, Karnataka Bank, Karur vysya Bank, Kotak Mahindra Bank, Punjab & Sind Bank, Punjab National Bank, RBL Bank, South Indian Bank, Standard Chartered Bank, State Bank of India TJSB Bank, UCO Bank, Union Bank of India, Yes Bank, Airtel Payments Bank, Paytm Payments Bank, Bandhan Bank, Jio Payments Bank, Dhanlaxmi Bank, India Post Payments Bank, ESAF Small Finance Bank, AU Small Finance Bank, Dombivli Nagri Sahakari Bank, NSDL Payments Bank, SBM Bank, Utkarsh Small Finance Bank, Cosmos Co op Bank, The Surat Peoples Co op Bank, Jana Small Finance Bank, Tamilnad Mercantile Bank, CITI Retail, Pockets by ICICI Bank, LivQuik Technology (India) Private Limited, IDFC Bank, Amazon PPI
If you are a victim of cyber financial fraud, report immediately on helpline no. 1930 and register complaint on National Cybercrime reporting portal – www.cybercrime.gov.in
Issued in public interest by National Payments Corporation of India
EASY TO USE
TRUSTED BY CRORES
UPI
UNIFIED PAYMENTS INTERFACE
chalega
Easy. Safe. Instant.

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২৩ ছেপ্টেম্বৰ, ২০২২ ■ শুকুৰবাৰ ■ ৬ আহিন, ১৯৪৪ শক



## গোলাঘাট জিলাত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত আঁচনিৰ সন্দৰ্ভত পৰ্যালোচনা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২২ ছেপ্টেম্বৰ ঃ** আজি ইংৰাজী ২২ ছেপ্টেম্বৰ,২০২২ তাৰিখে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী কিৰেণ ৰিজিজুই বোকাখাত মহকুমাধিপতি কাৰ্যালয়ৰ সভাগৃহত এখন পৰ্যালোচনা সভাত অংশ গ্ৰহণ কৰে। সভাত গোলাঘাট জিলাৰ বিভিন্ন বিভাগৰ অধীনত চলি থকা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত আঁচনিৰ বৰ্তমান স্থিতি আৰু অগ্ৰগতি সন্দৰ্ভত বুজ লয় মন্ত্ৰীগৰাকীয়ে। সভাত গোলাঘাট জিলাৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণয়ে গোলাঘাট জিলাত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত জল জীৱন মিছন, প্ৰধানমন্ত্ৰী কিষাণ যোজনা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিচাঁই যোজনা, প্ৰধানমন্ত্ৰীৰ সুৰক্ষিত মাতৃত্ব অভিযান, আয়ুষ্মান ভাৰত, অটল অমৃত অভিযান, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা,মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি, প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনি, বিদ্যাঞ্জলি, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনি, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় শাৰীৰিক বাধাগ্ৰস্ত পেঞ্চন আঁচনি আদি বিভিন্ন উন্নয়নমূলক আঁচনিৰ ৰূপায়ণ আৰু বৰ্তমান স্থিতি সম্পৰ্কে পাৱাৰপইন্ট প্ৰেজেন্টেচনৰ জৰিয়তে মন্ত্ৰীগৰাকীক বহল ভাৱে অৱগত কৰে। সভাত মন্ত্ৰীগৰাকীয়ে আঁচনি সমূহৰ জৰিয়তে তৃণমূল পৰ্যায়ত প্ৰকৃত হিতাধিকাৰী সকল যাতে উপকৃত হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ বিভাগীয় বিষয়া সকলক নিৰ্দেশ দিয়ে লগতে নিয়মীয়াকৈ হিতাধিকাৰী সকলৰ লগত মত বিনিময় কৰি আঁচনি সমূহৰ সঠিক ব্যৱহাৰৰ প্ৰতি সজাগ কৰিবলৈ কয়। গোলাঘাট জিলাত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত আঁচনি সমূহৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ স্থিতি সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। পৰ্যালোচনা সভাত মাননীয় সাংসদ কামাখ্যা প্ৰসাদ তাছা, সৰুপথাৰ সমষ্টিৰ মাননীয় বিধায়ক বিশ্বজিৎ ফুকন, গোলাঘাট জিলাৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণ, বোকাখাতৰ মহকুমাধিপতি ডাঃ নেহা যাদৱ প্ৰমুখ্য কৰি জিলা আৰু মহকুমা প্ৰশাসনৰ অন্যান্য বিষয়া সকল উপস্থিত থাকে। পৰ্যালোচনা সভাৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বোকাখাত মহকুমাধিপতিৰ কাৰ্যালয় প্ৰাংগণত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ উপৰিও স্মৃতি উদ্যানত প্ৰতিষ্ঠিত ক্ৰমে শ্বহীদ কমলা মিৰি, শ্বহীদ বিজু বাউৰী, শিল্পী আইদেউ সন্দিকৈ, বীৰাংগনা সতী সাধনী আৰু সতী ৰাধিকাৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি আৰু মাল্যাৰ্পণ কৰে। উল্লেখযোগ্য যে পুৱা কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰীগৰাকীয়ে বোকাখাতৰ কেন্দ্ৰীয় বিহুতলিত আয়োজিত এক অনুষ্ঠানত উপস্থিত থাকি গোলাঘাট জিলাত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ৰূপায়িত কেইবাখনো অভিলাষী আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে আৰু আঁচনিসমূহৰ সন্দৰ্ভত তেওঁলোকৰ প্ৰতিক্ৰিয়া লয়।

## তালিকাত নাম থকাৰ পিছতো চৰকাৰী ঘৰৰ পৰা বঞ্চিত

# প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ পৰা বঞ্চিত নীলবাগান পঞ্চায়তৰ এগৰাকী দৰিদ্ৰ বিধৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২২ ছেপ্টেম্বৰঃ** গ্ৰামোন্নয়নৰ নামত হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ পঞ্চায়তে পঞ্চায়তে চলিছে কেৱল লুণ্ঠনৰাজ ।এনৰেগা আঁচনিত ভয়ংকৰ লুণ্ঠনৰাজ চলি থকাৰ সময়ত এইবাৰ পোহৰলৈ আহিল প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ নামত চলি থকা অনিয়মৰ কথা। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত একাংশ গাওঁ পঞ্চায়তত কমিচনৰ বজাৰ মুকলি হোৱাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি নীলবাগান গাওঁ পঞ্চায়তত চৰকাৰী গৃহক লৈ দুৰ্নীতি-অনিয়মে যেন সকলো সীমা চেৰাই গৈছে। পিএমএৱাই আঁচনিৰ গৃহ আৱন্টনৰ নামত নীলবাগান পঞ্চায়তৰ সভাপতি নুৰ ইছলাম সহ কেবা গৰাকী লোকৰ নাম সাঙুৰ খাই পৰিছে । ইতিমধ্যে আঁচনিৰ পৰা বঞ্চিত এগৰাকী বিধৱা মহিলাই মোৰাঝাৰ আৰক্ষী থানাত এক গোচৰ ৰুজু কৰা বুলি জানিব পৰা গৈছে । জানিব পৰা মতে ২০১১ চনৰ জৰীপ অনুসৰি মঞ্জুৰীকৃত প্ৰায় ৮০০ টা ঘৰৰ ভিতৰত ৫০০ টা ঘৰৰ কাম চলি আছে। এই তালিকাৰ এগৰাকী হিতাধিকাৰী আছিল শ্বৱজান বেগম। নীলবাগান পঞ্চায়তৰ শ্বৱজান বেগম নামৰ মহিলা গৰাকীৰ নাম ২০২০-'২১ বিত্তীয় বৰ্ষত আৱন্টিত ঘৰ ASS1167442 নম্বৰত আছে । আনকি মহিলা গৰাকী যে কেঁচা ঘৰত থাকে তাৰ বাবে প্ৰয়োজনীয় ফটো বিভাগৰ ৱেবচাইটত মজুদ আছে। বিধৱা মহিলা গৰাকীৰ ঘৰখন হঠাতে তালিকাৰ পৰা কৰ্তন হোৱা দেখি মহিলা গৰাকীয়ে পঞ্চায়তৰ সভাপতিৰ পৰা আৰম্ভ কৰি বিভিন্নজনৰ সৈতে যোগাযোগ কৰে যদিও কোনো সঁহাৰি লাভ কৰা নাই। আৱন্টিত ঘৰখন পাবলৈ মহিলা গৰাকীৰ পৰা পঞ্চায়ত সভাপতি নুৰ ইছলাম, ৱাৰ্ড সদস্য আৰিফ উদ্দিন আৰু লুৎফুৰ ৰহমানে উৎকোচ দাবী কৰাৰ অভিযোগ উঠিছে। এই সম্পৰ্কে মহিলা গৰাকীয়ে মোৰাঝাৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। এই সম্পৰ্কে জিলা উপায়ুক্তকো অভিযোগ দিয়া হৈছে । উপায়ুক্তই তদন্তৰ নিৰ্দেশ দিছে যদিও বিন্নাকান্দিৰ বিডিঅ' শেৱালী চক্ৰৱৰ্তীৰ ভূমিকা সন্দেহজনক হোৱাত বিধৱা শ্বৱজান বেগম নামৰ মহিলা গৰাকীয়ে এতিয়া আৰক্ষীৰ লগতে আইনৰ দুৱাৰে দুৱাৰে ঘূৰিবলগীয়া হৈছে।

### তামুলপুৰৰ কাউৰবাহাত ভাষণ প্ৰদান ৰিপুণ বৰাৰ

## মা-মাটিৰ ৰক্ষাৰ বাবে দায়বদ্ধ অসম তৃণমূল কংগ্ৰেছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২২ ছেপ্টেম্বৰ ঃ** মা-মাটি আৰু মানুহৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে তৃণমূল কংগ্ৰেছ দায়বদ্ধ। তৃণমূল কংগ্ৰেছৰ লক্ষ্যই হৈছে মাতৃসকলৰ সুৰক্ষা দিয়া, ভূমিৰ অধিকাৰ দিয়া তথা জনতাৰ মংগল সাধন কৰা। অসম তৃণমূলৰ সভাপতি ৰিপুণ বৰাই তামুলপুৰৰ কাউৰবাহাত ভাষণ প্ৰদান এই কথা ব্যক্ত কৰে। তেওঁ লগতে কয় যে, পশ্চিমবংগত এতিয়া যুৱচামে কেৱল চৰকাৰী চাকৰিয়েই নহয়, বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বেচৰকাৰী প্ৰতিষ্ঠান, ব্যৱসায়ত প্ৰতিষ্ঠা লাভ কৰি কৰ্মসংস্থাপন পাবলৈ সক্ষম হৈছে। কিন্তু অসমৰ ক্ষেত্ৰত ইয়াৰ ওলোটা ছবি আমি দেখিবলৈ পাইছোঁ। ৰাজ্যত বৃদ্ধি হোৱা নিবনুৱা সমস্যাই ভয়াৱহ সমস্যা ধাৰণ কৰিছে। তৃণমূল কংগ্ৰেছে জনতাৰ কল্যাণৰ বাবে কাম কৰি আহিছে আৰু অসম তৃণমূলে ৰাজ্যত সেই উদ্দেশ্যৰে কাম কৰাৰ বাবে বদ্ধপৰিকৰ বুলি ৰিপুণ বৰাই উল্লেখ কৰে। উল্লেখযোগ্য যে অসম তৃণমূলৰ সভাপতি ৰিপুণ বৰাই আজি তামুলপুৰ জিলা কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পূৰ্বে আকৰ্ষণীয় সাংস্কৃতিক কাৰ্যসূচীৰে সভাপতি তামুলপুৰ জিলা তৃণমূল কংগ্ৰেছে বিপুল আদৰণি জনায়। এই অনুষ্ঠানত উপসভাপতি শ্যামল সৰকাৰ, সাধাৰণ সম্পাদক ক্ৰমে মেহবুব হুছেইন, দিগন্ত ভূষণ বৰ্মন, তড়িত চেটাৰ্জী, অৰূপজ্যোতি ভূঞা, অসম তৃণমূল যুৱ কংগ্ৰেছৰ সভাপতি বন্দীপ দত্ত আৰু তামুলপুৰ জিলাৰ সভাপতি গৌৰীশংকৰ শৰণীয়া উপস্থিত থাকে। এই অনুষ্ঠানতে সভাপতি ৰিপুণ বৰাৰ উপস্থিতিত একাধিক লোকে অসম তৃণমূল কংগ্ৰেছত যোগদান কৰে।

## কৃতী শিক্ষক প্ৰদীপ কলিতালৈ পৰেশ বৈশ্য ফাউণ্ডেচনৰদ্বাৰা 'চাৰ্টিফিকেট অৱ এপ্ৰিচিয়েচন' সন্মান প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২২ ছেপ্টেম্বৰ ঃ** হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত শিক্ষক কৃতি শিক্ষক প্ৰদীপ কলিতালৈ ২০২২ বৰ্ষৰ পৰেশ বৈশ্য ফাউনণ্ডেছনৰ দ্বাৰা 'চাৰ্টিফিকেট অৱ এপ্ৰিচিয়েচন' সন্মান প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰী সকলক সহঃ বিদ্যায়তনিক দিশত, অৰ্থাৎ সাহিত্য, সংস্কৃতি, গীত, নাটক, আবৃত্তি, অভিনয় ইত্যাদিৰে উদ্বুদ্ধ কৰাৰ বাবে শিক্ষক প্ৰদীপ কলিতাই আগবঢ়োৱা শৈক্ষিক অৱদানৰ বাবে এই সন্মানৰ বাবে বিভূষিত কৰা হয় ।ইয়াৰ পূৰ্বে ২০২১ বৰ্ষৰ কামৰূপ জিলাৰ কৃতি শিক্ষকৰ বটা আৰু ২০২২ বৰ্ষৰ ৫ ছেপ্তেম্বৰত উত্তৰ পূব পেৰামেডিকেল এণ্ড নাৰ্চিং ইনষ্টিটিউশ্যন নামৰ প্ৰতিষ্ঠানৰ উদ্যোগত কৃতি শিক্ষকৰ বঁটাও লাভ




কৰিছিল শিক্ষক প্ৰদীপ কলিতাই। সমান্তৰালভাৱে শিক্ষক প্ৰদীপ কলিতাই সাহিত্য চৰ্চাৰ লগত জড়িত হৈ চাৰিখনকৈ গ্ৰন্থ ,আৰু আঠখনকৈ নাটক লিখি অসমীয়া সাহিত্যৰ অৱদান চহকী কৰি সুনাম বুটলিবলৈ সক্ষম হৈছে।

## খুমটাইৰ পতিয়াপথাৰত সোপা ধৰা সন্দেহত এজন যুৱক আটক আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই,২২ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত সোপাধৰা আতংকৰ খবৰে আতংকিত কৰি তোলা সময়তে কালি খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত পতিয়াপথাৰ অঞ্চলত এজন অচিনাক্ত যুৱক এখন বিদ্যালয়ত প্ৰৱেশ কৰাত ভীতিগ্ৰস্ত হৈ পৰে ছাত্ৰ ছাত্ৰী সকল । উল্লেখ্য যে কালি পুৱা খুমটাইৰ পতিয়াপথাৰৰ পদুমণি মজদুৰ প্ৰাথমিক বিদ্যালয়ত অচিনাক্ত যুৱক জন হঠাৎ প্ৰৱেশ কৰি বিদ্যালয়খন ছাত্ৰ ছাত্ৰী সকলক দেখি অদ্ভুত আচৰণ কৰে । যুৱকজনৰ এই আচৰণত একাংশ ছাত্ৰ ছাত্ৰী আতংকিত হৈ পৰে আৰু অভিভাৱক খবৰ দিয়ে । ইফালে বিদ্যালয়খনত গাঁওৰক্ষী বাহিনী , গাঁওপ্ৰধান, অভিভাৱক উপস্থিত হৈ আৰক্ষীক খবৰ দিয়ে । ঘটনাস্থলিত খুমটাই আৰক্ষী এটি দল উপস্থিত হৈ যুৱক জনক আটক কৰে । যুৱকজন যোৰহাট জিলাৰ ঢেকিয়াজুলিৰ চাহ বাগিছাৰ উত্তম পাটনায়ক বুলি আৰক্ষী সূত্ৰই সদৰি কৰিছে । আটক কৰা যুৱক জন মানসিকভাৱে বিকাৰগ্ৰস্ত খুমটাই আৰক্ষীয়ে সন্দেহ কৰিছে যদিও যুৱক অধিকতথ্যৰ বাবে কমাৰগাঁওআৰক্ষী থানাত সোধপোচ অব্যাহত ৰাখিছে।

SBFC | SMALL BUSINESS FINCREDIT এছবিএফচি ফাইনেঞ্চ প্ৰাঃ লিঃ
পঞ্জীয়ন কাৰ্যালয় ঃ ইউনিট নং-১০৩, প্ৰথম মহলা, চি এণ্ড বি স্কুৱেৰ, সংগম কমপ্লেক্স, চিটিএছ নং-৯৫এ, ১২৭, আন্ধেৰী কুৰলা ৰোড, গাঁও- চকলা, আন্ধেৰী (ই), মুম্বাই-৪০০০৫৯। ফোনঃ +৯১২২৬৭৮৭৫৩০০। ফেক্সঃ +৯১২২৬৭৮৭৫৩৩৪। www.SBFC.com। কৰ্পোৰেট পৰিচয় নম্বৰঃ ইউ৬৭১৯০এমএইচ২০০৮পিটিচি১৭৮২৭০
**শুধৰণি**
ৰাজহুৱা জাননীৰ সন্দৰ্ভত অৱগত কৰা হ'ল ২১.০৯.২০২২ তাৰিখে এই বাতৰি কাকতত প্ৰকাশিত বন্ধকী সোণৰ অলংকাৰৰ নিলাম। চাৰিটা শাখাত চাৰিটা একাউণ্ট নম্বৰত চাৰিটা ভুল হৈছিল। এ/চি নং, নগাঁও হ'ব লাগে এপি০০৪২৬৭০৫, নং এপি০০৪০৬৭০৫সলনি। এ/চি নং শিৱসাগৰ হ'ব লাগে এপি০০৩০৩৭৫০, নং এপি০০৩০১৭৫০ ৰ সলনি। এ/চি নং তেজপুৰ হ'ব লাগে এপি০০৩৪৬৭৭৫, নং এপি০০৩৪৭৬৭৫ ৰ সলনি। এ/চি নং তিনিচুকীয়া হ'ব লাগে এপি০০১৮৭৮১৮, নং এ পি০০৮৭৮১৮ ৰ সলনি। অন্যান্য তথ্য সমূহ অপৰিৱৰ্তিত হৈ থাকিব। অসুবিধাৰ বাবে অনুশোচনা কৰা হৈছে।

# মাজুলী মহাবিদ্যালয়ে মাজুলীৰ ঐতিহ্য প্ৰতিফলিত কৰাৰ দায়িত্ব ল'ব লাগিব

### মহাবিদ্যালয় পৰিচালনা সমিতি সভাপতিৰ দায়িত্ব লোৱাৰ পিছতেই ইচ্ছা প্ৰকাশ প্ৰকাশ ডঃ পীতাম্বৰ দেৱগোস্বামীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২২ ছেপ্টেম্বৰ ঃ** মাজুলীৰ প্ৰথমখনি উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ক এখনি বিশেষ মৰ্যাদাৰ শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাৰ আশা ব্যক্ত কৰিলে মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে নিযুক্ত আউনীআটীয় সত্ৰাধিকাৰ ডঃ পীতাম্বৰদেৱ গোস্বামীয়ে। অতি ব্যস্ততাৰ মাজতো আজি বিয়লি ৪-৩০ বজাত মহাবিদ্যালয়খনিত উপস্থিত হৈ প্ৰতিটো শ্ৰেণীকোঠা, পুথিভঁৰাল, প্ৰশাসনিক কাৰ্যালয় আৰু মহাবিদ্যালয়খনিৰ চাৰিওপাশে পৰিদৰ্শন কৰি সভাপতি হিচাপে তেখেতৰ মনৰ ভাৱ ব্যক্ত কৰিলে মহাবিদ্যালয়খনিৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মকৰ্তাৰ ওচৰত। মহাবিদ্যালয়খনিৰ চৌহদ প্ৰাকৃতিক পৰিবেশেৰে পূৰ্ণ কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা আৰু মহাবিদ্যালয়খনিয়ে সমগ্ৰ মাজুলীৰ তথ্য সম্বলিত প্ৰতিফলন ঘটাব পৰা কৰ্মৰ ওপৰত গুৰুত্ব দি সত্ৰাধিকাৰ গৰাকীয়ে কয়, অসমৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক পৰিবেশৰ প্ৰতিনিধিত্ব কৰা জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি সকলো মাজুলী মহাবিদ্যালয়ে প্ৰতিফলিত কৰিব লাগিব। মহাবিদ্যালয়খনিৰ বিভাগসমূহ আৰু প্ৰশাসনিক ভৱন, শ্ৰেণীকোঠাৰ পৰা ধৰি সকলোবোৰ তথ্য মহাবিদ্যালয়খনত প্ৰৱেশ কৰিয়ে যাতে অচিনাকি ব্যক্তিয়েও জানিব পাৰে তাৰবাবে প্ৰযুক্তিগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে মহাবিদ্যালয়ৰ পৰিয়ালক। মাজুলীৰ কলা- সংস্কৃতি জাতি-জনগোষ্ঠীৰ বৈচিত্ৰ্যময় ৰূপ এটা কোঠাত সুৰক্ষিত কৰি পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি তোলাৰ পৰিকল্পনাৰ বিষয়ে সভাপতি ডঃ গোস্বামীয়ে প্ৰকাশ কৰে। লগতে কয়, আমাৰ কাৰ্যকালত এইবোৰ কৰ্মৰ বাবে মহাবিদ্যালয়ৰ পুঁজিৰ অভাৱ হ'ব পাৰে, কিন্তু আমি এনে কাম কৰিব লাগিব যাক দেখি চৰকাৰ আৰু স্বেচ্ছাসেৱী অনুষ্ঠানসমূহেও পুঁজি যোগানৰ বাবে আগবাঢ়ি আহিব।



১৯৬২ চনত প্ৰতিস্থিত মহাবিদ্যালয়খনিৰ আউনীআটী সত্ৰৰ বদান্যতাৰে আৰম্ভ কৰা মহাবিদ্যালয়ৰ গৃহটি যিহেতু ব্যৱহাৰৰ অনুপযোগী হোৱাৰ উপক্ৰম হৈছে, এইক্ষেত্ৰতো ৰাইজৰ সেৱক হিচাপে কিছু প্ৰচেষ্টা ল'ব লাগিব বুলিও তেওঁ উল্লেখ কৰে। অসম তথা ভাৰতবৰ্ষৰ ধৰ্মানুষ্ঠান, শিক্ষানুষ্ঠান ভ্ৰমণ কৰি পোৱা অভিজ্ঞতাৰে তেওঁ মাজুলীৰ প্ৰাচীনতম অনুষ্ঠানটি সুন্দৰ পৰিকল্পনাৰে গঢ় দিয়াৰ ইচ্ছা প্ৰকাশ কৰে। মহাবিদ্যালয়খনিত বৰ্তমানৰ কলা আৰু বিজ্ঞানৰ উপৰিও বাণিজ্য বিভাগটিৰো সংযোজন ঘটাই পূৰ্ণাংগ ৰূপত যাতে সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব পাৰে সেই বিষয়েও তেওঁৰ মনৰ কথা ব্যক্ত কৰে। মহাবিদ্যালয় পৰিদৰ্শন কালত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াইনৱ নিযুক্ত সভাপতিগৰাকীক স্বাগতম জনোৱাৰ লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ স্বাৰ্থত তেওঁৰ পৰা যথোচিত পৰামৰ্শ লাভ কৰিব বুলি আশা ব্যক্ত কৰে। লগতে বিগত কালছোৱাত বিদায়ী সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াৰ পৰা লাভ কৰা সৰ্বতোপ্ৰকাৰৰ সহযোগৰ লাভ কৰাৰ কথাও উল্লেখ কৰে। মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখোৱা, ডঃ অনুপ কুমাৰ দলে, জ্যেষ্ঠ সাংবাদিক ডিম্বেশ্বৰ দত্ত, কৰ্মচাৰীসকলৰ প্ৰমুখ্যে বিভিন্নজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি নৱনিযুক্ত সভাপতিগৰাকীক অভিনন্দন জ্ঞাপন কৰে। সত্ৰাধিকাৰগৰাকীয়ে আগ বঢ়োৱা পৰামৰ্শাৱলীক আদৰণি জনাই অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই তেনে পৰিকল্পনা যৎপৰোনাস্তি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

## শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰালৈ সমন্বয় সংহতি বঁটা

### মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২২ ছেপ্টেম্বৰ ঃ** শ্ৰীমন্তশংকৰদেৱৰ সংঘৰ প্ৰধান সম্পাদক, সমাজ সেৱক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ মুখ্য সমন্বয়ক তথা সঞ্চালক (বিত্ত আৰু পৰিকল্পনা) বাবুল বৰালৈ আগবঢ়োৱা হৈছে ৰূপান্তৰ সমন্বয় সংহতি বঁটা-২০২২ ।শ্ৰীমন্তশংকৰদেৱৰ সংঘৰ প্ৰধান সম্পাদক হিচাপে বিগত বহুকেইটা বছৰ বিভিন্ন জাতি জনগোষ্ঠীক একতাৰ বান্ধোনেৰে বান্ধিবলৈ সক্ষম হোৱা বাবুল বৰাৰ কৰ্ম আৰু সমাজৰ বাবে আগবঢ়োৱা বৰঙনিৰ চিন স্বৰূপে নগাঁৱৰ সমাজ সাহিত্য সাংস্কৃতিক মঞ্চ ৰূপান্তৰে এই বঁটা প্ৰদান কৰে। আজি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ বঁটা প্ৰদান অনুষ্ঠানত বঁটা গ্ৰহণ কৰি বাবুল বৰাই কয় "সৰু পঁজাটো থাকি মানুহে সপোন দেখিব পাৰে । সপোনৰ বাবে কোনো নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন নাই । আমাৰ কৰ্মৰ মূলমন্ত্ৰ হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ে চাৰিও দিশে গুঞ্জৰিত কৰা ।" উল্লেখ্য যে, এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ ভদ্ৰেশ্বৰ ৰাজখোৱা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকা, পঞ্জীয়ক ডঃ মৃনাল কুমাৰ বৰা আৰু নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা ।নগাঁৱৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে ৰূপান্তৰ পৰিয়ালবৰ্গ, বিশ্ববিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী তথা ছাত্ৰ ছাত্ৰীয়ে এই অনুষ্ঠানত উপস্থিত থাকে ।এই বঁটাত আছে এখন ফুলাম গামোচা, অংগ বস্ত্ৰ, প্ৰশস্তি পত্ৰ আৰু এটি স্মাৰক। উল্লেখ যে এই বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশাল ব্যক্তিত্ব বাবুল বৰা শীৰ্ষক জীৱন পঞ্জী এখনিও ৰূপান্তৰ সম্পাদনাত প্ৰকাশ পোৱা গ্ৰন্থ খনিও উন্মোচন কৰা হয়।

NEMCARE Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Assam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

केनरा बैंक Canara Bank (भारत सरकार का उपक्रम / A Government of India Undertaking) | सिंडिकेट Syndicate

**দখলৰ জাননী**
(স্থাৱৰ সম্পত্তিৰ বাবে)

**আঞ্চলিক কাৰ্যালয়, গুৱাহাটী**
দ্বিতীয় মহলা, মেফেয়াৰ বিল্ডিং, জ্যোতিকুছি, হনুমান মন্দিৰৰ বিপৰীতে, লখৰা ৰোড, গুৱাহাটী, পিন-৭৮১০৩৪, অসম

যিহেতু, তলত স্বাক্ষৰদানকাৰী কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়া, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল অছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (২০০২ ৰ আইন- ৫৪) আৰু ধাৰা ১৩(১২) ক্ষমতা প্ৰয়োগ কৰি আৰু পঢ়ি উঠি ৰুল-৩ ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতালৈ যাতে জাননীত উল্লেখিত ধনৰাশি পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। একাউণ্টৰ সবিশেষ তলত উল্লেখ কৰা ধৰণে ঃ-

ঋণ লওতাই এই ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ'ল, সেয়েহে এই জাননীৰ জৰিয়তে ঋণ লওতা আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে স্বাক্ষৰকাৰীয়ে তলত বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা ১৩(৪) প্ৰয়োগ কৰি, পঢ়ি উঠি বিধি- ৮ আৰু ৯ অনুসৰি, তলত উল্লেখ কৰা তাৰিখত তেওঁলোকৰ নামৰ বিপৰীতে।

ঋণ লওতাক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক ইয়াৰ জৰিয়তে অৱগত কৰা হ'ল যে উক্ত সম্পত্তি বিষয়ত যাতে লেনদেন নকৰে। অন্যথা কানাড়া বেংকৰ সংশ্লিষ্ট শাখাত পৰিশোধ কৰিব লাগিব তলত উল্লেখ কৰা ধৰণে আদায় দিবলৈ থকা ধন আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ।

আইনৰ ধাৰা ১৩(৮)ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

| ক) ঋণ লওতাৰ নাম<br>খ) শাখাৰ নাম | দাবী জাননীৰ তাৰিখৰ ভিত্তিত অনাদায় ধনৰ পৰিমাণ | ক) দাবী জাননীৰ তাৰিখ<br>খ) দখলৰ তাৰিখ | বেংকত বন্ধকী থকা সম্পদৰ সবিশেষ |
|---|---|---|---|
| ক) শ্ৰী জিতেন্দ্ৰ ডেকা,<br>(খ) নলবাৰী | ২৭,১৫,৬৪৬.৩৩ টকা (সাতাইছ লাখ পোন্ধৰ হাজাৰ ছয়শ ছয়চল্লিশ টকা তেত্ৰিছ পইছা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০১.০৭.২০২২<br>খ) ২০.০৯.২০২২ | ফ্লেট নং-১ চি-ৰ ই এম টি, পৰিমাপ হ'ল ১৩০০ বৰ্গফুট প্ৰথম মহলাত (০.৪০ আৰ ভুমিৰ অবিভক্ত সমানুপাতিক অংশ), বহু মহলীয়া আৰচিচি বিল্ডিং, নাম- 'ৰিভাৰ হাইটচ গাৰ্ডেন' লগতে অবিভক্ত ভুমিৰ সমানুপাতিক অংশ আৱৰি আছে দাগ নং-১ (পুৰণি)/৭২৩ (নতুন) আৰু কে. পি. পট্টা নং-২৩৯(পুৰণি)/১০২ (নতুন)। অৱস্থিত আছে গাঁও নংঃ ৰামচাহিল গ্ৰাণ্ট, মৌজা- উলুবাৰী, জিলা- কামৰূপ (মেট্ৰো), গুৱাহাটী, অসম। সম্পদৰ স্বত্তাধিকাৰী শ্ৰী জিতেন্দ্ৰ ডেকা।<br>এল এছ আৰ অনুসৰি চাৰিসীমা ঃ<br>উত্তৰে- পি ডব্লিউ ডি পথ, দক্ষিণে ঃ জে. গগৈৰ অৱশিষ্ট ভুমি, পূবে ঃ ইণ্ডিয়ান অইল লিঃৰ ভুমি, পশ্চিমে ঃ জয়পুৰ এল. পি. স্কুল। |
| ক) শ্ৰী জিতেন্দ্ৰ ডেকা, স্বত্তাধিকাৰীঃ মেচাৰ্ছ কে আই ডি চি<br>(খ) নলবাৰী | ২,৮৯,৫০,২৪০.৬৯ টকা (দুই কোটি উনানৱৈ লাখ পঞ্চাছ হেজাৰ দুশ চল্লিছ টকা উনাসত্তৰ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০১.০৭.২০২২<br>খ) ২০.০৯.২০২২ | |
| ক) শ্ৰী জিতেন্দ্ৰ ডেকা, স্বত্তাধিকাৰীঃ মেচাৰ্ছ কে আই ডি চি ক্ৰুছাৰ<br>(খ) নলবাৰী | ৮৮,৪১,৩৭৮.১০ টকা (অষ্টাশী লাখ একচল্লিছ হেজাৰ তিনিশ আঠসত্তৰ টকা দহ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০১.০৭.২০২২<br>খ) ২০.০৯.২০২২ | |

তাৰিখ ঃ ২০.০৯.২০২২, স্থান ঃ গুৱাহাটী — কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক

**ফৰ্ম জি**
**সমগ্ৰ ভাৰতৰ বিভিন্ন স্থানত প্লাষ্টিক সামগ্ৰী আৰু অটো কম্পোনেণ্ট বিভাগত কাম কৰি থকা চিনটেক্স-বিএপিএল লিমিটেডৰ বাবে আগ্ৰহ প্ৰকাশৰ বাবে আমন্ত্ৰণ**
**(দেউলিয়া নিয়মাৱলী ৩৬এ (১)ৰ অধীনত আৰু দেউলিয়া (কৰ্পোৰেট ব্যক্তিসকলৰ বাবে দেউলিয়া সমাধান প্ৰক্ৰিয়া) নিয়মাৱলী, ২০১৬**

<table>
<tr><th colspan="3">প্ৰাসঙ্গিক বিৱৰণসমূহ</th></tr>
<tr><td>১.</td><td>চি.আই.এন.-ৰ সৈতে কৰ্পোৰেট ঋণদাতাৰ নাম</td><td>Sintex-BAPL Limited<br>U25199GJ2007PLCO51364</td></tr>
<tr><td>২.</td><td>পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনা</td><td>অভিজিত-১, ৭ম মহলা, মিঠাখালী ৬ পথ, এলিচব্ৰিজ, আহমেদাবাদ, গুজৰাট- ৩৮০০০৬</td></tr>
<tr><td>৩.</td><td>ইউ আৰ এলৰ ৱেবছাইট</td><td>http://www.sintexbapl.co.in/</td></tr>
<tr><td>৪.</td><td>বেছিভাগ স্থায়ী সম্পত্তি থকা স্থানৰ বিৱৰণ</td><td>ভাৰতত ১২ টা উৎপাদন সুবিধা ঃ<br>(i) কলোল — পিপি ডিভিজন, (ii) উলুবেৰিয়া - পিপি বিভাগ, (iii) নামক্কাল - পিপি ডিভিজন, (iv) নালাগড় - পিপি ডিভিজন, (v) বুইটিবৰী - পিপি ডিভিজন, (vi) গুৱাহাটী - পিপি ডিভিজন, (vii) পুনে — আইচিএম ডিভিজন, (viii) চোহানা — আইচিএম ডিভিজন, (ix) চেন্নাই১ - আইচিএম ডিভিজন, (x) চেন্নাই ২ — আইচিএম ডিভিজন, (xi) পিটামপুৰা-আইচিএম ডিভিজন (xii) হচুৰ- আইচিএম ডিভিজন।<br>ৱেবছাইটত আপলোড কৰা "টিজাৰ"ত কৰ্পোৰেট ডেবটৰৰ বিষয়ে অধিক বিৱৰণো উল্লেখ কৰা হৈছে http://www.sintexbapl.co.in/</td></tr>
<tr><td>৫.</td><td>মুখ্য সামগ্ৰী/সেৱাসমূহৰ স্থাপিত ক্ষমতা</td><td>প্লাষ্টিক সামগ্ৰী বিভাজন
<table>
<tr><th>শাখা</th><th>বাৰ্ষিক উৎপাদন ক্ষমতা, এমটি (মিক্স এছকেইউ)</th></tr>
<tr><td>প্লাষ্টিক শাখা (পিএছ)</td><td>৯,৩৬০</td></tr>
<tr><td>শ্বীট মোল্ডেড কম্পাউণ্ড (এছএমচি)</td><td>১১,২৩২</td></tr>
<tr><td>ফাইবাৰ-ৰিইনফৰ্চড প্লাষ্টিক (এফআৰপি)</td><td>১,২০০</td></tr>
<tr><td>ৰোটো মোল্ডিং</td><td>৩২,৫৫৬</td></tr>
<tr><td>ব্লো মোল্ডিং (বিএমচি)</td><td>১৫,০৩৬</td></tr>
<tr><td>মুঠ</td><td>৬৯,৩৮৪</td></tr>
</table>
ভাৰতীয় কাষ্টম মোল্ডিং (অটো) বিভাগ
<table>
<tr><th>শাখা</th><th>বাৰ্ষিক উৎপাদন ক্ষমতা, এমটি (মিক্স এছকেইউ)</th></tr>
<tr><td>ব্লো মোল্ডিং</td><td>২,৬৯৯</td></tr>
<tr><td>ইনজেক্সন মোল্ডিং</td><td>১২,৬২৮</td></tr>
<tr><td>থাৰ্মোছেটছ</td><td>১৭৪</td></tr>
<tr><td>মুঠ</td><td>১৫,৫০২</td></tr>
</table>
টোকা ঃ প্ৰযুক্তি, যন্ত্ৰ, সামগ্ৰী আৰু সামগ্ৰীৰ আকাৰ মিশ্ৰণৰ ওপৰত আধাৰিত কৰি ক্ষমতা আৰু ক্ষমতাৰ ব্যৱহাৰ গণনা কৰা হয়। মিশ্ৰণটোৰ যিকোনো পৰিৱৰ্তনৰ ফলত ক্ষমতা আৰু ক্ষমতাৰ ব্যৱহাৰৰ পৰিৱৰ্তন হ'ব।</td></tr>
<tr><td>৬.</td><td>যোৱা বিত্তীয় বৰ্ষত বিক্ৰী হোৱা মুখ্য সামগ্ৰী/সেৱাৰ পৰিমাণ আৰু মূল্য</td><td>প্লাষ্টিক সামগ্ৰী বিভাজন — বিত্তীয় বৰ্ষ-২২
<table>
<tr><th>মুখ্য সামগ্ৰী গোট</th><th>মুঠ পৰিসংখ্যা, এমটি</th><th>মূল্য (কোটি টকাত)</th></tr>
<tr><td>ৱাটাৰ টেংক (ৰোটো আৰু বিএমচি)</td><td>১৩,৩৪৬</td><td>৩৫৩</td></tr>
<tr><td>এছএমচি আৰু এফআৰপি</td><td>৩,২৫১</td><td>৯৫</td></tr>
</table>
ভাৰতীয় কাষ্টম মোল্ডিং (অটো) বিভাগ — বিত্তীয় বৰ্ষ-২২
<table>
<tr><th>মুখ্য সামগ্ৰী গোট</th><th>মুঠ পৰিসংখ্যা, এমটি</th><th>মূল্য (কোটি টকাত)</th></tr>
<tr><td>ইনজেক্সন মোল্ডিং</td><td>১০,৪৩৫</td><td>২২৭.৭০</td></tr>
</table>
টোকা ঃ যিহেতু বিভিন্ন সামগ্ৰী এছ.কে.ইউ.-ৰ জোখৰ বিভিন্ন একক আছে, সেয়েহে, ওপৰৰ আভ্যন্তৰীণ কামটো যিমান সম্ভৱ পৰিৱৰ্তন কাৰক অনুসৰি কোম্পানীৰ প্ৰাককলনৰ ওপৰত আধাৰিত।<br>টোকা ঃ মুঠ বিক্ৰীৰ ১০% বা অধিক অৱিহণা যোগোৱা সামগ্ৰীবিবেচনা কৰা হৈছে।</td></tr>
<tr><td>৭.</td><td>কৰ্মচাৰী/কৰ্মীৰ সংখ্যা</td><td>৩১ আগষ্ট ২০২২
<table>
<tr><th>বিভাগ</th><th>সংখ্যা*</th></tr>
<tr><td>প্লাষ্টিক সামগ্ৰী</td><td>১,৮০৭</td></tr>
<tr><td>ইণ্ডিয়ান কাষ্টম মোল্ডিং</td><td>১,২৩১</td></tr>
</table>
টোকা ঃ কৰ্মচাৰী, স্থায়ী কৰ্মী আৰু ঠিকাভিত্তিক কৰ্মীৰ অন্তৰ্ভুক্ত।</td></tr>
<tr><td>৮.</td><td>দুবছৰৰ সমাপ্তিত উপলব্ধ বিত্তীয় বিৱৰণ (অনুসূচীসহ), ঋণদাতাৰ তালিকা, প্ৰক্ৰিয়াটোৰ পৰৱৰ্তী ঘটনাবোৰ বাবে প্ৰাসঙ্গিক তাৰিখবোৰ ইয়াত উপলব্ধ ঃ</td><td>চি.আই.আৰ.পি. টেব চাওক http://www.sintexbapl.co.in/ বা<br>মেইল প্ৰেৰণ কৰক RP.SintexBAPL@IN.GT.COM লৈ</td></tr>
<tr><td>৯.</td><td>কোডৰ ধাৰা ২৫(২)(এইচ)ৰ অধীনত ৰিজলিউশ্বন আবেদনকাৰীসকলৰ বাবে যোগ্যতা ইয়াত উপলব্ধ ঃ</td><td>চি.আই.আৰ.পি. টেবৰ অধীনত উপলব্ধ আগ্ৰহৰ অভিব্যক্তি (ইঅ'আই) প্ৰক্ৰিয়া নথি উপলব্ধ আছে<br>http://www.sintexbapl.co.in/ বা<br>মেইল প্ৰেৰণ কৰক RP.SintexBAPL@IN.GT.COM লৈ</td></tr>
<tr><td>১০.</td><td>আগ্ৰহপ্ৰকাশৰ অন্তিম তাৰিখ</td><td>০৭ অক্টোবৰ ২০২২</td></tr>
<tr><td>১১.</td><td>আবেদনকাৰীসকলৰ প্ৰাথমিক তালিকা প্ৰকাশ কৰাৰ সম্ভাব্য তাৰিখ</td><td>১৭ অক্টোবৰ ২০২২</td></tr>
<tr><td>১২.</td><td>প্ৰাথমিক তালিকাত আপত্তি দাখিল কৰাৰ অন্তিম তাৰিখ</td><td>২২ অক্টোবৰ ২০২২</td></tr>
<tr><td>১৩.</td><td>ই.অ.আই. দাখিল কৰিবলৈ ইমেইল আইডি ব্যৱহাৰ কৰক</td><td>RP.SintexBAPL@IN.GT.COM</td></tr>
</table>

এছডি/-
**আশীষ চাৱছাৰিয়া**
(IBBI/IPA-001/IP-P00294/2017-18/10538)
চিনটেক্স-বিএপিএল লিমিটেডৰ বাবে ৰিজলিউশ্বন পেছাদাৰী
ইঃ RP.SintexBAPL@in.gt.com
আইবিবিআইৰ সৈতে পঞ্জীভুক্ত ঃ
গ্ৰাণ্ট থৰ্ণটন, ১০চি হাংগাৰফৰ্ড ষ্ট্ৰীট, কলকাতা- ৭০০০১৭, পশ্চিম বংগ
ইঃ Ashish.Chhawchharia@in.gt.com

তাৰিখ ঃ ২২ ছেপ্টেম্বৰ ২০২২
স্থান ঃ আহমেদাবাদ




# ডিমাকুছি সোণাজুলিত হাতী-মানুহ সংঘাত ৰোধৰ উদ্দেশ্যে সৌৰশক্তিচালিত বেৰৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২২ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ ভূটান সীমান্তৰ খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চল আৰু বৰনদী অভয়াৰণ্যৰ খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীকে ধৰি বনৰীয়া ম'হ, মেথোন, বনৰীয়া গাহৰিয়ে নিকটৱৰ্তী গাঁওসমূহত সোমাই ঘৰ-দুৱাৰ ভঙাৰ উপৰি মানুহৰ প্ৰাণ হানি কৰি অহাৰ পৰিপ্ৰেক্ষিতত আজি সীমান্তত সৌৰশক্তিচালিত বেৰ দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিছে। ১৫ ছেপ্টেম্বৰতো ২নং ডিমাকুছিৰ বগৰীতলত কুশেশ্বৰ ডেকাক বন্যহস্তীয়ে গচকি হত্যা কৰাৰ পিছতে ৰাইজে হাতী-মানুহৰ সমস্যা দূৰ কৰিবলৈ বিটিচি পৰিষদীয় চৰকাৰক দাবী জনাইছিল। ৰাইজৰ দাবী আৰু সমস্যাটোৰ গুৰুত্ব সহকাৰে গ্ৰহণ কৰি বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে পৰিষদীয় চৰকাৰৰ পুঁজিৰে নোনাই ফ'ৰেষ্ট ৰেঞ্জৰ উত্তৰ ডিমাকুছিৰ ২নং সোণাজুলিত বগৰীতলৰ পৰা ফাৰ্ম চ'কলৈ মুঠ ৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সৌৰশক্তিচালিত প্ৰতিৰোধী বেৰ নিৰ্মাণৰ বাবে অনুমোদন জনায়। আজি বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জীত বসুমতাৰীয়ে কাৰ্যবাহী সদস্য দাউবৈছা বড়োৰ উপস্থিতিত সৌৰশক্তিচালিত বেৰ নিৰ্মাণৰ শুভাৰম্ভ কৰে। এই সৌৰ বেৰ সম্পূৰ্ণ হৈ উঠিলে অঞ্চলটোত হাতী-মানুহৰ সংঘাত বহু পৰিমাণে লাঘৱ হ'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত ভেৰগাঁও জিলা ইউপিপিএলৰ সভাপতি নিৰ্মল বড়ো সম্পাদক এণ্টনী বসুমতাৰী লগতে ধনশ্ৰী বন সংমণ্ডল বিষয়া-কৰ্মচাৰীৰ সৈতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ■ডিজিটেল মাধ্যমত পাঠদান চলা কলিয়াবৰৰ এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়■

# কৰ্মোদ্যমী শিক্ষকৰ চেষ্টাত ধ্বংসমুখী চৰকাৰী বিদ্যালয়ৰ বিপৰীত ছবি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২২ ছেপ্টেম্বৰ ঃ** কৰ্মোদ্যমী শিক্ষকৰ চেষ্টাত ধ্বংসমুখী চৰকাৰী বিদ্যালয়ৰ এক বিপৰীত ছবি প্ৰতিফলিত হৈছে কলিয়াবৰত। চৰকাৰী বিদ্যালয়ক সঞ্জীৱিত কৰি এটা লেপটপ আৰু এল ই ডি টিভিৰ জৰিয়তে সম্পূৰ্ণ ডিজিটেল মাধ্যমত ছাত্ৰ-ছাত্ৰীক শিক্ষকে কৰিছে পাঠদান। চৰকাৰী অনীহাৰ বিপৰীতে শিক্ষকে নিজা খৰচত স্থাপন কৰিছে এই ডিজিটেল ব্যৱস্থা। কলিয়াবৰৰ এখন প্ৰাথমিক বিদ্যালয়ৰ কেইজনমান শিক্ষকৰ প্ৰশংসনীয় পদক্ষেপ। গাঁঠিৰ ধন ভাঙি বিদ্যালয়ত স্থাপন কৰিলে ডিজিটেল পাঠ্যক্ৰমৰ ব্যৱস্থা। যিটো সময়ত দুৰ্বল আন্তঃগাঁথনিৰ সমস্যাত ৰাজ্যৰ বহু প্ৰাথমিক বিদ্যালয় জৰ্জৰিত, সেই সময়তে কলিয়াবৰৰ ১নং বৰঘুলি বিলপাৰবস্তি প্ৰাথমিক বিদ্যালয়ে দেখুৱাইছে নিদৰ্শন। কলিয়াবৰ প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনৰ ১নং বৰঘুলি বিলপাৰবস্তি প্ৰাথমিক বিদ্যালয়ত শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰচেষ্টাত ডিজিটেল ক্লাছৰূম সংযোগ কৰি ছাত্ৰ-ছাত্ৰীক পাঠদানেৰে দেখুৱাইছে নিদৰ্শন। বিদ্যালয়খনৰ শিক্ষাগুৰুসকলে শিক্ষাদানৰ প্ৰতি দেখুৱাইছে নিষ্ঠা আৰু দায়িত্ববোধ। মুঠ পাঁচগৰাকীকৈ শিক্ষক থকা বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ লগতে অন্যান্য শিক্ষকসকলৰ চিন্তাৰ বলতে সংখ্যালঘু অঞ্চলৰ অতি পিছপৰা অঞ্চলটোৰ এই বিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত দেখুৱাইছে অনন্য নিদৰ্শন। যি সময়ত ৰাজ্যত চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী কম হোৱাৰ বাবে সেইসমূহ স্কুল একত্ৰীকৰণ বা বন্ধ কৰিব লগা হৈছে তেনে সময়তে কলিয়াবৰৰ ১নং বৰঘুলি বিলপাৰবস্তি প্ৰাথমিক বিদ্যালয়ত ৫জন শিক্ষকে ১৫০ৰো অধিক ছাত্ৰ-ছাত্ৰীক দিবলৈ সক্ষম হৈছে গুণগত শিক্ষা।

# চিনাতলী বৰনামঘৰত ভদীয়া নামৰ সামৰণি

## দুগৰাকী লোকশিল্পীক 'তৰুলতা শইকীয়া সোঁৱৰণী গোপিনী নাম আই পদ্মপ্ৰিয়া বঁটা' প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২২ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা ঐতিহাসিক চিনাতলী বৰনামঘৰত পৱিত্ৰ ভাদ মাহত অঞ্চলটোৰ মহিলাসকলে মাহজোৰা হৰিনাম চৰ্চাৰ অন্তত নাম সামৰণী অনুষ্ঠান অনুষ্ঠিত হয়। ২০ ছেপ্টেম্বৰত অনুষ্ঠিত নাম সামৰণী অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ শ শ মহিলা আৰু পুৰুষে অংশগ্ৰহণ কৰে। গোপিনীসকলৰ নামেৰে মুখৰ হ'ল চিনাতলীৰ আকাশ-বতাহ। উল্লেখ যে ১৯৬৩ চনৰ পৰা চলি আহিছে মহিলাসকলে নাম লোৱাৰ এই পৰম্পৰা। নাম সামৰণিৰ লগত সংগতি ৰাখি প্ৰথমবাৰৰ বাবে ঐতিহাসিক চিনাতলী বৰ নামঘৰত অনুষ্ঠিত হ'ল গোপিনীৰ ধৰ্মীয় বঁটা প্ৰদান অনুষ্ঠান। চিনাতলীৰ বিশিষ্ট সমাজকৰ্মী অনন্ত শইকীয়া আৰু পৰিয়াল বৰ্গই তেওঁৰ মাতৃৰ সোঁৱৰণত 'তৰুলতা শইকীয়া সোঁৱৰণী গোপিনী নাম আই পদ্মপ্ৰিয়া বঁটা ২০২২' প্ৰদান কৰে দুগৰাকী আইনামৰ লোকশিল্পীক। অসমীয়া সমাজৰ পৰা ক্ৰমাৎ হেৰাই যাবলৈ ধৰা 'আইনাম, গোপিনী নাম'ৰ দৰে সোণসেৰীয়া লোক- সংগীতৰ সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি অঞ্চলটোৰ দুগৰাকী আইনাম, গোপিনী নাম আৰু বিয়ানামৰ



অগ্ৰণী শিল্পীক বঁটা প্ৰদান কৰিছে। প্ৰথমবাৰৰ বাবে প্ৰদান কৰা বঁটাটো আইনাম গোপিনী নামৰ থলুৱা লোক-সংগীতৰ জীৱনজুৰি নিৰল চৰ্চা অব্যাহত ৰাখি নতুন প্ৰজন্মক আকৰ্ষিত আৰু প্ৰশিক্ষিত কৰি সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে অঞ্চলৰ দুগৰাকী বৰ্ষীয়ান মহিলা মহেশ্বৰী শইকীয়া আৰু পদুমী বৰাক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত মানপত্ৰ, চেলেং, গামোচা, স্মাৰক আৰু নগদ দুহাজাৰ টকাৰ মাননি আগবঢ়োৱা হয়। এনেদৰে প্ৰতি বছৰে দুগৰাকী মহিলা শিল্পীক বঁটা প্ৰদান কৰিব বুলি জানিবলৈ দিছে অনন্ত শইকীয়া আৰু তেওঁৰ পৰিয়ালে। এই বঁটাই বৃহত্তৰ চিনাতলী অঞ্চলৰ মহিলাসকলক অনুপ্ৰাণিত কৰিব বুলি আশাবাদী সকলো। জিলাখনৰ বিভিন্ন প্ৰান্তৰ কেইবা শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰি ভক্তিৰসত বিলীন হ'ল নাম সামৰণী অনুষ্ঠানৰ কাৰ্যসূচীত। এনেদৰেই আজি হৰিনামৰ ধ্বনিৰে মুখৰ হ'ল চিনাতলীৰ সমগ্ৰ অঞ্চল।

# লোচ মুক্তাপুৰ বাৰোৱাৰী দুৰ্গা পূজাৰ সোণালী জয়ন্তী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ২২ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ পাতিদৰং মৌজাৰ লোচ মুক্তাপুৰ বাৰোৱাৰী দুৰ্গা পূজাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে মহেশ্বৰ পটোৱাৰীক সভাপতি নলিনী বড়াক কাৰ্যকৰী সভাপতি, প্ৰণৱ কুমাৰ পাটোৱাৰীক সাধাৰণ সম্পাদক আৰু হেমন্ত তালুকদাৰক সহঃ সম্পাদক হিচাপে লৈ এখন ৫৩জনীয়া শক্তিশালী পৰিচালনা সমিতি গঠন কৰাৰ লগতে কেইবাটাও উপ-সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৩০ ছেপ্টেম্বৰৰ পুৱা ৯ বজাত মহেশ্বৰ পাটোৱাৰীয়ে লোচ মুক্তাপুৰ দুৰ্গাপূজা সমিতিৰ মূল পতাকা উত্তোলন কৰাৰ পিছতেই বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পিছতেই স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি নলিনী বড়া আৰু সহঃ সম্পাদক হেমন্ত তালুকদাৰে সংবাদ মাধ্যক জানিবলৈ দিয়া মতে লোচ মুক্তাপুৰ সাৰ্বজনীন দুৰ্গাপূজাৰ সোণালী জয়ন্তীৰ কাৰ্যসূচীৰ ভিতৰত ধৰ্মালোচনী সভা, সাংস্কৃতিক শোভাযাত্ৰা, বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান, স্মৃতিগ্ৰন্থ উন্মোচনী সভা, নাগৰানাম, ওজাপালি আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। উক্ত দুৰ্গাপূজাৰ সোণালী জয়ন্তীৰ আটাইবোৰ কাৰ্যসূচীত সমূহ ৰাইজৰ সহায়-সহযোগ আয়োজক সমিতিয়ে কামনা কৰিছে।

# সদৌ অসম পাতৰ সমাজৰ বিশ্বনাথ জিলা সমিতিৰ ২১সংখ্যক প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ২২ ছেপ্টেম্বৰ ঃ** সদৌ অসম পাতৰ সমাজৰ বিশ্বনাথ জিলা সমিতিৰ ২১ তম প্ৰতিষ্ঠা দিৱস আজি চতিয়া বালিজান পাতৰ বস্তিত অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কেইবাটাও কাৰ্যসূচী পালন কৰা হয়। পুৱা পতাকা উত্তোলন কৰে বিশ্বনাথ জিলা পাতৰ সমাজৰ সভাপতি হৰোৰাম পাতৰে, শ্বহীদ বেদিত বন্তি প্ৰজ্বলন কৰে বিশ্বনাথ জিলা পাতৰ সমাজৰ সম্পাদক কৃষ্ণ পাতৰে, মাল্যাৰ্পণ কৰে কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষক তথা শিক্ষক, সমাজ সেৱক জিতেন পাতৰে। মূল সভাৰ মঞ্চ উদ্বোধন কৰে বালিজান পাতৰ গাঁৱৰ ঝুমইৰ দলে। বিশ্বনাথ জিলাৰ সভাপতি হৰোৰাম পাতৰৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মূলসভাত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা শিক্ষক সমাজ, সেৱক হৰেন পাতৰ, কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ ৰবীন্দ্ৰ পাতৰ, কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা তথা শিক্ষক, সমাজ সেৱক প্ৰাণনাথ পাতৰ, ৰূপলাল পাতৰ, ডিম্বেশ্বৰ পাতৰৰ লগতে এইবৰ্ষত কৃতী শিক্ষকৰ বঁট লাভ কৰা শিক্ষক, সমাজ সেৱক অৰুণ বৰদলৈক ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশিষ্ট অতিথিসকলৰ ভাষণৰ মাজে মাজে দলীয় ঝুমইৰ নৃত্য, টুচু নৃত্য, ডমকচ নৃত্য, কাঠি নাছ, টুচু গীত, অহিৰা গীত, চাদী গীত পৰিৱেশন কৰে। ভাষণ প্ৰসংগত অৰুণ বৰদলৈয়ে কয় যে চাহ আৰু প্ৰাক্তন চাহ জনজাতি একেবাৰে পিছপৰা বসতিপ্ৰধান অঞ্চলত প্ৰথমতে মদ, ভাং আদি নিচাজাতীয় দ্ৰব্যবোৰ বন্ধ কৰিব লাগিব অন্যথা কোনো কাৰণতে এটা জাতি আগবাঢ়ি যাব নোৱাৰিব। দিনক দিনে জনমানসৰ পৰা হেৰাই যাব খোজা পৌৰাণিক বাদ্য যন্ত্ৰবোৰ উদ্ধাৰ কৰাৰ ক্ষেত্ৰত সচেতন ৰাইজ, জাতীয় সংগঠনসমূহে দায়িত্ব লৈ কাম কৰিব লাগিব বুলি ভাষণ আগবঢ়ায়। সভাত বহুকেইখন শাখা সমিতিৰ প্ৰতিনিধি আৰু শতাধিক ৰাইজ উপস্থিত আছিল।




# কাৰ্বি-আংলঙৰ সমস্যাজৰ্জৰ গাঁৱৰ কুমাৰ সন্ন্যাসী হ'লগৈ আৰ্মড ব্ৰেঞ্চ কনিষ্টবল

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২২ ছেপ্টেম্বৰ ঃ** বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত কাৰ্বি-আংলঙৰ এখন গাঁও। চুছেনধেণ্টা কাৰ্বি-আংলং পৰিষদীয় সমষ্টিৰ ৰাস্তা-ঘাট, স্বাস্থ্য-শিক্ষা- পানীৰ অভাৱত জীয়াতু ভোগা ৰঙাগৰা চাৰ্পো বে' গাঁও। কলিয়াবৰ মহকুমাৰ সীমামূৰীয়া ৰঙাগৰা চাৰ্পো বে' গাঁৱলৈ এতিয়া আনন্দৰ জোৱাৰ আনিছে কুমাৰ সন্ন্যাসী নামৰ এজন যুৱকে। সদ্যঘোষিত অসম আৰক্ষীৰ ৫,৫০০ বিভিন্ন পদৰ ফলাফলৰ তালিকাত স্থান লাভ কৰিছে কুমাৰে। চৰকাৰী চাকৰিয়ালৰ নামত আঙুলি মূৰত গণিব পৰা লোক থকা গাঁওখনত কুমাৰ সৈন্ন্যাসীয়ে আৰ্মড ব্ৰেঞ্চ কনিষ্টবল পদত নিযুক্তি পোৱা খবৰে সকলোকে আনন্দিত কৰিছে। পিছ পৰা অঞ্চলটোৰ পৰা চৰকাৰী চাকৰি লাভ কৰা কুমাৰ সন্ন্যাসীক তেওঁ হাইস্কুলীয়া শিক্ষা লাভ কৰা ৰঙাগৰা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক তথা ছাত্ৰ-ছাত্ৰীয়ে সম্বৰ্ধনা জনায়।

# গড়গাঁও মহাবিদ্যালয়ত 'উদ্যোগী পৰিস্থিতিতন্ত্ৰ, প্ৰত্যাহ্বান আৰু সুযোগ' শীৰ্ষক কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ উদ্যোগত আৰু ডিআইচিচি, শিৱসাগৰ সহযোগত ১৯ ছেপ্টেম্বৰ তাৰিখে 'উদ্যোগী পৰিস্থিতিতন্ত্ৰ ঃ প্ৰত্যাহ্বান আৰু সুযোগ' শীৰ্ষক এখনি অনলাইন কৰ্মশালা অনুষ্ঠিত হয়। বিভাগটোৰ মুৰব্বী ড° মেঘালী বৰাই আদৰণী ভাষণ আগবঢ়োৱাৰ লগতে ষ্টাৰ্ট আপ, পুথিগত শিক্ষাৰ লগতে সাম্প্ৰতিক সময়ত ব্যৱহাৰিক শিক্ষাৰ গুৰুত্ব ইত্যাদি সম্পৰ্কত আলোকপাত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ড° সব্যসাচী মহন্তই কৰ্মশালাখন উদ্বোধন কৰি যুৱক-যুৱতীসকলৰ মাজত উদ্যমিতা বিকাশৰ ক্ষেত্ৰত বিভাগটোৰ অধ্যাপকসকলে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। নিবনুৱা সমস্যা আৰু দৰিদ্ৰতা দূৰীকৰণ তথা হ্ৰাস কৰাৰ ক্ষেত্ৰত বিষয়টোৰ প্ৰাসংগিকতা ব্যাখ্যা কৰি ড° মহন্তই সমাজত উদ্যোগী পৰিস্থিতিতন্ত্ৰ সম্পৰ্কে সজাগতাৰ অভাৱ বুলি মত পোষণ কৰে। কৰ্মশালাখনৰ সমল ব্যক্তি অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° দেৱী বৰুৱাই তথ্যসমৃদ্ধভাৱে উদ্যোগী পৰিস্থিতিতন্ত্ৰৰ বিভিন্ন দিশ, উপাদান, ইয়াৰ প্ৰচাৰত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা ইত্যাদি সম্পৰ্কে উপযুক্ত উদাহৰণৰ সৈতে আলোচনাটি আগবঢ়ায়। ড০ মিন্টু গগৈয়ে আঁত ধৰা কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সমন্বয়ক গৌতম হাজৰিকা আৰু ড০ মিণ্টু গগৈ, উপদেষ্টা অনিল তাঁতী আৰু কাৰিকৰী সমন্বয়ক হিচাপে ড০ মৃণাল ঘোষে বিশেষ সহযোগিতা আগবঢ়ায়।

# অনলাইন বজাৰ কৰি ঠগ খালে কমলপুৰৰ যুৱক

দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২১ ছেপ্তেম্বৰ.... বৰ্তমান ব্যাপক হাৰত বৃদ্ধি পাইছে অনলাইন শ্বপিঙৰ চাহিদা।তাৰ সমান্তৰালভাৱে সময়ে সময়ে কোনো কোনোৱে ঠগ প্ৰৱঞ্চনাৰো বলি হৈ আহিছে। বৰ্তমান প্ৰায় সংখ্যক মানুহেই ফ্লিপকাৰ্টৰ জৰিয়তে অনলাইন কৰি সামগ্ৰী ক্ৰয় কৰি আহিছে।আপোনাকে বিশ্বাসত লোৱা ফ্লিপকাৰ্টেও এতিয়া আপোনাক ঠগাব পাৰে ।অনলাইন সামগ্ৰী ক্ৰয় কৰোতে কিন্তু এতিয়াৰ পৰা সাৱধান হওক। ঠগ প্ৰৱঞ্চাৰ বলি হব পাৰে আপুনিও। এইবাৰ ফ্লিপকাৰ্টে ঠগিলে কমলপুৰৰ এজন যুৱকক। কমলপুৰৰ মন্টু মহন্ত নামৰ যুৱকে ফ্লিপকাৰ্টৰ জৰিয়তে এখন কেমেৰাৰ লেন্স ক্ৰয় কৰিছিল। যুৱকজনে ক্ৰয় কৰা ৮৩০০ টকা মূল্যৰ কেমেৰা লেন্স খন আজি তেওঁক বাইহাটাস্থিত E Kart ৰ কাৰ্যালয়ৰ ডেলিভাৰি বয়ে হস্তান্তৰ কৰে।তাৰ পিছত যুৱকজনে পেকেটটো খুলি প্ৰত্যক্ষ কৰে কেমেৰা লেন্সৰ পৰিবৰ্তে পেকেটৰ ভিতৰত শিলগুটিৰে পৰিপূৰ্ণ দুটা পেকেট। হতবাক হৈ পৰে যুৱকজন আৰু তাৰ পিছতে যোগাযোগ কৰে বাইহাস্থিত E kart কাৰ্যালয়ৰ সৈতে। যুৱকজনক কাৰ্যালয়ৰ তৰফৰ পৰা সমস্যাটো সমাধান কৰি দিব বুলি আশ্বাস প্ৰদান কৰে।অনলাইন সামগ্ৰী ক্ৰয় কৰাৰ নামত এই অনলাইন শ্বপিঙৰ এপছ সমূহে সময়ে সময়ে কিদৰে গ্ৰাহকক ঠগি আহিছে এয়া এইটোৱেই মাত্ৰ এক উদাহৰণ নহয়। ইয়াৰ অন্তৰালত যে এটা দুষ্ট চক্ৰ জড়িত হৈ আছে সেই কথাও নুই কৰিব নোৱাৰি।এতিয়া প্ৰশ্ন হয় গ্ৰাহক ঠগ প্ৰৱঞ্চনা কৰা এনেবোৰ অনলাইন এপছ সমূহক কোনে নাকি লগাব।

# কমলপুৰত শ্ৰমিকৰ ৰহস্যজনক মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২২ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰ আল্টাৰ নৰ্থ ইষ্ট পলিপাইপ আৰু পৰন পেপাৰ ক্ৰাফট নামৰ উদ্যোগত এগৰাকী শ্ৰমিকৰ ৰহস্যজনক মৃত্যুৱে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত শ্ৰমিকগৰাকী মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাৰ অমিথাৰ মাৰাক বুলি জানিব পৰা গৈছে। উদ্যোগটোৰ শ্ৰমিকৰ শোৱনি কোঠাত মৃত অৱস্থাত উদ্ধাৰ কৰা হয় শ্ৰমিক জনক। মৃত লোকজনৰ লগত একেলগে কাম কৰা শ্ৰমিকে ৰাতিপুৱা কামত যোৱাৰ উদ্দেশ্যে মাতিবলৈ যাওতে বিছনাতে মাৰাক নামৰ লোকজনৰ মৃত অৱস্থাত প্ৰত্যক্ষ কৰে। লোকজনৰ মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। পিছত ঘটনাস্থলীত কমলপুৰ আৰক্ষী উপস্থিত হৈ শ্ৰমিকজনৰ মৃতদেহ থানালৈ লৈ আহে আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ কাৰণে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। মৃত অমিথাৰ মাৰাক উক্ত উদ্যোগটোত দীৰ্ঘ দিন ধৰি কৰ্মৰত আছিল।

# শিৱসাগৰত বিদ্যুৎস্পৃষ্ট হৈ ব্যৱসায়ীৰ কৰুণ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২২ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ চহৰৰ সমীপৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত দিছিয়াল গাঁৱত কালি নিশা বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী সুলভ মূল্যৰ এজেণ্টৰ কৰুণ মৃত্যু হোৱাৰ ঘটনাই সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পেলাইছে। নিজ গৃহতেই এখন ছুইচ ব'ৰ্ড সংস্থাপনৰ চেষ্টা চলাই থাকোতেই আকস্মিকভাৱে বিদ্যুৎ প্ৰৱাহিত হৈ কৰুণ মৃত্যুক সাবটি লোৱা ব্যক্তিজনৰ নাম যাদৱ দত্ত (৩৮) বুলি জানিব পৰা গৈছে ।প্ৰাপ্ত বাতৰি মতে পেটে-ভাতে খাই থকা ক্ষুদ্ৰ ব্যৱসায়ী যাদৱ দত্তই একমাত্ৰ এঘাৰবছৰীয়া সন্তানটিৰ সমাগত জন্মদিন উপলক্ষে কালি বেংকৰ পৰা উলিওৱা সাত হাজাৰ টকাৰে কেতবোৰ বৈদ্যুতিক সামগ্ৰী ক্ৰয় কৰিছিল। উল্লিখিত সামগ্ৰীসমূহ ঘৰলৈ অনাৰ পিছতেই এখন পুৰণি ছুইচ ব'ৰ্ড সলনিৰ চেষ্টা চলাওঁতেই দুৰ্ভাগ্যবশতঃ বিদ্যুৎ প্ৰৱাহিত হৈ সংজ্ঞাহীন হৈ পৰে। লগে লগেই গৃহটোৰ আন এটা কোঠাত থকা পত্নীয়ে এই কথা জানিব পাৰি ততাতৈয়াকৈ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি স্বামীক উদ্ধাৰৰ চেষ্টা চলাই যদিও তেতিয়ালৈকে যাদৱ গগৈৰ অৱস্থা অধিক সংকটজনক হৈ পৰে। ঘটনাৰ খবৰ পাই স্থানীয় ৰাইজে তৎপৰতাৰে জৰুৰী সেৱাৰ যোগেদি যাদৱ গগৈক জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। পলমকৈ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত জয়সাগৰ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহ চিকিৎসালয়ৰ পৰা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# শুৱালকুছিত বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২২ ছেপ্টেম্বৰ ঃ** শুৱালকুছি ইশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ উদ্যোগত আৰু ডাঃ ভৱ দাস ফাউণ্ডেচনৰ সহযোগত হেল্থ চিটী হাস্পতালৰ দ্বাৰা আজি এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। শুৱালকুছি ইশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰাংগণত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰ মুকলি কৰে হেল্থ চিটী হাস্পতালৰ চিকিৎসা সঞ্চালক ডাঃ ভৱানী প্ৰসাদ চক্ৰৱৰ্তীয়ে। হেল্থ চিটী হাস্পতালৰ প্ৰসূতি, মেডিচিন, হৃদৰোগ, হৃদশৈল, শৈল, অস্থিৰোগ, ডিঙি-কাণ-নাক আৰু শিশু বিভাগৰ ১২গৰাকী চিকিৎসকৰ লগতে চিকিৎসা কৰ্মীয়ে শিবিৰত উপস্থিত আছিল। আজি এই শিবিৰত প্ৰায় ৫০০তকৈ অধিক ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰিবলৈ উপস্থিত হৈছিল বুলি জানিবলৈ দিছে ফেচিলিটী সঞ্চালক পৰাগজ্যোতি দত্তই।

# কেওট জাতীয় পৰিষদৰ উদ্যোগত কনকলতা বৰুৱাৰ শ্বহীদ দিৱস




**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ২২ ছেপ্টেম্বৰ ঃ** সদৌ অসম কেওট জাতীয় পৰিষদৰ আহ্বান মৰ্মে মৰিগাঁও জিলা সমিতিৰ উদ্যোগত মায়ঙৰ লোনমাটি প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত বীৰাংগনা কনকলতা বৰুৱাৰ পুণ্য স্মৃতিত শ্বহীদ দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে মৰিগাঁও জিলা পৰিষদৰ উপ-সভানেত্ৰী ৰিজুমণি মালাকাৰে। মুকলি সভাত পৌৰোহিত্য কৰে মধ্য মায়ং মাধ্যমিক বিদ্যালয়ৰ সহঃ প্ৰধান শিক্ষক মায়াৰাম শইকীয়াই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে জিলাখনৰ জ্যেষ্ঠ সাংবাদিক মণ্টু কুমাৰ মেধি আৰু মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নিৰাপদ শইকীয়াই। জিলা সভাপতি তথা কেন্দ্ৰীয় সমিতিৰ মুখপাত্ৰ জয়ন্ত শইকীয়াই প্ৰকাশ কৰে যে, শ্বহীদ কনকলতা বৰুৱাক অদ্যাপি যথাযথ সন্মান আৰু স্বীকৃতি প্ৰদান কৰা হোৱা নাই। ভাৰত ত্যাগ আন্দোলনৰ মহান শ্বহীদগৰাকীৰ নামত নৱ নিৰ্মিত চাংসাৰিৰ এইমছখন নামংকিত হ'ব লাগে বুলি দাবী উত্থাপন কৰাৰ লগতে শ্বহীদ গৰাকীৰ নামত চৰকাৰী বঁটা ঘোষণা, বিশ্ববিদ্যালয় স্থাপন, চৰকাৰী আঁচনি আদি প্ৰৱৰ্তন কৰিবলৈ চৰকাৰক আহ্বান জনায়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে দেশপ্ৰেমমূলক গীত-মাত পৰিৱেশ কৰি শ্বহীদগৰাকীলৈ শ্ৰদ্ধা নিৱেদন কৰে। আনহাতে, মৰিগাঁও জিলা কেওট জাতীয় পৰিষদৰ অন্তৰ্ভুক্ত জাগীভকতগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত ছটাবড়ি প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণতো শ্বহীদ দিৱস উলহ-মালহেৰে পালন কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, বক্তৃতা আৰু আবৃত্তি অনুষ্ঠিত কৰে। মুকলি সভাত সভাপতিত্ব কৰে আঞ্চলিক সমিতিৰ সভাপতি ৰাধাকান্ত শইকীয়াই, সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সত্যবান বৰাই। জিলা সভাপতি জয়ন্ত শইকীয়া আৰু জ্যেষ্ঠ সাংবাদিক মণ্টু কুমাৰ মেধি উপস্থিত থাকি বীৰাংগনাগৰাকীৰ বলিদান, ত্যাগ আৰু সাহস আমাৰ উত্তৰ পুৰুষৰ বাবে আদৰ্শৰ চানেকি হৈ ৰব বুলি উল্লেখ কৰে । অনুষ্ঠানৰ শেষত ৰচনা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কাৰ প্ৰদান কৰে। উক্ত প্ৰতিযোগিতা পৰিচালনা কৰে শিক্ষক অজিত বৰা আৰু সাংস্কৃতিক কৰ্মী ভৈৰৱ মেধিয়ে। আনহাতে অনুষ্ঠানৰ আৰম্ভণিতে অঞ্চলটোৰ জ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তি ধীৰেন শইকীয়াই কনকলতা বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# ৰহাৰ জাগীয়ালত উমেশ চন্দ্ৰ বৰাৰ স্মৃতিচাৰণ সভা

## স্মৃতিগ্ৰন্থ 'উমেশজ্যোতি' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২২ ছেপ্টেম্বৰ ঃ** ৰহাৰ পূব দিশত অৱস্থিত জাগীয়াল গাঁও নিৱাসী তথা বিশিষ্ট শিক্ষাবিদ-সমাজকৰ্মী-সমাজ সংগঠক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখা প্ৰাক্তন সভাপতি উমেশ চন্দ্ৰ বৰাৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ আজি অনুষ্ঠিত হৈ যায়। আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি আজি উমেশ চন্দ্ৰ বৰাৰ বাসগৃহত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। জাগীয়াল কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনিত স্মৃতিগ্ৰন্থ 'উমেশজ্যোতি' উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ পূৰ্ণানন্দ ৰাজাই। জাগীয়াল কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক নৱজ্যোতি বৰাই সম্পাদনা কৰা 'উমেশজ্যোতি' স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বৃন্দাবন বৰাই কয় যে সাম্প্ৰতিক সময়ত ব্যক্তিকেন্দ্ৰিক ধ্যান-ধাৰণা, চিন্তা-ভাৱনাই আমাৰ আধ্যাত্মিক পৰিসৰ অধিক সংকুচিত কৰিছে। দয়া-মমতা, মৰম-স্নেহ সজ গুণসমূহ বিকশিত হোৱাৰ পৰিৱেশ নথকাত আমাৰ জীৱন ভাৰাক্ৰান্ত হৈ পৰিছে। আধ্যাত্মিক শিক্ষাই হৃদয়ৰ মলিনতা আঁতৰ কৰি মানুহৰ অন্তৰত ভক্তি ভাৱৰ উন্মেষ ঘটায়। নৱজ্যোতি বৰাই আঁত ধৰা স্মৃতিচাৰণ সভাখনিত শ্ৰী মন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি জ্যোতি প্ৰসাদ ভূঞা, শিক্ষাব্ৰতী তুলসী বৰা, বৰকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গুৰুমুখ সিং, বৰ্তমানৰ অধ্যক্ষ-নিবন্ধকাৰ প্ৰতাপ সিং, শংকৰদেৱ বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা প্ৰভা বৰা, শ্ৰীমন্ত



শংকৰদেৱ সংঘৰ মূলৰ সদস্য নলিনী বৰাকে প্ৰমুখ্যে কৰি বহুকেইজন বক্তাই উমেশ চন্দ্ৰ বৰাৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি সাৱলীল বক্তব্য ৰাখে। স্মৃতিচাৰণ সভাখনিত সমাজকৰ্মী ৰাজেন শইকীয়া, কুশী বৰুৱা, শিক্ষক নোমল বৰা, সংঘৰ জিলাৰ সাহিত্য শাখাৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰা, পুৰুষোত্তম আঞ্চলিক শাখাৰ সভাপতি যোগেন বৰা, সম্পাদক প্ৰদীপ ডেকা, সমাজকৰ্মী মুৰুলী মজুমদাৰ, পত্নী উমেশ চন্দ্ৰ বৰাৰ পত্নী মণি কুমাৰী বৰা, পুত্ৰদ্বয় প্ৰশান্ত কুমাৰ বৰা আৰু মৃণাল কুমাৰ বৰা, জোঁৱাই ভৱ প্ৰসাদ কাকতিকে ধৰি প্ৰায় তিনি শতাধিক ভক্তপ্ৰাণ ৰাইজ আৰু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে প্ৰয়াত উমেশ চন্দ্ৰ বৰাৰ যোৱা ১০ ছেপ্টেম্বৰত পুৱতি নিশা নিজা বাসভৱনত বাৰ্ধক্যজনিত ৰোগত মৃত্যু হৈছিল।

# ৰেৱকান্ত বৰুৱা পাব্লিক হাইস্কুলত প্ৰকল্প প্ৰস্তুতকৰণ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২২ ছেপ্টেম্বৰ ঃ** ৩০ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলা পৰ্যায়ৰ সমিতিৰ উদ্যোগত আজি ৰেৱকান্ত বৰুৱা পাব্লিক হাইস্কুলত প্ৰকল্প প্ৰস্তুতকৰণৰ কৰ্মশালা অনুষ্ঠিত হয়। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী তথা জিলা শৈক্ষিক সমিতিৰ সভাপতি ড° দন্দেশ্বৰ দত্তই এইবাৰৰ মূল বিষয় সু-স্বাস্থ্য আৰু সৰ্বাংগীণ কুশলতাৰ বাবে পৰিস্থিতিতন্ত্ৰক জানো আহঁা বিষয়ত প্ৰকল্প কেনেদৰে প্ৰস্তুত কৰিব লাগিব সেই বিষয়ে আলোচনা আগ বঢ়ায়। বিদ্যালয়খনৰ শিক্ষক ৰাতুল ভূঞাই আঁত ধৰা অনুষ্ঠানত শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক সমন্বয়ক ৰমেন গগৈয়ে শিশু বিজ্ঞান সমাৰোহৰ বিষয়ে আলোকপাত কৰে। জিলা সমিতিৰ সভাপতি প্ৰবীণ বৰুৱাই অংশ গ্ৰহণ কৰা কৰ্মশালাত ৰেৱকান্ত বৰুৱা বিদ্যালয়ৰ উপৰি বাহনা বাল্যভৱন, ইউনিয়ন, কেন্দুগুৰি জাতীয় বিদ্যালয়, গড়মূৰ, চেনিজান, সৰোজিনী দেৱী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। ১৯ ছেপ্টেম্বৰত বামুণপুখুৰী হাইস্কুলত কৰ্মশালা অনুষ্ঠিত হৈছিল। আনহাতে, কাইলৈ তিতাবৰ টাউন হাইস্কুলত, ২৩ ছেপ্টেম্বৰত সকাইসঙ্গীয়া হাইস্কুলত, ২৬ ছেপ্টেম্বৰত চিনামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু ২৮ ছেপ্টেম্বৰত তিতাৰাম বৰদলৈ বিদ্যালয়ত কৰ্মশালা অনুষ্ঠিত হ'ব বুলি জিলা সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে জনাইছে।

# তিৰুপতি মন্দিৰলৈ ১ কোটি টকা দান মুছলমান দম্পতীৰ



**চেন্নাই, ২২ ছেপ্টেম্বৰ ঃ** হিন্দু -মুছলমানৰ মাজৰ সম্প্ৰীতিৰ এনাজৰীডাল অধিক মজুত কৰাৰ বাৰ্তা দি চেন্নাইৰ এহাল মুছলমান দম্পতীয়ে তিৰুপতি মন্দিৰলৈ দান কৰিলে ১ কোটি টকাৰো অধিক ধন। চেন্নাইৰ চাবিনা বানু আৰু আব্দুল গনি নামৰ দম্পতীহালে তিৰুপতি মন্দিৰলৈ অহা ভক্তৰ জিৰণিৰ বাবে নিৰ্মাণ কৰা পদ্মাৱতী জিৰণি গৃহৰ আচবাব আদি ক্ৰয় কৰাৰ বাবে ৮৭ লাখ টকা দান কৰিছে। একেদৰে তেওঁলোকে মন্দিৰৰ এছ ভি আন্না প্ৰসাদম ট্ৰাষ্টৰ বাবেও ১৫ লাখ টকাৰ দান দিছে।তেওঁলোকে এনেদৰে মন্দিৰ কৰ্তৃপক্ষক মুঠ ১.০২ কোটি টকা দান কৰে। বালাজী বা তিৰুপতি মন্দিৰ পৃথিৱীৰ আটাইতকৈ ধনী মন্দিৰ হিচাবে মানুহৰ মাজত পৰিচিত ।এই মন্দিৰ তিৰুমালা তিৰুপতি দেৱস্থানম (টিটিডিয়ে পৰিচালনা কৰি আহিছে।আন্না প্ৰসাদম ট্ৰাষ্টে ভক্তক প্ৰতিদিনে বিনামূলীয়াকৈ আহাৰ খুৱাই আহিছে। মুছলমান দম্পতীহালৰ এনে কামে এতিয়া বহুতকে অনুপ্ৰাণিত কৰা দেখা গৈছে। এই মন্দিৰলৈ দেশ-বিদেশৰ ভক্তই প্ৰতি বছৰে ধন আৰু বিভিন্ন সামগ্ৰী দান কৰি আহিছে।

### আমেৰিকাৰ দাবী নস্যাৎ

# ৰাছিয়াক অস্ত্ৰ দিয়াৰ কথা অস্বীকাৰ উত্তৰ কোৰিয়াৰ

**ৱাশ্বিংটন, ২২ ছেপ্টেম্বৰ ঃ** যুদ্ধৰ পৰিস্থিতিৰ মাজতেই উত্থাপিত এক অভিযোগৰ সম্পৰ্কে নিজৰ স্থিতি স্পষ্ট কৰিছে কিম উন জঙৰ দেশখনে। উত্তৰ কোৰিয়াই ৰাছিয়াক অস্ত্ৰ বিক্ৰী কৰাৰ কথা অস্বীকাৰ কৰিছে। দেশখনে কৈছিল যে তেওঁলোকে কেতিয়াও মস্কোক অস্ত্ৰ বিক্ৰী কৰা নাই ।আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক চোৰাংচোৱা প্ৰতিবেদনত দাবী কৰা হৈছে যে ৰাছিয়াই উত্তৰ কোৰিয়াৰ পৰা অস্ত্ৰ ক্ৰয় কৰি আছে ।আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিষয়াসকলে দাবী কৰিছিল যে ৰাছিয়াই উত্তৰ কোৰিয়াৰ পৰা ৰকেট আৰু আৰ্টিলাৰী ক্ৰয় কৰাৰ প্ৰক্ৰিয়াত চলাইছে ।আমেৰিকা যুক্তৰাষ্ট্ৰৰ চোৰাংচোৱাই এইটোও দাবী



কৰিছে যে পশ্চিমীয়া নিষেধাজ্ঞাৰ অধীনত থকা ৰাছিয়াই ইৰাণৰ পৰাও অস্ত্ৰ ক্ৰয় কৰাৰ পৰিকল্পনা কৰি আছে ।উত্তৰ কোৰিয়াই এক বিবৃতিত কয়, "আমি কেতিয়াও ৰাছিয়ালৈ অস্ত্ৰ ৰপ্তানি কৰা নাই আৰু ভৱিষ্যতে এনে কৰাৰ কোনো পৰিকল্পনা আমাৰ নাই।"আনহাতে, পিয়ংইয়ং-য়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওপৰত থকা পূৰ্বৰ শত্ৰুতাৰ বাবেই দেশখনে উৰাবাতৰি বিয়পোৱাৰ অভিযোগ উত্থাপন কৰিছে।

### অশোক গেহলট সম্পৰ্কত ৰাহুল গান্ধী

# কংগ্ৰেছত এক ব্যক্তি এক পদ নীতি কাৰ্যকৰী হৈ আছে



**নতুন দিল্লী, ২২ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে দুটা পদ খামোচি থাকিব বুলি বাতৰি প্ৰকাশিত হৈছিল। ৰাষ্ট্ৰীয় সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হ'লে সভাপতি পদৰ উপৰিও মুখ্যমন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰি যাব। এইক্ষেত্ৰত কংগ্ৰেছৰ হাইকমাণ্ডৰ অনুমোদন আছে বুলি চৰ্চিত হৈছে। কিন্তু ৰাহুল গান্ধীয়ে এই বিষয়ত নিজৰ বক্তব্য স্পষ্ট কৰা দেখা গৈছে। তেওঁ কয় যে কংগ্ৰেছত এক ব্যক্তি এক পদ নীতি গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষৰ আগভাগতে ৰাজস্থানৰ উদয়পুৰত কংগ্ৰেছৰ এখন বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকতে এক ব্যক্তি এক পদ নীতি ৰূপায়ণ কৰি যোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। গতিকে দলত কোনো ব্যক্তিয়ে দুটা পদত অধিষ্ঠিত হৈ থকাৰ সুযোগ লাভ নকৰে। তেওঁ কয় যে উদয়পুৰত যি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল সেই প্ৰস্তাৱ নিশ্চিতভাৱে আগন্তুক সময়ত পালন কৰা হ'ব বুলি আশা আছে। উল্লেখ্য যে কংগ্ৰেছৰ সভাপতি পদটো হ'ল এটা আদৰ্শগত পদবী। যেতিয়াই কোনো ব্যক্তি উক্ত পদত অধিষ্ঠিত হয় তেতিয়াই বুজি উঠিব লাগে এটা আদৰ্শৰ মুৰব্বী হিচাপে বহু দায়িত্ব পালন কৰিব লগা হ'ব। গতিকে দুটাকৈ গুৰুত্বপূৰ্ণ পদবী দখল কৰি থকাৰ কোনো কাৰণ নাথাকে বুলি ৰাহুল গান্ধীয়ে স্পষ্ট কৰি দিছে।

# আৰ এছ এছ প্ৰধান মোহন ভগৱৎ হ'ল 'ৰাষ্ট্ৰপিতা'

## সদৌ ভাৰত ইমাম সংস্থাৰ মুৰব্বী ওমৰ আহমেদ ইলিয়াছৰ বক্তব্য

**নতুন দিল্লী, ২২ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ (আৰ এছ এছ) মুৰব্বী মোহন ভাগৱতে আজি দিল্লীৰ কস্তুৰবা গান্ধী মাৰ্গৰ মছজিদত উপস্থিত হয়। তাত তেওঁ সৰ্বভাৰতীয় ইমাম সংগঠনৰ মুখ্য ইমাম ডঃ ইমাম ওমেৰ আহমেদক ইলিয়াছীৰ সৈতে সাক্ষাৎ কৰে ।ভাগৱতক ইয়াৰ পূৰ্বে প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্ত এছ ৱাই কুৰেছি আৰু দিল্লীৰ প্ৰাক্তন উপ ৰাজ্যপাল নাজিব জংগকে ধৰি মুছলমান বুদ্ধিজীৱীসকলৰ এটা দলে সাক্ষাৎ কৰিছিল। এই বৈঠকত আৰ এছ এছ প্ৰচাৰক ইন্দ্ৰেশ কুমাৰো মোহন ভাগৱতৰ সৈতে উপস্থিত আছিল ।উল্লেখ্য যে দুদিন পূৰ্বে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অস্থায়ী কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) জামিৰুদ্দিন শ্বাহ, প্ৰাক্তন সাংসদ শ্বাহিদ চিদ্দিকী আৰু সমাজসেৱক ছাইদ শ্বেৰৱানীও উপস্থিত আছিল ।দুঘণ্টাজোৰা এই বৈঠকত সাম্প্ৰদায়িক সম্প্ৰীতি শক্তিশালী কৰা আৰু আন্তঃ-সম্প্ৰদায়ৰ সম্পৰ্ক উন্নত কৰাৰ ক্ষেত্ৰত বিশদ আলোচনা কৰা হয় ।ইয়াৰ পূৰ্বে মুছলমানসকলৰ সংগঠন জমিয়ত-উলেমা-ই-হিন্দৰ নেতা মৌলানা আৰ্শাদ মাদানীয়েও ২০১৯ৰ ৩০ আগষ্টত দিল্লীৰ ঝাণ্ডেৱালানত সংঘৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ পিছত মোহন ভাগৱতক সাক্ষাৎ কৰিছিল ।মুছলিম ৰাষ্ট্ৰীয় মঞ্চৰ নেতা ইন্দ্ৰেশ কুমাৰৰ উদ্যোগত অনুষ্ঠিত হোৱা সেই বৈঠকখনো যথেষ্ট চৰ্চিত হৈছিল ।উচ্চতম ন্যায়ালয়ে অযোধ্যাৰ ৰাম মন্দিৰ সন্দৰ্ভত (৯ নৱেম্বৰ, ২০১৯) ৰায় দিয়াৰ পিছত দুয়োটা সম্প্ৰদায়ৰ মাজত শান্তি বজাই ৰখাৰ দৃষ্টিকোণৰ পৰা দুয়োগৰাকী শীৰ্ষ নেতাৰ এই বৈঠক অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছিল ।সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতে অনাগত দিনত কাশ্মীৰৰ কেইজনমান মুছলমান নেতাকো সাক্ষাৎ কৰিব পাৰে। কাশ্মীৰত নিৰ্বাচনী ৰাজনীতি পুনৰ আৰম্ভ হোৱাৰ পিছত উপত্যকাটোত শান্তি বজাই ৰখাৰ দৃষ্টিকোণৰ পৰা ইয়াক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছে।





# দেৱাল ভাঙি উত্তৰ প্ৰদেশত প্ৰাণ নাশ ৭জনৰ

## মূষলধাৰ বৰষুণত হ'ল ভূমিস্খলন

**লক্ষ্ণৌ, ২২ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ এটোৱা জিলাত বুধবাৰে মাজনিশা সংঘটিত হয় এক হৃদয় বিদাৰক




প্ৰাকৃতিক দুৰ্ঘটনা। জিলাখনত বুধবাৰে পুৱাৰ পৰা ধাৰাসাৰ বৰষুণ দি আছিল। এই বৰষুণৰ ফলত ঠায়ে ঠায়ে কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছিল। কিন্তু নিশাৰ ভাগলৈ বৰষুণৰ লগতে প্ৰচণ্ড ধুমুহা আহিছিল। গতিকে এই দুৰ্যোগত স্থানীয় চিভিল লাইন আৰক্ষী থানাৰ অন্তৰ্গত চন্দ্ৰপূৰা গাঁৱত সংঘটিত হ'ল এই প্ৰাকৃতিক দুৰ্যোগ। এখন পকী দেৱাল খহি পৰাৰ ফলত এটা পৰিয়ালৰ বাসগৃহ ধ্বংসস্তুপত পৰিণত হয়। ফলত শুই থকা অৱস্থাতে পৰিয়ালটোৰ আটাইকেইজন লোক নিহত হয়। চাৰিটা শিশুসহ মুঠ সাতজন লোকৰ কৰুণ মৃত্যু ঘটিছে। জিলা দণ্ডাধীশ অৱনীশ কুমাৰ ৰায়ে বৃহস্পতিবাৰে ঘটনাস্থলীত পৰিদৰ্শন কৰে। লগতে উদ্ধাৰ কাৰ্যৰ তদাৰক কৰে। অৱশ্যে এটা পাঁচ বছৰীয়া শিশু আৰু তেওঁলোকৰ ৭০ বছৰীয়া বৃদ্ধা আইতাকৰ মৃত্যু নহ'ল। ইফালে ছিংকু, অভি, চনু আৰু আৰতি নামৰ চাৰিটা শিশুৰ উপৰিও ৰাম চানেহী আৰু তেওঁৰ পত্নী ৰেছমা দেৱী নিহত হৈছে। এটা পেট্ৰ'লপাম্পৰ দেৱাল খহি পৰি কাষতে থকা ৰাম ছেনাহীৰ বাসগৃহত হেচা মাৰি ধৰিছিল। স্থানীয় আৰক্ষী অধীক্ষক কপিল দেৱ সিঙে কয় যে কেৱল এইটো ঘটনাই নহয়, বৰষুণৰ ফলত অঞ্চলটোত তিনিটাকৈ প্ৰাকৃতিক দুৰ্যোগ সংঘটিত হৈছে। ফলত মুঠ সাতজন লোক মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। অন্য স্থানতো এনেধৰণৰ ঘটনা সংঘটিত হোৱাৰ সন্দেহ নুই কৰিব নোৱাৰি। গতিকে বৃহস্পতিবাৰে পুৱাৰে পৰা বৰষুণত জুৰুলা হৈ পৰা উত্তৰ প্ৰদেশৰ কেবাখনো জিলাত উদ্ধাৰ অভিযান আৰু দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ বিষয়ত অনুসন্ধান অব্যাহত আছে।

### নিয়াৰ অভিযানক লৈ গৃহমন্ত্ৰী অমিত শ্বাহৰ জৰুৰী বৈঠক

# দেশৰ ১৩খন ৰাজ্যত পিএফআইৰ বিৰুদ্ধে তালাচী, ১০৫জন গ্ৰেপ্তাৰ

**নতুন দিল্লী, ২২ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বৃহস্পতিবাৰে নিয়াৰ জৰিয়তে পি এফ আইৰ বিৰুদ্ধে চলোৱা ব্যাপক অভিযানৰ বিষয়টো নিজে পৰ্যবেক্ষণ কৰিছে। নিয়াৰ উপৰিও এনফোৰ্চমেণ্ট বিভাগেও দেশৰ ১৩ খন ৰাজ্যত পি এফ আই-এছ ডি পি আইৰ নেতা, প্ৰতিষ্ঠান, পৃষ্ঠপোষক আদিৰ বিৰুদ্ধে অভিযান চলোৱা






পৰিলক্ষিত হয়। ইছলামিক সন্ত্ৰাসবাদীক সহায় কৰি অহাৰ অভিযোগত আজি পুৱতি নাশাৰে পৰাই ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা নিয়াই দেশৰ ১৩ খন ৰাজ্যত পিএফআই আৰু এছডিপিআইৰ বিৰুদ্ধে তালাচী অভিযান চলায়। এই তালাচীৰ সময়ত অসমত ৫ জনক গ্ৰেপ্তাৰ কৰাৰ লগতে আন ঠাইৰ পৰা মুঠ ১০৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি নিয়াৰ সূত্ৰই সদৰী কৰিছে। জানিব পৰা মতে নিয়াই আজি পুৱতি নিশা ৩.৩০ বজাৰ পৰা এই অভিযান আৰম্ভ কৰিছিল। ১৩ খন ৰাজ্য ক্ৰমে কেৰালা, তামিলনাডু, কৰ্ণাটক, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, পুডুচেৰী, অসম, ৰাজস্থানত এই অভিযান চলোৱা হৈছে বুলি নিয়াই প্ৰকাশ কৰিছে। অসমতো চলিছে এই অভিযান । গুৱাহাটীৰ হাতীগাঁৱত থকা পিএফআইৰ কাৰ্যালয়ত তালাচী চলাই নিয়াই আমিনুল হক নামৰ পিএফআইৰ নেতাজনক গ্ৰেপ্তাৰ কৰিছে। নগৰবেৰাৰ পৰাও গ্ৰেপ্তাৰ কৰা হৈছে আন ৪জন পিএফআই নেতা। কিছুদিন পূৰ্বে পিএফআইৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল সাংবাদিক কাপ্পানক ।শীৰ্ষ আদালতত উত্তৰ প্ৰদেশ চৰকাৰক প্ৰতিনিধিত্ব কৰি অধিবক্তা মহেশ জেঠমালানীয়ে অভিযোগ কৰিছিল যে কাপ্পানে সংঘৰ্ষৰ বাবে উচতনি দিবলৈ চেষ্টা কৰিছিল। লগতে সাংবাদিক গৰাকীয়ে বিস্ফোৰক সামগ্ৰী ব্যৱহাৰ কৰিবলৈও প্ৰচেষ্টা চলাইছিল বুলিও জেঠমালানীয়ে দাবী কৰে। অধিবক্তা জেঠমালানীয়ে লগতে কাপ্পান সন্ত্ৰাসবাদী সংগঠন পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ (পিএফআই) সৈতেও জড়িত বুলি দাবী কৰি জামিনৰ বিৰোধিতা কৰিছিল। জেঠমালানীৰ এই দাবীৰ পিছতে বিচাৰপীঠে কাপ্পানৰ বিৰুদ্ধে থকা এই অভিযোগৰ কোনো নিৰ্দিষ্ট প্ৰমাণ আছে নেকি বুলি প্ৰশ্ন কৰে। কিন্তু উত্তৰ প্ৰদেশ চৰকাৰে এই বিষয়ত কোনো প্ৰমাণ দাঙি ধৰাত ব্যৰ্থ হয়। উল্লেখ্য যে ২০২০ চনৰ ১৪ ছেপ্টেম্বৰত হাথৰাছৰ এখন গাঁৱত সংঘটিত হৈছিল এক নৃশংস দলবদ্ধ ধৰ্ষণকাণ্ড। চাৰিজন ব্যক্তিয়ে এগৰাকী যুৱতীক দলবদ্ধ ধৰ্ষণ কৰাৰ কিছুদিন পিছতে দিল্লীৰ এখন চিকিৎসালয়ত মৃত্যুবৰণ কৰিছিল ।এই ঘটনাৰ বিষয়ে প্ৰতিবেদন প্ৰস্তুতৰ বাবে যোৱাৰ সময়তে মালায়ালম নিউজ পৰ্টেল আজিমুখামৰ প্ৰতিবেদক তথা কেৰালা ইউনিয়ন অৱ ৱৰ্কিং জাৰ্নালিষ্টৰ (কেইউডব্লিউজে) দিল্লী গোটৰ সম্পাদক কাপ্পানক আন তিনিজন সতীৰ্থৰ সৈতে গ্ৰেপ্তাৰ কৰা হৈছিল ।আৰক্ষীয়ে আটাইকেইগৰাকীৰ বিৰুদ্ধে বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইনৰ ধাৰা ১৭ আৰু ১৮, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১২৪ এ, ১৫৩এ আৰু ২৯৫ এ- ৰ লগতে তথ্য প্ৰযুক্তি আইনৰ ধাৰা ৬৫, ৭২ আৰু ৭৫ ৰ অধীনত গোচৰ ৰুজু কৰিছিল।

# ছত্তীশগড়ত আৰক্ষীৰ জালত দুই মাওবাদী

## বিস্ফোৰক সামগ্ৰী কঢ়িয়াই নিওঁতেই হাতে-লোটে পৰিল ধৰা

**বিজাপুৰ, ২২ ছেপ্টেম্বৰ ঃ** ছত্তিশগড়ৰ বিজাপুৰ অঞ্চলত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ অভিযানত দুই মাওবাদী জালত পৰিছে। মুলতঃ মাওবাদীৰ সহায়ক হিচাপে এই দুই ব্যক্তিয়ে দীৰ্ঘদিন ধৰি বিভিন্ন কাম-কাজ কৰি আহিছিল। বুধবাৰে নিশাৰ ভাগত আৰক্ষীৰ তালাচীৰ সময়ত বিস্ফোৰক সামগ্ৰী কঢ়িয়াই নিয়া অৱস্থাত এই দুই ব্যক্তি হাতে লোটে ধৰা পৰিছে। প্ৰাপ্ত তথ্য মতে হেমলা সন্তোষ আৰু বাবুৰাও কৰম নামৰ স্থানীয় দুই ব্যক্তিয়ে মাওবাদীৰ নিৰ্দেশত অজ্ঞাত স্থানলৈ বিস্ফোৰক সামগ্ৰী সৰবৰাহ কৰিছিল। কিন্তু আৱাপালি আৰক্ষী থানাৰ অন্তৰ্গত এটা আওহতীয়া স্থানত চলোৱা তালাচীৰ সময়ত মটৰচাইকেলৰ জৰিয়তে বিস্ফোৰক কঢ়িয়াই নিয়া অৱস্থাত ব্যক্তি দুজন ধৰা পৰিছে। তেওঁলোকৰ হাতত জিলেটিন, ডিটৰনেটৰ, ৱায়াৰ আৰু খাৰবাৰুদকে ধৰি কেতবোৰ বিস্ফোৰক সামগ্ৰী হাতে লোটে জব্দ কৰা হৈছে। ইয়াৰ উপৰিও গুৰুত্বপূৰ্ণ একাংশ নথি-পত্ৰও তালাচীৰ সময়ত আহৰণ কৰা বুলি প্ৰকাশ পাইছে। ৰাজ্যখনৰ বিভিন্ন স্থানত মাওবাদীৰ অতপালি অব্যাহত আছে আৰু মাজে মাজে মাওবাদীৰ ভয়ংকৰ আক্ৰমণত নিৰাপত্তা বাহিনীৰ জোৱান-বিষয়াৰ



উপৰিও সাধাৰণ লোক আক্ৰান্ত হৈ আহিছে। গতিকে ঝাৰখণ্ডত মাওবাদীৰ বিৰুদ্ধে আৰক্ষী নিতৌ সষ্টম হৈ থাকিব লগা হৈছে। এনে সজাগতাৰ বাবেই বুধবাৰৰ নিশাৰ ভাগত বিস্ফোৰক সৰবৰাহ কৰাৰ সময়ত দুই মাওবাদীৰ সামগ্ৰী পৰিবাহক আৰক্ষীৰ জালত পৰা পৰিলক্ষিত হৈছে। দীৰ্ঘদিন ধৰি চত্তিশগড়ত নক্সালবাদী তথা মাওবাদীৰ কাৰ্যকলাপে সাধাৰণ জনতাৰ উপৰিও ৰাজনৈতিক নেতা-কৰ্মীৰ জীৱনলৈ ভাবুকি কঢ়িয়াই অনা পৰিলক্ষিত হৈ আহিছে।




*বলুকাশিল্পী সুদৰ্শন পাটনায়কে পুৰীৰ সাগৰ তীৰত বালিৰে নিৰ্মাণ কৰিলে কমেদি কিং ৰাজু শ্ৰীবাস্তৱৰ প্ৰতিমূৰ্তি, এদিনৰ পূৰ্বে প্ৰয়াণ ঘটা শিল্পীজনলৈ এনেদৰে জনালে শ্ৰদ্ধাঞ্জলি*


### মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ নিৰ্দেশ

# ঝাৰখণ্ডত সকলো ব্যক্তিগত কোম্পানীয়ে নিযুক্তি দিব লাগিব ৭৫ শতাংশ থলুৱাক

**ৰাচী, ২২ ছেপ্টেম্বৰ ঃ** ঝাৰখণ্ডৰ সকলো ব্যক্তিগত প্ৰতিষ্ঠানত স্থানীয় লোকৰ বাবে ৭৫ শতাংশ পদ সংৰক্ষিত কৰিব লাগিব। হেমন্ত ছোৰেনৰ নেতৃত্বত ঝাৰখণ্ডৰ কেবিনেটে এই সিদ্ধান্ত লৈছে ।ছোৰেনে বিষয়াসকলক ব্যক্তিগত খণ্ডত মাহিলী ৪০,০০০ টকালৈকে দৰমহাৰ সৈতে স্থানীয় লোকসকলক ৭৫ক্ষ সংৰক্ষণ প্ৰদান কৰা আঁচনিখন কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে ।ৰাজ্যিক বিধানসভাই যোৱা বছৰ ছেপ্টেম্বৰত ব্যক্তিগত খণ্ডৰ বিধেয়ক,২০২১ ৰ লগতে ঝাৰখণ্ড ৰাজ্যিক নিযুক্তি বিধেয়ক ২০২১ গৃহীত কৰিছিল। সংশোধিত বিধেয়কখনে দৰমহাৰ সীমা আগৰ ৩০,০০০ টকাৰ পৰা ৪০,০০০ টকালৈ বৃদ্ধি কৰিছে ।মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ এক তথ্য অনুসৰি ছোৰেনে বিষয়াসকলক অহা মাহৰ পৰা আইনখন কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখ্য ব্যক্তিগত চাকৰিত স্থানীয় যুৱক-যুৱতীসকলক অগ্ৰাধিকাৰ দিয়াৰ প্ৰস্তাৱটো ২০১৯ ৰ বিধানসভা নিৰ্বাচনত জেএমএমৰ ইস্তাহাৰৰ এটা অংশ আছিল।

# 'শিশু অপহৰণৰ কথা শুনিছো, কিন্তু পিতৃক অপহৰণৰ খবৰ অভাৱনীয়'

**মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দেৰ বিৰুদ্ধে সৰৱ হ'ল উদ্ধৱ থাকৰে**



**মুম্বাই, ২২ ছেপ্টেম্বৰ ঃ** মহাৰাষ্ট্ৰত শিৱসেনাৰ মাজত চলি থকা আভ্যন্তৰীণ সংঘাত পুনৰ তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰীৰ পদৰ পৰা শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰে অপসাৰণত আগভাগ লৈছিল দলটোৰ নেতা একনাথ সিন্দেই। বৰ্তমান এইজন একনাথৰ নেতৃত্বত আৰু বিজেপিৰ সহযোগত মহাৰাষ্ট্ৰত চৰকাৰ গঠন কৰা হ'ল। কিন্তু ন্যায়ালয়ত শিৱসেনাৰ প্ৰকৃত উত্তৰাধিকাৰী সম্পৰ্কত বিচাৰাধীন হৈ আছে গোচৰ। যিহেতু একনাথ সিন্দেৰ পক্ষত অধিক পৰিমাণে বিধায়ক আৰু সাংসদ আছে গতিকে শিৱসেনাৰ প্ৰকৃত উত্তৰাধিকাৰী হিচাপে একনাথ সিন্দেই দাবী কৰিছে। এই সম্পৰ্কত ক্ষোভ প্ৰকাশ কৰি উদ্ধৱ থাকৰেই কয় যে তেওঁলোকে বিভিন্ন সময়ত শিশু অপহৰণ কৰাৰ বাতৰি শুনিবলৈ পাইছে। কিন্তু নিজৰ পিতৃক অপহৰণ কৰাৰ বাতৰি অবিশ্বাস্য হ'লেও সংঘটিত হৈছে। শিৱসেনাৰ জন্মদাতা বালাচাহেব থাকৰেৰ নাম, আদৰ্শ আৰু গঠন কৰি থৈ যোৱা দলটো কাঢ়ি নিব খোজা বুলি অভিযোগ কৰা দেখা গৈছে। ৰাজ্যখনত আগন্তুক বি এম চি অৰ্থাৎ মুম্বাই পৌৰ নিগমৰ নিৰ্বাচন আছে। এই নিৰ্বাচনত বিজেপিৰ সমান্তৰালভাৱে শিৱসেনাৰ দুইটা ফৈদ পোনপটীয়াকৈ নিৰ্বাচনত অৱতীৰ্ণ হ'ব। যোৱা আঢ়ৈ দশক ধৰি মুম্বাই পৌৰ নিগমৰ শাসনভাৰ শিৱসেনাৰ হাতত আছে। কিন্তু এইবাৰ শিৱসেনাৰ বিভাজন ঘটিছে। গতিকে ক্ষমতা কাঢ়ি আনিবলৈ বিজেপিয়ে সুযোগ বিচাৰি আছে। সমান্তৰালভাৱে কংগ্ৰেছ, এন চি পি, আম আদমী আদি ৰাজনৈতিক দলবোৰেও পৌৰ নিগমৰ ক্ষমতা হস্তগত কৰিবলৈ কৌশল অব্যাহত ৰাখিছে। ইফালে পৌৰ নিগম এলেকাৰ অধীনত পূৰ্বৰ দৰে শিৱসেনাই এইবাৰো বিজয়াদশমী অৰ্থাৎ দশেৰা উৎসৱ উদযাপন কৰিবলৈ প্ৰস্তুতি চলাইছিল। ইয়াৰ বাবে অনুমতি বিচাৰি আবেদন দাখিল কৰা হৈছিল। কিন্তু সকলোকে আচৰিত কৰি এইবাৰ শিৱসেনাৰ দ্বাৰা দশেৰা উৎসৱ উদযাপনত বাধা আৰোপ কৰা পৰিলক্ষিত হৈছে।

# তৃণমূলৰ বিধায়ক ইদ্ৰিছ আলীৰ অভিনৱ প্ৰতিবাদ

**কলকাতা, ২২ ছেপ্টেম্বৰ ঃ** পিন্ধি অহা কুৰ্তাত লিখা হ'ল মই পুৰুষ, ইডি-চিবিআই-এ মোক স্পৰ্শ কৰিব নোৱাৰে। এনেকৈ অভিনৱ ধৰণেৰে প্ৰতিবাদ কৰিলে তৃণমূলৰ বিধায়কজনে। কিয়নো বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে দুদিনৰ পূৰ্বে এনে এক মন্তব্য প্ৰকাশ কৰিছিল। শুভেন্দুক সমালোচনা কৰিবলৈ তৃণমূলৰ বিধায়কজনে গ্ৰহণ কৰা এই পন্থাই বিশেষ চৰ্চা লাভ কৰিছে।




# ৰাষ্ট্ৰীয় সভাপতি হ'বলৈ মন মেলা অশোক গেহলটে ৰাজস্থানৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে প্ৰস্তাৱ কৰিলে অধ্যক্ষ চি পি যোশীৰ নাম

**জয়পুৰ, ২২ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সমিতিৰ সভাপতি হ'বলৈ মন মেলিছে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে। গতিকে তেওঁৰ স্থানত ৰাজস্থানৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে বৰ্তমানৰ বিধানসভাৰ অধ্যক্ষ চি পি যোশীৰ নাম প্ৰস্তাৱ কৰা হৈছে। মুখ্যমন্ত্ৰী গেহলটে এই প্ৰস্তাৱ আগবঢ়াইছে দলৰ হাইকমাণ্ডলৈ। উল্লেখ্য যে বুধবাৰে অশোক গেহলটে কংগ্ৰেছৰ বৰ্তমানৰ অধ্যক্ষ ছোনিয়া গান্ধীক সাক্ষাৎ কৰিছিল। এই সাক্ষাতৰ পিছতে গেহলটে ব্যক্ত কৰিছিল যে কংগ্ৰেছৰ সভাপতি পদৰ নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈছে। অহা অক্টোবৰ মাহৰ ১৭ তাৰিখে কংগ্ৰেছৰ সভাপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ইতিপূৰ্বে ঘোষণা কৰা হৈছে। আনহাতে ৰাজস্থানত অশোক গেহলট নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ কাৰ্যকাল সমাপ্ত হ'ব আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহত। গতিকে অশোক গেহলটে কংগ্ৰেছৰ সৰ্বভাৰতীয় সভাপতিৰ পদত অধিষ্ঠিত হ'লেও ৰাজস্থানৰ মুখ্যমন্ত্ৰীৰ পদ ধৰি ৰাখিব পাৰিব বুলি চৰ্চিত হৈছিল। ইয়াৰ বাবেই গেহলটে অনুমতি বিচাৰি ছোনিয়া গান্ধীক সাক্ষাৎ কৰা বুলি ধাৰণা কৰা হৈছে। কিন্তু ইয়াৰ বাবে কংগ্ৰেছ নেতৃত্বই বিশেষ সমৰ্থন প্ৰদান কৰা বুলি জানিব পৰা হোৱা নাই। ফলত বিধানসভাৰ অধ্যক্ষ চি পি যোশীক ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে নাম প্ৰস্তাৱ কৰা বুলি প্ৰকাশ পাইছে। বিগত সময়ছোৱাত অশোক গেহলটৰ বিৰুদ্ধে শচীন পাইলটৰ জৰিয়তে কংগ্ৰেছত হোৱা বিদ্ৰোহৰ সময়ত চিপি যোশীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯ জন বিদ্ৰোহী বিধায়কে শচীন পাইলটৰ নেতৃত্বত বিসম্বাদ কৰিছিল। কিন্তু এই বিসম্বাদত সাৰপানী যোগোৱা নাছিল অধ্যক্ষ যোশীয়ে। যাৰ বাবে মুখ্যপ্ৰদেশত একেদৰে জ্যোতিৰাদিত্য সিন্ধিয়াৰ নেতৃত্বত হোৱা বিদ্ৰোহৰ ফলত কংগ্ৰেছ চৰকাৰৰ পতন ঘটিলেও ৰাজস্থানত তেনে ঘটনাৰ পুনৰাবৃত্তি নহ'ল। সেয়েহে তেতিয়াৰ পৰাই গেহলটে বিশেষ সন্মানেৰে চিপি যোশীৰ প্ৰতি নিজৰ সমৰ্থন প্ৰকাশ কৰি আহিছে। গতিকে কংগ্ৰেছৰ একপদ এক ব্যক্তি নীতি অনুসৰি গেহলটে যদিহে দলৰ ৰাষ্ট্ৰীয় সভাপতিৰ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হয়, তেনেহ'লে মুখ্যমন্ত্ৰীৰ পদ নিশ্চিতভাৱে ত্যাগ কৰিব লাগিব। যেতিয়ালৈকে জয়লাভ নকৰে আৰু দায়িত্ব গ্ৰহণ নকৰে সেই পৰ্যন্ত অৱশ্যে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈ থাকিব পাৰিব অশোক গেহলট। ইতিমধ্যে গান্ধী পৰিয়ালৰ ঘনিষ্ঠ হিচাপে পৰিচিত গেহলটে মুলতঃ গান্ধী পৰিয়ালৰ অনুগতসকলৰ সমৰ্থনতে দলৰ সভাপতিৰ পদ দখল কৰিবলৈ আগুৱাই যোৱা বুলিব পাৰি। ইয়াৰ পূৰ্বেও ছোনিয়া গান্ধীৰ চিকিৎসাৰ সময়ত অশোক গেহলটক তদৰ্থৰ ভিত্তিত সভাপতিৰ পদ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া বুলি প্ৰচাৰ হৈছে। কিন্তু গেহলটে এই প্ৰস্তাৱ গ্ৰহণ নকৰিলে। ইয়াৰ পৰিৱৰ্তে বৰ্তমানলৈকে ৰাহুল গান্ধীক সভাপতিৰ পদ গ্ৰহণ কৰিবলৈ আহ্বান জনাই আহিছে। কিন্তু দলৰ সংকটৰ সময়ত সভাপতিৰ পদ গান্ধী পৰিয়ালৰ পৰা আঁতৰাই অন্য নেতাৰ হাতত তুলি দিবলৈ সিদ্ধান্ত লোৱাৰ সময়ত নিশ্চিতভাৱে গান্ধীৰ পৰিয়ালৰ অনুগতৰ হাততে যাতে সভাপতিৰ পদটো অক্ষুণ্ণ থাকে, তাৰ প্ৰতি সকলো পক্ষই প্ৰচেষ্টা অব্যাহত ৰখা বুলিব পাৰি।







# কৃষ্ণাই হাব্ৰাঘাট মহাবিদ্যালয়ত ‘নৱাগত আদৰণী সভাত দীক্ষু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কৃষ্ণাই, ২২ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই হাব্ৰাঘাট মহাবিদ্যালয়ত “নৱাগত আদৰণী সভা ২০২২”ক লৈ উখল-মাখল পৰিৱেশৰ মাজেৰে অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয় মহাবিদ্যালয়ত। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় শিল্পী দীক্ষু শৰ্মাৰ সংগীতানুষ্ঠান পৰিবেশন কৰে। জনপ্ৰিয় শিল্পীগৰাকীয়ে কেইবাটাও ন-পুৰণি জনপ্ৰিয় গীত পৰিৱেশ কৰি ছাত্ৰ-ছাত্ৰীক আপ্লুত কৰে । গীত গাই গাই নৃত্য কৰি দীক্ষুয়ে ছাত্ৰ-ছাত্ৰীক আপুত কৰাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীসকলেও গীতৰ তালে তালে নৃত্য কৰি আনন্দ উল্লাস কৰে। ইফালে সংগীতানুষ্ঠানৰ মাজতে ধনজীৱ ৰাভা নামৰ এগৰাকী ছাত্ৰই মৰমৰ শিল্পী দীক্ষুক তেওঁৰ ছবি অংকন কৰি উপহাৰ দিয়ে। শিল্পী দীক্ষু শৰ্মাই উপহাৰ দিয়াৰ বাবে ছাত্ৰগৰাকীক আঁকোৱালি লৈ ধন্যবাদ জনোৱাৰ লগতে নিজৰ ইনষ্টাগ্ৰামত স্মৃতি হিচাপে ৰাখিব বুলি ব্যক্ত কৰে। এইবেলি দুৰ্গা পূজাৰ বিশেষ হিচাপে অহা ২৬ ছেপ্টেম্বৰত এটি নতুন গীত ‘এক বাটি পানী’ নামৰ বাগানিয়া গীত ৰাইজৰ বাবে আগবঢ়াব বুলি জনাই মঞ্চতে গীতটি প্ৰথমবাৰৰ বাবে পৰিৱেশ কৰে। গীতটি অসমৰ ৰাইজে আদৰি ল’ব বুলিও আশা প্ৰকাশ কৰে।

# আজিও সমাধান নহ’ল নিমাইগড়বাসীৰ খোৱাপানীৰ সমস্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২২ ছেপ্টেম্বৰ ঃ** বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰেও ‘হৰ ঘৰ জন’ শীৰ্ষক আঁচনিৰ নামত লাখ লাখ কোটি টকা ব্যয় কৰি নিতৌ বৰ বৰ বিজ্ঞাপনৰ জৰিয়তে ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে যদিও গৰিষ্ঠসংখ্যক অঞ্চলতে এই ব্যয় বহুল আঁচনি প্ৰহসনত পৰিণত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ জ্বলন্ত উদাহৰণ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বাণ্টুং গাঁও পঞ্চায়তৰ নিমাইগড় অঞ্চল। দেশৰ স্বাধীনতাৰ ৭৬ বছৰত উপনীত হোৱাৰ পিছতো নিমাইগড় অঞ্চলৰ প্ৰায় ৫ সহস্ৰাধিক ৰাজহবাসী জনগণে আজিও লাভ কৰা নাই চৰকাৰৰ বহু ব্যয় বহুল আঁচনিৰ বিশুদ্ধ খোৱাপানী। নিমাইগড়বাসীৰ খোৱাপানীৰ সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰী বিভাগীয় কৰ্তৃপক্ষৰ চৰম অৱহেলা, দায়িত্বহীন মনোভাবৰ বাবে শেহতীয়াকৈ সৰৱ হৈ পৰিছে নাজিৰা সমষ্টি ৰাইজৰ দল। দলটোৰ নাজিৰা সমষ্টিৰ সভাপতি দিলৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক ঋতুৰাজ বৰগোহাঁয়ে এক বিবৃতিযোগে সৰৱ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, নাজিৰা মহকুমা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত থকা নিমাইগড় খোৱাপানী আঁচনিৰ জৰিয়তে অঞ্চলটোত প্ৰায় এবছৰৰ পূৰ্বে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে বহু কোটি টকা ব্যয়েৰে পাইপ পুতিছিল নিমাইগড় চেতিয়া পুখুৰীৰ পাৰত এটা পানী যোগান প্ৰকল্প স্থাপন কৰি। কিন্তু অতি পৰিতাপৰ বিষয় যে, এই প্ৰকল্পৰ অধীনত ‘হৰ ঘৰ জল’ আঁচনিৰ জৰিয়তে আজি পৰ্যন্ত নিমাইগড় বাসী ৰাইজে এটুপি বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আহিছে। অঞ্চলটোৰ ৰাইজে নিতৌ বাটকুৰি বাই নিমাইজান জুৰিৰ প্ৰদূষিত পানীকেই সেৱনৰ বাবে কঢ়িয়াব লগা হয়। ইয়াৰ উপৰি খৰালি অহাৰ লগে লগে জানৰ পানী শুকাই যোৱাৰ ফলত অঞ্চলটোৰ ৰাইজে খোৱাপানীৰ বাবে হাহাকাৰ কৰিব লগা পৰিস্থিতি হয়। অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষ, স্থানীয় জনপ্ৰতিনিধিসকলক বাৰম্বাৰ আবেদন-নিবেদন কৰিও কোনো সঁহাৰি পোৱা নাই। তেনে এক পৰিপ্ৰেক্ষিতত নিমাইগড়বাসীৰ ৰাইজৰ খোৱাপানী সমস্যাটো স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ‘ৰাইজৰ দল’য়ে দাবী জনাব লগা হোৱাটো অতি দুৰ্ভাগ্যজনক বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰে ইয়াৰ সমাধানৰ ব্যৱস্থা নকৰিলে দলটোৱে বিভাগৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক গঢ়ি তুলিবলৈ বাধ্য হ’ব বুলি বিবৃতিটোৰ জৰিয়তে সকীয়াই দিয়ে।

# কাউৰীপথাৰত বিজুলী-ঢেৰেকণিত জ্বলিল গোহালি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২২ ছেপ্টেম্বৰ ঃ** গহপুৰ মহকুমাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত কাউৰীপথাৰত কালি নিশা এক অঘটন সংঘটিত হয় । জানিব পৰা মতে কালি নিশা প্ৰায় ১০ মান বজাত প্ৰচণ্ড বিজুলী-ঢেৰেকণিত কাউৰীপথাৰৰ সাকোমাতাৰ নিবাসী তথা টকৌবাৰী গাঁও পঞ্চায়তৰ ২নং ৱাৰ্ডৰ ৱাৰ্ড সদস্য টংকেশ্বৰ সৎনামীৰ ঘৰৰ গোহালিত জুই লাগে আৰু দুটাকৈ গাই গৰুৰ মৃত্যু হয়। অৱশ্যে বৰষুণ হৈ থকা আৰু স্থানীয় ৰাইজে অধিক ক্ষতি নোহোৱাকৈ জুই নুমুৱাবলৈ সক্ষম হয়। প্ৰাকৃতিক দুৰ্যোগৰ ফলত এই ঘটনা সংঘটিত হৈছে। দুজনীকৈ গাভিনী গাই গৰুৰ মৃত্যুত চিন্তিত হৈ পৰিছে পৰিয়ালৰ লোকসকল।

# ৰঙিয়াত ৰাইজৰ দলৰ বিভিন্ন দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২২ ছেপ্টেম্বৰ ঃ** ৰাইজৰ দল ৰঙিয়া সমিতিৰ উদ্যোগত কৃষি ভূমিৰ সুৰক্ষা, মাটিৰ পট্টা, নিয়োগ কেলেংকাৰি, বিদ্যুৎ মাচুল বৃদ্ধি ইত্যাদি ৰোধৰ দাবীত মঙলবাৰে ৰঙিয়াত ৰাজহুৱা স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। ৰাইজৰ দলৰ নেতা হৰেশ্বৰ বৰ্মনৰ নেতৃত্বত অহা এটি সজাতি দলে ৰঙিয়াৰ ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। সংবাদ মাধ্যমৰ মুখামুখি হৈ হৰেশ্বৰ বৰ্মনে চৰকাৰৰ বিৰুদ্ধে কেবাটাও গুৰুতৰ অভিযোগ আনি কয় যে ভূমি পট্টা দিয়াৰ নামত চৰকাৰখনে খিলঞ্জীয়া লোকসকলক কেৱল প্ৰৱঞ্চনা কৰি আহিছে, যাৰ ফলত কছৰুৱা কুমাৰপাতা ইত্যাদি গাৱঁৰ ডেৰ-দুইশ বছৰ ধৰি বসবাস কৰি অহা পৰিয়াল সমূহৰ এটা পৰিয়ালেও ভূমি পট্টা পাবলৈ সক্ষম হোৱা নাই, লক্ষণীয়ভাৱে বৰ্মনে যদিহে নিযুক্তি কেলেংকাৰি সন্দৰ্ভত তদন্ত হয় তেন্তে এশঘৰ মানুহৰ তথ্য প্ৰমাণ দিবলৈ প্ৰস্তুত বুলি জনায়। আনহাতে, পশ্চিমবংগৰ কোনো অসাধু কোম্পানীক স্মাৰ্ট মিটাৰ যোগানৰ দায়িত্ব দি ইয়াৰ যোগেদি পৰিকল্পিতভাৱে ৰাইজৰ ধন সৰকোৱা বুলিও অভিযোগ আনি শীঘ্ৰেই বৰ্ধিত বিদ্যুৎ মাচুল ৰদ কৰিবলৈ দাবী জনায়।

# নগৰবেৰাত আটকাধীন পিএফআইৰ সদস্যক মুক্তিৰ দাবীত প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২২ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাত এন আই এ, ইডি আৰু আৰক্ষীয়ে পুৱতি নিশা অভিযান চলাই চাৰিজনকৈ পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ সদস্যক গ্ৰেপ্তাৰৰ ঘটনাই বৃহত্তৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এই অভিযানত পলাহৰটাৰীৰ হাফিজ ৰফিকুল ইছলাম, কল্যাণপুৰৰ ৰবিউল হুছেইন, জামলাইৰ আব্দুৰ ৰেজ্জাক আৰু ভখুৰাদিয়াৰ নজৰুল ইছলাম ভূঞা বুলি জানিব পৰা গৈছে। ৰহস্যজনকভাৱে আৰক্ষীয়ে সদস্যকেইজনক গ্ৰেপ্তাৰ কৰিও খবৰটো গোপনে ৰখাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সংবাদ মাধ্যমকো তথ্য দিয়াৰ পৰা বিৰত থাকে আৰক্ষী। উল্লেখ্য যে, গ্ৰেপ্তাৰ কৰাৰ সময়ত কি কাৰণে এওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে সেই বিষয়ে পৰিয়ালৰ লোকক কোনো কথাই অৱগত কৰোৱা নাই বুলি অভিযানকাৰী দলটোৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। উক্ত অভিযান কালত কেবাটাও মোবাইল ফোন, লেপটপ আৰু নথি-পত্ৰও আৰক্ষীয়ে জব্দ কৰিছে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। উল্লেখ্য যে, আটকাধীন নেতা চাৰিগৰাকীৰ মুক্তিৰ দাবীত আজি ৰাতিপুৱাই ৰাজ পথলৈ শ শ লোক ওলাই আহি বি জে পি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ৰাজপথ অৱৰোধ কৰে। প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ হায় হায়, বিজেপি চৰকাৰ হায় হায়, মুছলমানৰ ওপৰত অত্যাচাৰ কৰা নচলিব,



অসম আৰক্ষী হায় হায় আদি বিভিন্ন শ্ল’গানেৰে পৰিবেশ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীসকলে। আটকাধীন লোককেইজনক শীঘ্ৰে মুক্তি নিদিলে পৰৱৰ্তী সময়ত গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে প্ৰতিবাদকাৰীসকলে।

# ঢকুৱাখনাৰ ৪২নং ৰাজ্যিক ঘাইপথৰ ডিভাইডাৰত জাপানী এজাৰৰ পুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২২ ছেপ্টেম্বৰ ঃ** ঢকুৱাখনা নগৰখনৰ বিভিন্ন অঞ্চলক সেউজ সুন্দৰ কৰি তোলাৰ প্ৰয়াসেৰে ঢকুৱাখনা পৌৰ সভাই ঢকুৱাখনা মহকুমা প্ৰশাসনৰ গ্ৰহণ কৰিছে এলানি গছপুলি ৰোপণ কাৰ্যসূচী। ‘গ্ৰীণ ঢকুৱাখনা-ক্লীন ঢকুৱাখনা’ শ্ল’গানেৰে আৰম্ভ কৰা এই গছপুলি ৰোপণ কাৰ্যসূচীৰ অংশ স্বৰূপে কালি ঢকুৱাখনা নগৰৰ ৪২নং ৰাজ্যিক ঘাইপথৰ ডিভাইডাৰত ৰোপণ কৰে ৪০ জোপাকৈ জাপানী এজাৰ পুলি। আজিৰ এই গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ঢকুৱাখনাৰ মহকুমাধিপতি অৰিন্দম বৰুৱাই। ইফালে এই গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ঢকুৱাখনা পৌৰসভাৰ পৌৰপতি ৰাজীৱ দাস, পৌৰ সভাৰ কাৰ্যবাহী বিষয়া অভিজাত বৰা, নৰ্মাল স্কুল ঢকুৱাখনাৰ অধ্যক্ষ লক্ষী কোঁৱৰ, ঢকুৱাখনা কলেজৰ অধ্যক্ষ ড° যোগানন্দ সূত, হাৰ্হি কলেজৰ অধ্যক্ষ ড° মানসজ্যোতি নেওগ, ঢকুৱাখনা মহাবিদ্যালয় এন এছ এছ গোটৰ সমন্বয়ক টবেন্দ্ৰ কুমাৰ দাস, প্ৰেছ গীল্ড, ঢকুৱাখনাৰ সম্পাদক ৰাজীৱ বৰুৱা, ঢকুৱাখনা ব্যৱসায়ী সন্থাৰ সভাপতি পূৰ্ণ চুতীয়া, অসম বিজ্ঞান সমিতিৰ ঢকুৱাখনা শাখাৰ সভাপতি দিগেন্দ্ৰনাথ হাজৰিকা, সমাজকৰ্মী বজ্ৰ কুমাৰ দলে আদি কৰি বহুসংখ্যক ব্যক্তিয়ে একোটিকৈ গছপুলি ৰোপণ কৰে।



# স্বচ্ছতা হি সেৱা, উপলক্ষে পটীয়াগাঁৱত চাফাই অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২২ ছেপ্টেম্বৰ ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি এইবাৰ জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মদিন পষেকজোৰাকৈ ১৫ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ ‘স্বচ্ছতা হি সেৱা’ নামেৰে এক চাফাই কাৰ্যসূচী চৰকাৰে গ্ৰহণ কৰিছে। সেই বাবেই যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ খোৱাপনী আৰু অনাময় সমিতিৰ উদ্যোগত জিলাখনত বিভিন্ন গাঁও পঞ্চায়ত এলেকাত ‘স্বচ্ছতা হি সেৱা’ কাযসূচীৰ লগত সংগতি ৰাখি চাফাই কাযসূচী ১৫ ছেপ্টেম্বৰ পৰা ৰূপায়ণ কৰি আছে। ঠিক সেইদৰে আজি ৩৫নং পটীয়া ফকলা গাঁও পঞ্চায়ত এলেকাৰ সমীপৰ পটীয়া গাঁও তিনিআলিৰ নিমাতী পথৰ কাষৰ ব্যৱসায়িক অঞ্চলত এক চাফাই কাযসূচী ৰূপায়ণ কৰে। যোৰহাট জিলা স্বচ্ছভাৰত অভিযানৰ স্বচ্ছাগ্ৰহী জ্যোতিময়ী বৰাই অংশগ্ৰহণ কৰা চাফাই কাযসূচী পৰিচালনা কৰে পঞ্চায়তৰ সভাপতি ৰাজু দত্তই । অসম গ্ৰামীণ জীৱিকা অভিযানৰ জীৱিকা সখী, পঞ্চায়তৰ খণ্ড সদস্য-সদস্যা, স্থানীয় পুৰুষ-মহিলা, গাঁওপ্ৰধান অচিন্ত্য দত্তই হাতে হাতে ঝাৰু, লৈ চাফাই কাযসূচীত অংশগ্ৰহণ কৰে । যোৰহাটৰ সমাজকৰ্মী তথা স্বচ্ছতাৰ সেৱক জগন্নাথ অগ্নি বৰা উপস্থিত থাকি স্বচ্ছ ভাৰত অভিযানৰ উদ্দেশ্য একক ব্যৱহৃত প্লাষ্টিকৰ অপকাৰিতা আৰু প্লাষ্টিকমুক্ত সমাজ গঢ়াৰ বিষয় সম্পৰ্কত অংশগ্ৰহণকাৰীসকলক বহলাই বুজাই দিয়ে।

# আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি

## কানৈ মহাবিদ্যালয়ত কুইজ আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২২ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, অসম প্ৰান্ত, ডিব্ৰুগড় শাখাৰ যৌথ উদ্যোগত দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এখনি কুইজ আৰু স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপিকা লখিমা দেউৰী আৰু অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ময়ূৰী দত্তই আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে। বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, ডিব্ৰুগড়ৰ শিক্ষক শান্তনু নাথে কুইজ মাষ্টাৰ হিচাপে উপস্থিত থকা প্ৰতিযোগিতাখনিত কানৈ মহাবিদ্যালয়ৰ প্ৰায় ১১টা দলে অংশ গ্ৰহণ কৰে। এই অংশগ্ৰহণকাৰী দলসমূহৰ মাজৰ পৰা কৌশিক ৰঞ্জন চেতিয়া আৰু তেওঁৰ দলে প্ৰথম স্থান, নিশান্ত শইকীয়া আৰু তেওঁৰ দলে দ্বিতীয় স্থান লাভ কৰাৰ লগতে চয়নিকা দাস আৰু তেওঁৰ দলে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, ডিব্ৰুগড়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জ্যোৎস্না দেৱী; বিবেকানন্দ কেন্দ্ৰ কাৰ্যকৰ্তা মালৱিকা দত্ত আৰু কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা ড° চয়নিকা গোস্বামীয়ে বিচাৰক হিচাপে উপস্থিত থকা স্বাধীনতা সংগ্ৰামী বিষয়ক স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতাখনিত মহাবিদ্যালয়ৰ প্ৰায় ৮ টি দলে অংশহণ কৰে। অংশগ্ৰহণকাৰী দলসমূহৰ মাজৰ স্মিতা চক্ৰৱৰ্তী আৰু তেওঁৰ দলে প্ৰথম স্থান, চিৰঞ্জীৱ সন্দিকৈ আৰু তেওঁৰ দলে দ্বিতীয় স্থান লাভ কৰাৰ লগতে আবৃতা লিজা পাঠক আৰু তেওঁৰ দলে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনিত বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, ডিব্ৰুগড় আৰু তিনিচুকীয়া শাখাৰ সমন্বয়ক বীৰেন শইকীয়া, মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ময়ূৰী দত্তই।

# পাথৰিঘাটত কেওট সন্মিলনৰ শ্বহীদ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২২ ছেপ্টেম্বৰ ঃ** ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত সেনানী কনকলতা বৰুৱা ২০ ছেপ্টেম্বৰ দিনটোত শ্বহীদ হৈছিল। কনকলতা বৰুৱাৰ বীৰত্ব, ত্যাগ আৰু পৰাক্ৰমক শ্ৰদ্ধাৰে স্মৰণ কৰা উদ্দেশ্যে এই দিনটোত দৰং জিলা কেওট সন্মিলনৰ উদ্যোগত পাথৰিঘাট শাখা কেওট সন্মিলনৰ কাৰ্যালয়ত শ্বহীদ দিৱসটি সভাপতি নৰেন্দ্ৰ চন্দ্ৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। চিৰনমস্য শ্বহীদগৰাকীৰ বেদীত বন্তি প্ৰজ্বলন কৰে ৰঙামাটি শাখা কেওট সন্মিলনৰ সভাপতি বিদ্যাৰাম ডেকাই। মাল্যাৰ্পণ কৰে শতবৰ্ষ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি কুলেন্দ্ৰ নাথ ডেকাই। উপস্থিত আন সকলোৱে স্বজাতিৰ শ্বহীদগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। জিলা সম্পাদক অনিল দাসে আঁত ধৰা সভাত গণ আন্দোলনৰ প্ৰথমগৰাকী মহিলা শ্বহীদ কনকলতা বৰুৱাৰ জীৱন আলোকপাত কৰে জিলাৰ উপ-সভাপতি হলিৰাম ডেকা, বিত্ত উপ-সমিতিৰ সভাপতি আনন্দ ডেকা আদিয়ে। ইয়াৰ পিছতেই দৰং জিলা কেওট সন্মিলনৰ আগন্তুক শতবৰ্ষ উদ্‌যাপন সম্পৰ্কে বিস্তৃত আলোচনা কৰি ইতিবাচক সঁহাৰি লাভ কৰে। ইতিমধ্যে নৰেন্দ্ৰ চন্দ্ৰ চহৰীয়াক সভাপতি, কুলেন্দ্ৰ নাথ ডেকাক কাৰ্যকৰী সভাপতি, হংসধৰ ডেকাক সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতি গঠন কৰা হয়। আনহাতে, হলিৰাম ডেকা সভাপতি আৰু নৰেশ্বৰ ডেকাক সম্পাদক হিচাপে লৈ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হৈছে। অনুষ্ঠিতব্য শতবৰ্ষৰ কাৰ্যসূচীত শ্ৰদ্ধাৰ জ্ঞাতিসকলৰ সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আন্তৰিকতাৰে কামনা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# ডুবিয়া উঃ মাঃ বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চেনিচন্দ্ৰ ভূঞাক জিলা কৃতী শিক্ষকৰ বঁটা



**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২২ ছেপ্টেম্বৰ ঃ** গহপুৰ মহকুমাৰ অন্তৰ্গত ডুবিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চেনিচন্দ্ৰ ভূঞাক এই বৰ্ষৰ জিলা কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা হয়। ৬১সংখ্যক শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিশ্বনাথ জিলা প্ৰসাশন আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত সম্বৰ্ধনা সভাত ভূঞাক আনুষ্ঠানিকভাৱে জিলা কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰা হয়। বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত সভাত উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙটে ভূঞাক ফুলাম গামোচা, মানপত্ৰ, শৰাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে শৃংখলাবদ্ধভাৱে পাঠদনৰ লগতে বিদ্যালয়ত এটা সুস্থ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাত অধ্যক্ষ হিচাপে চেনিচন্দ্ৰ ভূঞাৰ বৰঙণি অতি আদৰণীয়। নিজৰ দায়িত্ব, কৰ্তব্যনিষ্ঠা আৰু সততাৰে পালন কৰি নিয়মীয়াকৈ পাঠদান কৰাৰ উপৰি সাহিত্য চৰ্চাও অব্যাহত ৰাখি আহিছে। এইগৰাকী ভাৰপ্ৰাপ্ত অধ্যক্ষ চেনিচন্দ্ৰ ভূঞাই জিলা কৃতী শিক্ষকৰ বঁটা লাভ কৰাত তেওঁক ডুবিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোট, বিদ্যালয় পৰিচালনা সমিতি, মাতৃ গোট, অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ লগতে বৃহত্তৰ ডুবিয়া অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে শিক্ষক তথা কবি চেনিচন্দ্ৰ ভূঞাৰ দুকুৰি কবিতা থুপাই এই কাব্য সংকলনটি প্ৰকাশৰ দিহা কৰা হৈছে। এগৰাকী শিক্ষক হিচাপে মানৱ সম্পদ গঢ়াত জড়িত থকা ভূঞা ছাত্ৰ অৱস্থাত ছাত্ৰ সন্থাৰ এগৰাকী সক্ৰিয় কৰ্মী হিচাপে জাতীয়তাবাদী সত্তাৰ পৰিচয় দিছিল। ৰূপজ্যোতি হাইস্কুলত সাধাৰণ সম্পাদক হিচাপে ছাত্ৰাৱস্থাত নিজৰ নেতৃত্ব প্ৰকাশ কৰা চেনিচন্দ্ৰ ভূঞাই ছাত্ৰ অৱস্থাৰ পৰাই লেখা-মেলা কৰিছিল। ১৯৯৪ চনত অসমীয়াত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পূৰ্বেই ৰূপজ্যোতি হাইস্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে যদিও কিছু বছৰৰ পাছত ২০০৩ চনত ডুবিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে। গাঁৱৰ যুৱক সংঘৰ লগত বিশেষভাৱে জড়িত হৈ অহা ভূঞাই তিনিদিনীয়া অগ্ৰদূত, বাৰ্তাপখিলী, ৰূপহী পাৰৰ কবিতা আদি বিভিন্ন কাকত-আলোচনীত লেখা-মেলা কৰি আহিছে। উল্লেখ্য যে, ছাত্ৰ অৱস্থাতে ১৯৮৮ চনত নেহৰু যুৱক কেন্দ্ৰৰ নেতৃত্বত পাঞ্জাৱৰ পাটিয়ালা চহৰত ‘মহাকাব্য’ শীৰ্ষক বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি কবি ভূঞাই অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

# নিযুক্তি-পত্ৰ ল’বলৈহে জীয়াই নাথাকিল চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বলোৰাম হাজাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২২ ছেপ্টেম্বৰ ঃ** ২০২১ বৰ্ষৰ ৫ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত নিয়োগ মেলা অনুষ্ঠিত কৰি ১ লাখ শিক্ষকক টিউটৰ হিচাপে নিযুক্তি দিছিল যদিও চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক নিযুক্তি প্ৰদান কৰা নাছিল। কালি এনে বিদ্যালয়সমূহৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ নাম তালিকা প্ৰকাশ কৰাত সেইসকলক কাইলৈ গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ’ব লগা বৃহৎ নিযুক্তি মেলাত ২১ টা বিভাগৰ ১১,২০২ প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হ’ব যদিও নগাঁৱৰ কঠীয়াতলী শিক্ষাখণ্ডৰ অন্তৰ্গত ৰাঙলু গাঁও জ্ঞানদীপ মধ্য ইংৰাজী বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বলোৰাম হাজামে নিজ হাতে নিয়োগ পত্ৰ ল’বলৈ সক্ষম নহ’ব। কিয়নো ৩০ বছৰৰো অধিক কাল বিনা বেতনেৰে পৰিশ্ৰম কৰি ইতিমধ্যে তেওঁৰ মৃত্যু ঘটিছে। জীয়াই থকাৰ কালছোৱাত পদটো প্ৰাদেশিকীকৰণৰ চিন্তাত উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ চলিত বৰ্ষৰ ২০ মে’ত মৃত্যুক আকোৱালী লৈছিল তেওঁ। ইফালে, যোৱা ২১ জুন তাৰিখে বিদ্যালয় পৰিচালনা সমিতিৰ এক প্ৰস্তাৱ মৰ্মে প্ৰয়াত বলোৰাম হাজামৰ পত্নী সংগীতা হাজামকে নিযুক্তি দি বিদ্যালয়ৰ কাম-কাজ চলাই থকা হৈছে বুলি প্ৰধান শিক্ষক খোকন দত্তই জানিবলৈ দিয়ে। এনে এক পৰিস্থিতিত বলোৰাম হাজামৰ অবিহনে কাইলৈ নিযুক্তি পত্ৰ কোনে গ্ৰহণ কৰিব তাকে লৈ বিপাঙত পৰিছে সংগীতা হাজামৰ লগতে বিদ্যালয় কৰ্তৃপক্ষই। অতি দৰিদ্ৰ পৰিয়ালৰ মহিলা সংগীতা হাজামক শিক্ষামন্ত্ৰী ডঃ ৰনোজ পেগু আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বলোৰাম হাজামৰ পদটো অনুকম্পামূলকভাৱে আঁচনিৰ আওতাত নিযুক্তি দিয়াৰ বাবে সকলো পক্ষই অনুৰোধ জনাইছে।

# সাপকাটা সমবায় সমিতি লিমিটেডৰ বছৰেকীয়া সাধাৰণ সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২২ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত সাপকাটা সমবায় সমিতিৰ ২০২২-২৩ চনৰ বছৰেকীয়া সাধাৰণ সভাখন আজি অনুষ্ঠিত কৰা হয় । সমবায় সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি আব্দুল মজিদ চৌধুৰীৰ সভাপতিত্বত সমিতিখনৰ চৌহদত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনত ২০২১- ২২ চনৰ সম্পাদকীয় বছৰেকীয়া প্ৰতিবেদন পাঠ কৰি শুনায় সমবায় সমিতিখনৰ সম্পাদক সম্পাদক নুৰুল ইছলামে। ৩,৭০০গৰাকী অংশীদাৰৰে পৰিপুষ্ট সমিতিখনৰ অধীনস্থ ৩৭খন সুলভ মূল্যৰ দোকান আছে । বিত্তীয় বৰ্ষটোত সমবায় সমিতিখনে সৰ্বমুঠ লাভ দেখুৱায় ৮,৯২,২৬৪.৯১ টকা । সমিতিখনৰ বছৰেকীয়া সাধাৰণ সভাখনত উপস্থিত থাকি সমবায় সমিতিখনৰ অৱসৰপ্ৰাপ্ত সম্পাদক মতিন আলী আহমেদে কয় যে সমবায় এখনে গ্ৰাম্য অঞ্চলৰ লোকসকলৰ অৰ্থনৈতিক দিশত আগবঢ়াই লৈ যোৱাৰ এক পথ প্ৰদৰ্শকৰ ভূমিকা লয়। কাৰণ এখন সমবায়ত বহু লোকৰ অংশীদাৰিত্বত গঠিত সমবায়খনে সেই অঞ্চলৰ লোকক বহু পৰিমাণে উপকৃত কৰাৰ ক্ষমতা আহৰণ কৰে। গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ ব্যৱসায়ী, কৃষকসকলেও সমবায় সমিতিৰ পৰা লাভৱান হ’ব পৰে। সভাত সমিতিখনৰ প্ৰাক্তন সভাপতি হাছেন আলীয়ে সমিতিখনে যাতে অধিক উন্নয়ন ঘটাই সকলোৰে দৃষ্টিত নামজ্বলা সমিতিৰূপে পৰিচয় দিব পাৰে তাৰ বাবে অংশীদাৰ আৰু সমিতিৰ পৰিচলনা সমিতিসকলে সূক্ষ্ম চিন্তাৰে সমিতিখন আগবঢ়াই লৈ যায় তাৰ বাবে আহ্বান জনায়। সমিতিখনৰ প্ৰাক্তন সভাপতি অসীম বসুমতাৰীয়ে সমিতিখনৰ বিভিন্ন দিশ সাঙুৰি লৈ ভাষণ প্ৰদান কৰে । সমিতিখনৰ বছৰেকীয়া সাধাৰণ সভাখনত পৰিচয় পৰ্বৰ আঁত ধৰে অভ্যৰ্থনা সমিতিৰ নজৰুল ইছলাম মিঞাই। সাধাৰণ সভাখনৰ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে গোসাঁইগাঁও ফুট ছাপ্লাই ছিনিয়ৰ ইন্সপেক্টৰ বৰ্ণালী কলিতাৰ লগতে সমবায় বিভাগৰ জ্যেষ্ঠ পৰিদৰ্শক ছানাৰাম ব্ৰহ্মই।

# তামুলপুৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক-কৰ্মচাৰী পৰিষদৰ ধৰ্ণা কাৰ্যসূচী

## জয়ন্ত মল্ল বৰুৱা হায় হায়, অসম চৰকাৰ হায় ধ্বনিৰে উত্তাল তামুলপুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২২ ছেপ্টেম্বৰ ঃ** জন স্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক কৰ্মচাৰী পৰিষদ, অসমৰ আহ্বান মৰ্মে আজি তামুলপুৰত বাক্সা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক কৰ্মচাৰী পৰিষদে পৰিষদৰ চাৰিদফীয়া দাবীৰ সমৰ্থনত এঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বাক্সা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক-কৰ্মচাৰী পৰিষদৰ অৰ্ধশতাধিক সদস্যই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তামুলপুৰ উপ-সংমণ্ডল কাৰ্যালয়ৰ সন্মুখত আমাক স্থায়ীভাৱে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক, অসম চৰকাৰ হায় হায়, জয়ন্ত মল্ল বৰুৱা হায় হায়, অস্থায়ী শ্ৰমিক পৰিষদ জিন্দাবাদ, আমাৰ বকেয়া ধন শীঘ্ৰে খাৰিজ কৰক, অস্থায়ী শ্ৰমিক পৰিষদৰ লগত হেতালি খেলা বন্ধ কৰক, এনগেজৰ নামত দিয়া ললিপপ বন্ধ কৰক আদি শ্ল’গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখযোগ্য যে জনস্বাস্থ্য কাৰিকৰী



বিভাগৰ দ্বাৰা পৰিচালিত বিশুদ্ধ খোৱা পানী যোগান আঁচনিসমূহত বিগত ১০, ১৫ বছৰৰ পৰা কৰ্মৰত হৈ থকা কৰ্মচাৰীসকলৰ নিযুক্তি আৰু নিয়মীয়া দৰমহা প্ৰদানৰ দাবীত পৰিষদে দীৰ্ঘদিনে জনাই অহা দাবীৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ কেবিনেটে ২০২১ চনৰ ১০ ডিচেম্বৰত অসমৰ সৰ্বমুঠ ৮৯০৪গৰাকী কৰ্মচাৰীক নিযুক্তি আৰু মাহিলি পাৰিতোষিক দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু বিভাগ তথা চৰকাৰে আজিকোপতি নিযুক্তি আৰু দৰমহা প্ৰদানৰ কোনো নিশ্চয়তা প্ৰদান নকৰিলে। সেয়েহে পূৰ্বৰে পৰা কৰ্মৰত এই সকল জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক কৰ্মচাৰীসকলে পৰিষদৰ জৰিয়তে ৮,৯০৪গৰাকী অস্থায়ী - অবৈতনিক কৰ্মচাৰীক বিভাগীয়ভাৱে নিযুক্তি প্ৰদান, কৰ্মচাৰীসকলৰ নিজ নিজ বেংক একাউণ্টৰ যোগেদি পোনপটীয়াকৈ মাহিলি দৰমহা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ আৰু চলিত মাহৰ ভিতৰতে দাবীসমূহ পূৰণ কৰিবলৈ দাবী জনায়। দাবীসমূহ পূৰণ নকৰিলে ১ অক্টোবৰৰ পৰা অনিৰ্দিষ্ট কাললৈ পানী যোগান সেৱা বন্ধ কৰাৰ লগতে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰো হুংকাৰ দিয়ে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অস্থায়ী শ্ৰমিক-কৰ্মচাৰী পৰিষদৰ নেতৃবৃন্দই। ধৰ্ণাৰ শেষত প্ৰতিবাদী অস্থায়ী শ্ৰমিক কৰ্মচাৰীসকলে তেওঁলোকৰ চাৰিদফীয়া দাবী সম্বলিত এখন স্মাৰক-পত্ৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তামুলপুৰ উপ সংমণ্ডল বিষয়াৰ হাতত অৰ্পণ কৰে।

## চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানি ফুটবলত চিৰাং দুৱাৰ এফ চি ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ২২ ছেপ্টেম্বৰ ঃ** মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থা (মাছা)ৰ সৌজন্যত সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত দশম বাৰ্ষিক চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত হোৱা প্ৰথমখন ছেমি ফাইনেলত চিৰাং দুৱাৰ এফ চিয়ে বঙ্গাইগাঁও ইলাভেন ষ্টাৰক ২-১ গ'লত পৰাজিত কৰি ফাইনেল খেললৈ উৰ্ত্তীৰ্ণ হয়। খেলৰ প্ৰথম অৰ্ধৰ ৩৮ মিনিটত বঙ্গাইগাওঁৰ হৈ লিয়েন লাল মুনে ১ গ'ল দি দলক অগ্ৰগতি দিয়ে যদিও দ্বিতীয় অৰ্ধৰ ৭৯ আৰু ৮৫ মিনিটত চিৰাং দলৰ হৈ ইন্দোৰ সিং আৰু ৰাজীৱে এটাকৈ গ'ল দি চিৰাং দলক বিজয়ী কৰোৱাত মুখ্য ভূমিকা পালন কৰে। খেলখন পৰিচালনা কৰে-জয়ন্ত দত্ত, তহিদুল্লা, জাৰেৰ আলী আৰু জেহেৰুল ইছলামে। অহিকালি দ্বিতীয়খন ছেমি ফাইনেলত অংশ গ্ৰহণ কৰিব দিল্লী এফ চি আৰু আসাম ৰেজিমেন্টেল, শ্বীলং।

## আজিৰে পৰা অম্বা মেধি ফুটবল

**গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত কাইলৈৰ পৰা অনুস্থিত হ'ব সৰ্বভাৰতীয় আমন্ত্ৰণমূলক অম্বা মেধি সোঁৱৰণি ফুটবল প্ৰতিযোগিতা। উদ্বোধনী খেলখন বিয়লি ২-১৫ বজাত শ্বিলং ইউনাইটেড ৰাইজিং আৰু অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ মাজত হ'ব। প্ৰতাপ বৰদলৈয়ে জনোৱা মতে উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই মেচখন উদ্বোধন কৰিব।

### খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ

# স্বৰ্ণ যুঁজলৈ অসমৰ ১৩গৰাকী বক্সাৰ

**গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ** অসমৰ ১৩ গৰাকী বক্সাৰে গুৱাহাটীত চলি থকা খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ১২ গৰাকী বক্সাৰে যোৱানিশা অনুষ্ঠিত হোৱা ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে। উল্লেখ্য যে আজি নিশা হোৱা ফাইনেলত অসমৰ চাৰি গৰাকীয়ে যুৱ মহিলাৰ শাখাৰ স্বৰ্ণজয়ৰ মেচ খেলাৰ বিপৰীতে ন গৰাকী বক্সাৰে জুনিয়ৰ ছোৱালীৰ ফাইনেলত অৱতীৰ্ণ হয়। জুনিয়ৰ ছোৱালীৰ ফাইনেলত প্ৰৱেশ কৰা অসমৰ ন বক্সাৰ হ'ল ৪৬ কিলোগ্ৰাম শাখাত ইলাজ্যোতি পেগু, ৪৮ কিলোগ্ৰাম শাখাত ৰিম্পী পেগু, ৫০ কিলোগ্ৰাম শাখাত ভাৰতী কুমাৰী, ৫২ কিলোগ্ৰাম শাখাত মনিকা চুৰুৱা, ৫৭ কিলোগ্ৰাম শাখাত নালোসি মাৰ্জাৰী, ৬৩ কিলোগ্ৰাম শাখাত কংকনা শইকীয়া, ৬৬ কিলোগ্ৰাম শাখাত ভৱানী ফুকন আৰু ৭০ কিলোগ্ৰাম শাখাত জুমন দত্ত আৰু ফাগুনী বসুমতাৰী। ইফালে, যুৱ মহিলাৰ ফাইনেলত প্ৰৱেশ কৰা অসমৰ চাৰি বক্সাৰ হ'ল ৫০ কিলোগ্ৰাম শাখাত দ্বিপাঞ্জলী দৈমাৰী, ৫২ কিলোগ্ৰাম শাখাত ৰশ্মী বালা বসুমতাৰী, ৫৭ কিলোগ্ৰাম শাখাত সুমিত্ৰা ব্ৰহ্ম আৰু ৭০ কিলোগ্ৰাম শাখাত নমি বৰা। যুৱ মহিলাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ পদক লাভ কৰে ৪৫-৪৮ কিলোগ্ৰাম শাখাত সুজামা বড়োই, ৫০ কিলোগ্ৰাম শাখাত উন্নেসা গগৈয়ে, ৫৭ কিলোগ্ৰাম শাখাত প্ৰিয়া বসুমতাৰীয়ে, ৬০ কিলোগ্ৰাম শাখাত প্ৰিয়া বসুমতাৰী তথা নমিতা দলে, ৬৩ কিলোগ্ৰাম শাখাত কৰিশ্মা সিং তথা মনালিছা বসুমতাৰীয়ে, ৭০ কিলোগ্ৰাম শাখাত ৰেনুকা বসুমতাৰীয়ে আৰু ৫৪ কিলোগ্ৰাম শাখাত মাইনাও বড়োৱে। আনহাতে, জুনিয়ৰ ছোৱালীৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ পদক লাভ কৰে ৫২ কিলোগ্ৰাম শাখাত আইশ্ৰী হাজৰিকা তথা প্ৰিয়া বড়ো, ৫৪ কিলোগ্ৰাম শাখাত ৰশ্মী চাংমাই, , ৬০ কিলোগ্ৰাম শাখাত পৰী দত্ত, ৬৩ কিলোগ্ৰাম শাখাত পৰিস্মিতা বড়ো, বিদিশা বৰুৱাই। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাসী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।


*খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপত পদক বিজয়ী খেলুৱৈসকল*

# সোণৰ পদকেৰে ডিব্ৰুগড়লৈ গৌৰৱ আনিলে ভাস্কৰজ্যোতি দত্তই

**দৈনন্দিন বাৰ্তৰ ক্ৰীড়া প্ৰতিনিধি, ডিব্ৰুগড়, ২২ ছেপ্টেম্বৰ ঃ** ১৬ ছেপ্টেম্বৰৰ পৰা ১৮ ছেপ্তেম্বৰলৈকে মধ্যপ্ৰদেশত অনুষ্ঠিত হোৱা National Gamesত ডিব্ৰুগড়ৰ মদাৰখাত অঞ্চলৰ হাটখোলা গাঁৱৰ ভাস্কৰজ্যোতি দত্তই অসমৰ হৈ প্ৰতিনিধিত্ব কৰি ৬০ আৰু ১০০ মিটাৰ দৌৰত সোণৰ পদক আৰু ডিস্কাছ থ্ৰ'ত ৰূপৰ পদক প্ৰাপ্তিৰে দৰ্শনীয় অভিলেখেৰে নিজৰ ডিব্ৰুগড় জিলাৰ মদাৰখাতৰ লগতে সমগ্ৰ অসমক গৌৰৱান্বিত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ভাস্কৰ দত্ত দুলিয়াজান-নুমলীগড় পাইপ লাইন লিমিটেড( দুলিয়াজান অসম)ৰ নিৰাপত্তা বিষয়া হিচাপে বৰ্তমান কৰ্মৰত। মদাৰখাত অঞ্চলৰ হাটখোলা গাঁৱৰ নিবাসী বিশ্বনাথ দত্ত আৰু পূৰ্ণিমা ভৰালী দত্তৰ সুযোগ্য সন্তান এই খেলুৱৈগৰাকীৰ সাফল্যত সমগ্ৰ অঞ্চল তথা জিলাখনৰ ৰাইজ উৎফুল্ল হৈ পৰা দেখা গৈছে। আজি তেওঁ হাটখোলা গাঁৱত উপস্থিত হোৱাত হাটখোলা গাঁৱৰ ৰাইজে এখনি ফুলাম গামোচা পিন্ধাই উষ্ম আদৰণি জনাই।

## বৰভাগত ফুটবল ফাইনেল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নলবাৰী, ২২ ছেপ্টেম্বৰ ঃ** জোনাক যুৱ মঞ্চ বৰভাগৰ উদ্যোগত কৰিয়া যুৱক সংঘৰ সহযোগত দ্বিতীয় বাৰ্ষিক আমন্ত্ৰণমূলক চলন্ত ফুটবল প্ৰতিযোগিতাখনৰ কাইলৈ ২৩ ছেপ্তেম্বৰত কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব চুড়ান্ত খেল। ইয়াত অংশ গ্ৰহণ কৰিব আৰিয়ান স্পোৰ্টচ ক্লাৱ, মুকালমুৱা বনাম বৰ্ষন গাঁও এফ চি, বঙ্গাইগাঁওয়ে। ছেমি ফাইনেলত আৰিয়ানে বৰমাক আৰু বঙ্গাইগাৱে দলেতোলা নয়নজ্যোতি সংঘক পৰাস্ত কৰিছিল। যোৱা ৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখনত মুঠ ৮টা দলে অংশ গ্ৰহণ কৰিছিল। চুড়ান্ত খেলখন উদ্বোধন কৰিব শান্তনু মহন্ত, চিফ এডিটৰ প্ৰাগ নিউজ। লগতে সন্ধিয়া উক্ত খেলপথাৰতে সাংস্কৃতিক সন্ধিয়াত গীত পৰিবেশন কৰিব অসমৰ জনপ্ৰীয় কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু প্ৰিয়ংকা কলিতাই।

### গাতি মছলাবাৰী ইউনাইটেড ক্লাব ফুটবল

## কাহিবাৰী জৌহৌলাও ফাইনেলত প্ৰৱেশ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, শালবাৰী, ২২ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত মছলাবাৰী গাতি খেল পথাৰত গাতি মছলাবাৰী ইউনাইটেড ক্লাৱৰ উদ্যোগত চলি থকা ফুটবল টুৰ্ণামেন্টৰ আজিৰ দ্বিতীয়খন ছেমি ফাইনেলত কাহিবাৰী জৌহৌলাও ফুটবল ক্লাবে জয়লাভ কৰে। ডুমুনীৰ হৰ্ণবিল ফুটবল ক্লাবক ৭-২ গ'লত পৰাজিত কৰি কাহিবাৰী জৌহৌলাও ফুটবল ক্লাবে জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰিছে। ২৪ ছেপ্টেম্বৰত দিনৰ তিনি বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলত কাহিবাৰী জৌহৌলাও ক্লাব আৰু চমুৱাগাতি ইউনাইটেড ফুটবল ক্লাবে অৱতীৰ্ণ হ'ব।

# অইল-এ এছ জে এ ক্ৰীড়া বঁটা প্ৰদান



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২২ ছেপ্টেম্বৰ ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাই ইতিমধ্যে ঘোষণা কৰা অইল-এ এছ জে এ ক্ৰীড়া বটা আজি গুৱাহাটীৰ লেণ্ডমাৰ্ক হোটেলত হোৱা এক অনুষ্ঠানত আনুষ্ঠানিকভাবে প্ৰদান কৰা হয়। উল্লেখ্য যে এই বাৰ বৰ্ষশ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰিছেবাৰ্মিংহাম কমনৱেলথ গেমছত দেশৰ হৈ ঐতিহাসিক সোণ লাভ কৰা লন বল খেলুৱৈ নয়নমণি শইকীয়াই। আজিৰ অনুষ্ঠানত খেলুৱৈগৰাকীক ৫০ হাজাৰ টকাৰ চেক, ট্ৰফী, গামোছা আৰু প্ৰশক্তিপত্ৰৰে আৰ জি বৰুৱা বৰ্ষ শ্ৰেষ্ঠ ক্ৰীড়াবিদ সন্মান প্ৰদান কৰা হয়। ইফালে এন এন সিনহা শ্ৰেষ্ঠ জুনিয়ৰ ক্ৰীড়াবিদৰ বঁটা প্ৰদান কৰা হয় সাঁতোৰবিদ আস্থা চৌধুৰীক। এই বঁটাত আছিল ২৫ হাজাৰ টকাৰ চেক, ট্ৰফী, গামোছা আৰু এটা প্ৰশস্তিপত্ৰ। আস্থাৰ হৈ এই বঁটা গ্ৰহণ কৰে। আস্থাৰ মাতৃ আৰু আইতাকে। নুৰুল আমিন বছৰৰ শ্ৰেষ্ঠ দলৰ বঁটা অইল ইণ্ডিয়া এফ চি (ফুটবল)ক প্ৰদান কৰাৰ বিপৰীতে পুলিন দাস জীৱনযোৰা সাধনা বঁটা প্ৰদান কৰা হয় প্ৰবীণ ক্ৰীড়া সাংবাদিক তথা ক্ৰীড়া সংগঠক বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীক। ইফালে ৰাষ্ট্ৰীয় অভিলেখধাৰী খেলুৱৈ অম্লান বৰগোহাইলৈ জুৰীৰ বিশেষ বঁটা প্ৰদান কৰা হয়। অম্লানৰ হৈ পিতৃয়ে লাভ গ্ৰহণ এই বঁটা। আনহাতে, তিনিগৰাকী প্ৰতিভাবান ক্ৰীড়াবিদ চাহিল দে (দবা), প্ৰিয়নুজ ভট্টাচাৰ্য (টেবুল টেনিছ) আৰু উপাশা তালুকদাৰ (জিমনাষ্টিক)ক অসম ক্ৰীড়া সাংবাদিকতা শতবাৰ্ষিকী বৃত্তি প্ৰদান কৰা হয়। তেওঁলোকক ১০ হাজাৰ টকাকৈ দিয়া হৈছিল। আজিৰ এই অনুষ্ঠানত প্ৰাক্তন খেলুৱৈ তয়াবুন নিছা, প্ৰাক্তন বেডমিন্টন খেলুৱৈ মাধুয্য বৰুৱা, প্ৰাক্তন ফুটবলাৰ তোচেন বৰা, প্ৰাক্তন সাঁতোৰবিদ মিঠু বৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় লন বল খেলুৱৈ তানিয়া চৌধুৰীকো সম্বৰ্ধনা জনোৱা হয়। আনহাতে অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক নিবেদন দাস পাটোৱাৰী, অইলৰ ডি জি এম দেৱজ্যোতি বসুমতাৰী, কলকাতা থাণ্ডাৰবল্টছৰ অধ্যক্ষ পৱন কুমাৰ পাটোদিয়া আৰু অ' এন জি চিৰ জনসম্পৰক্ষী বিষয়া স্মৃতি বন্দনা দাস। অনুষ্ঠানত অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুৰোধ মল্ল বৰুৱাই উদ্বোধনী ভাষণত এ এছ জে এৰ যাত্ৰা আৰু ১৯৯১ চনত ক্ৰীড়াবিদসকলক উৎসাহিত কৰাৰ বাবে আৰম্ভ কৰা বঁটা প্ৰদান অনুষ্ঠানৰ বিষয়ে উল্লেখ কৰে। সভাখনত আঁত ধৰে বিদ্যুৎ কলিতা আৰু প্ৰাৰ্থনা হাজৰিকাই। উল্লেখ্য যে যোৱা দুই জুলাইৰ পৰা বিভিন্ন কাৰ্যসূচীৰে অসমত ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকী উদ্‌যাপন কৰি আহিছে এ এছ জে এ। এই বৰ্ষজোৰা কাৰ্যসূচীৰে অন্যতম অনুষ্ঠান হৈছে অইলএ এছ জে এ ক্ৰীড়া বঁটা। বিগত ক্ৰীড়া কেলেণ্ডাৰ বৰ্ষত আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয়, মণ্ডল, আঞ্চলিক আৰু ৰাজ্যিক পৰ্যায়ৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰদৰ্শনৰ ভিত্তিত বঁটাপ্ৰাপকসকলক নিৰ্বাচিত কৰা হৈছে। অইল-এ এছ জে এ ক্ৰীড়া বঁটাৰ প্ৰধান পৃষ্ঠপোষক অইল ইণ্ডিয়া লিমিটেড। ইয়াৰ উপৰিও অ' এন জি চি, ষ্টেট বেংক অৱ ইণ্ডিয়া, টপচেম চিমেন্ট, কলকাতা থাণ্ডাৰবল্টছ, অসম অলিম্পিক সন্থা, অসম ক্ৰিকেট সন্থা আদিয়ে সহযোগ কৰিছে।

# অসম ৰাইফলছ ফাইনেলত



**দৈনন্দিন বাৰ্তৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ২২ ছেপ্টেম্বৰ ঃ** অসম ৰাইফলছ দলে নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৪ সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেল খেলত ৰাইফলছ দলে কাছাৰৰ লেনৰোল ফুটবল ক্লাবক ৭-২ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। বিৰতিৰ সময়লৈ ৩-০ গ'লত আগবাঢ়ি থকা ৰাইফলছৰ হৈ এছ ৰ'জাৰ সিঙে দুটা (১৬, ৩৭), ডেভিদ লালৰিন চানাই দুটা (৬৫, ৭০) আৰু এটাকৈ গ'ল দিয়ে এছ ৰাভাই ৩৫, ডেনিয়েল মেইটী ৫৯ আৰু এম হাওকিপে ৭৯ মিনিটত। বিপক্ষৰ হাতত নিস্প্ৰভ হৈ পৰা লেনৰোল দলৰ পি আউলিয়েনে (৯০২) আৰু পেনাল্টী যোগে ইমানুৱেল কেজিয়ে (৯০৫) মিনিটত গ'ল দুটা পৰিশোধ কৰে। প্ৰতিযোগিতাখনৰ ফাইনেল খেলখন অহা ২৪ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব।

# গৰৈমাৰী ফুটবল ক্লাব ফাইনেলত

**গুৱাহাটী, ২২ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমিফাইনেল অনুষ্ঠিত হয়। খেলখনত গৰৈমাৰী ফুটবল ক্লাবে ২-১ গ'লৰ ব্যবধানত হাদলাপাৰা ফুটবল ক্লাবক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে । ইপিনে ৰাজাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ৰাজাপাৰা প্ৰাথমিক বিদ্যালয় খেলপথাৰত আয়োজিত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা দ্বিতীয় ৰাউণ্ডৰ এখন খেলত শিমলাপাৰা ফুটবল ক্লাবে ২-১ গ'লৰ ব্যবধানত ডুমনীপাৰা ফুটবল ক্লাবক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।

### বঙাইগাঁও শোধনাগাৰৰ উদ্যোগত একাদশ বিশ্ব গঁড় দিৱসৰ লগত সংগতি ৰাখি সজাগতামূলক প্ৰীতি ফুটবল প্ৰতিযোগিতা

# বঙাইগাঁও ফুটবল একাদশৰ খিতাপ অৰ্জন




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বঙাইগাঁও, ২২ ছেপ্টেম্বৰ ঃ** ভাৰতীয় তেল নিগমৰ অধীনৰ বঙাইগাঁও শোধনাগাৰে আজি দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে একাদশ বিশ্ব গঁড় দিৱস উদযাপন কৰে ।এই উপলক্ষে বঙাইগাঁৱৰ বৰ্ষণগাঁওস্থিত চিলাৰায় ষ্টেডিয়ামত গঁড়ৰ সজাগতাৰ লক্ষ্যৰে আজি আবেলি চিৰাং জিলা ফুটবল একাদশ আৰু বঙাইগাঁও জিলা ফুটবল একাদশৰ মাজত এক প্ৰীতি ফুটবল প্ৰতিযোগিতা আয়োজন কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ দ্বিতীয়াৰ্ধত দিয়া একমাত্ৰ গলেৰে বঙাইগাঁও জিলা একাদশ দলে বিজয়ীৰ খিতাপ অৰ্জন কৰে। বিজয়ী দলৰ হৈ ৪০ মিনিটত একমাত্ৰ গলটো দিয়ে ১১ নম্বৰ জাৰ্চিৰ খেলুৱৈ তথা দলটোৰ কেপ্তেইন অনুপম শ্বেখে। খেলৰ অন্তত বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠক, বঙাইগাঁও শোধনাগাৰৰ মুখ্য মহাপ্ৰৱন্ধক নয়ন কুমাৰ বৰুৱা সহিতে অতিথিসকলে বিজয়ী দলক ট্ৰফী সহ চল্লিশ হেজাৰ টকাৰ চেক আৰু বিজিত দলক ত্ৰিশ হেজাৰ টকাসহ ট্ৰফী আৰু প্ৰতিজন খেলুৱৈকে একোটাকৈ মেডেল প্ৰদান কৰে। আনহাতে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিজিত দলৰ গলৰীপাৰ উদয় বসুমতাৰী আৰু শ্ৰেষ্ঠ গলদাতা হিচাপে বিজয়ী দলৰ কেপ্তেইন অনুপম শ্বেখকো ট্ৰফী সহ চাৰি হেজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। প্ৰতিদ্বন্দ্বিতামূলক প্ৰীতি ফুটবল খেলখন বহু লোকে উপভোগ কৰে।

# বড়োলেণ্ড গেলাণ্টছ গ'ল্ড কাপ ফুটবলত মণিপুৰ ট্ৰাঁও এফ চি ফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ২২ ছেপ্টেম্বৰ ঃ** ডিমাকুছি এৰছু' আৰু ডিমাকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত ডিমাকুছি ষ্টেডিয়ামত চলি থকা ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা সৰ্ব ভাৰতীয় পৰ্যায়ৰ বড়োলেণ্ড গেলাণ্টছ গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতাত মণিপুৰট্ৰাঁও এফচিয়ে ফাইনেলত প্ৰৱেশ কৰিছে। ডিমাকুছি ষ্টেডিয়ামত আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলত মনিপুৰট্ৰাঁও এফচিয়ে অইল ইঁয়া দুলীয়াজানক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। মণিপুৰট্ৰাঁও এফচিৰ হৈ খেলৰ ৫০ মিনিটত বাউৰিংদাউ বড়োৱে এগ'ল দি দলক জয়যুক্ত কৰে। ইয়াৰ বিপৰীতে অইল ইণ্ডিয়া দুলীয়াজানে বহুকেইটা সুযোগ লাভ কৰিছিল যদিও কোনো স্ক'ৰ কৰিবলৈ সক্ষম নহ'ল। কাইলৈৰ খেল ইউনাইটেড চিৰাং দুৱাৰ এফচিয়ে ৰেলৰে কলকাতাৰ মুখামুখি হ'ব।

No. MCH/HMS/2022/270/10,

**NOTICE INVITING FOR e-TENDER**

Sealed e-Tenders are invited from the intending Supplier/Manufacturer/Accredited Dealers for **supply of Pediatric Cardiac Surgery Instruments at CTVS Dept., CMCH, Guwahati.**

The e-tenders must be uploaded in two parts (i) Technical bid (ii) Financial bid separately. And also submit the hard copy of the technical bid in the drop box. No need to submit hard copy of the Financial bid in the drop box.

The Technical Bid to be submitted with affixing Court Fee Stamp Rs.8.25 (Rupees eight point two five paisa) only (for local bidders) or IPO of Rs. 10/- (Rupees Ten) only (in case of bidders from outside of the State of Assam) in favour of the "Member Secretary, Hospital Management Society, Gauhati Medical College Hospital, Guwahati-781032.

**Important dates of the e-Tender**

1. Schedule A

| SI. No. | Scheduled | Start Date | Start | End Date | End Time |
|---|---|---|---|---|---|
| 1. | e- Tender Publishing | 22/09/2022 | | - | - |
| 2. | e- Tender Download | 22/09/2022 | 4:00 PM | 28/10/2022 | 11:00 AM |
| 3. | Pre-Bid meeting | 11/10/2022 | 3:00 PM | Office of the Superintendent, Gauhati Medical College Hospital, Guwahati-32 | |
| | | 17/10/2022 | 1:00 PM | 28/10/2022 | 12:00 Noon |
| 4. | Bid Submission | 29/10/2022 | 3:00 PM | | |
| 5. | Bid Opening | From 01/11/2022 to 05/11/2022 at 3:00 PM | | | |
| 6. | Sample verification | | | | |

2. Schedule B

| SI. No. | Bid Security (E.M.D.) through online payment mode | Delivery/ Installation schedule | Tender fees in Rs. through online payment mode | Eligibility |
|---|---|---|---|---|
| 1. | Rs. 50,000/- (Fifty Thousand only) | 72 hrs. | Rs.5,000/- (Five Thousand only) | Intending Supplier/ Manufacturer/Accredited Dealers |

All other relevant information and the detailed Bid Documents are available on website **www.assamtenders.gov.in** and can be viewed from 22/09/2022. The Superintendent cum Member Secretary reserves the right to reject all or any tender without assigning any reason and is not bound to accept the lowest rate.

Superintendent cum Member Secretary
HMS, Gauhati Medical College
Hospital Guwahati-32

*Janasanyog /C/10640/22*

চিঠি নং-ভি,টি,আৰ,চি (জি) ৪৩। অংশ - ১।৮৮।৪৩

**বিজ্ঞাপন**

ইয়াৰ দ্বাৰা অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনৰ বেলতলা, গুৱাহাটী-২৮ ত অৱস্থিত মহিলাৰ কাৰিকৰী ও সংস্থাপনমূলক প্ৰশিক্ষণ কেন্দ্ৰৰ ৬৪নং **(64th Batch)** চামৰ ছ-মহীয়া প্ৰশিক্ষণৰ বাবে বিজ্ঞাপন নং ভি,টি,আৰ,চি (জি) ৪৩। অংশ - ১।৮৮।৩৫ তাৰিখ-২২-০৮-২০২২ ইং মৰ্মে অসমৰ সকলো শ্ৰেণীৰ মহিলা প্ৰাৰ্থীৰ পৰা (আৰ্থিকভাৱে পিছপৰা) আবেদন বিচাৰি যোৱা ২২।০৯।২০২২ ইং তাৰিখৰ ভিতৰত আবেদন পত্ৰ জমা দিয়াৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছিল যদিও অনিবাৰ্য্য কাৰণবশতঃ সাক্ষাৎকাৰৰ দিন সলনি কৰিব লগা হ'ল। সেই মৰ্মে অহা ৩০। ০৯।২০২২ ইং তাৰিখ আবেদনৰ অন্তিম তাৰিখ হিচাপে ধাৰ্য্য কৰি পুনৰ আবেদন বিচৰা হৈছে। আবেদনকাৰীয়ে অসম ৰাজপত্ৰৰ ৯ম অনুচ্ছেদত প্ৰকাশিত প্ৰ-পত্ৰত আবেদন কৰিব লাগিব। আবেদনপত্ৰৰ লগত শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰ, বছৰেকীয়া আয়ৰ প্ৰমাণ-পত্ৰ আৰু লগতে পাচপোৰ্ট আকাৰৰ একপি ফটো গাঁঠি দিব লাগিব। প্ৰকাশ থাকে যে যিসকল প্ৰাৰ্থীয়ে বিজ্ঞাপন নং ভি,টি,আৰ,চি (জি) ৪৩। অংশ- ১।৮৮।৩৫ তাৰিখ-২২-০৮-২০২২ ইং মৰ্মে আবেদন কৰিছিল, সেইসকল প্ৰাৰ্থীয়ে পুনৰ আবেদন কৰাৰ প্ৰয়োজন নাই তলত উল্লেখ কৰা শাখাসমূহত (**Trades**) প্ৰশিক্ষণ দিয়া হ'ব।

(১) কম্পিউটাৰ (**Computer**)
(২) কটা আৰু চিলাই (**Cutting & Tailoring**)
(৩) গোঠা আৰু ফুলতোলা (**Knitting & Embroidery**)
(৪) বোৱা-কটা (**Weaving**)

**শিক্ষাগত অৰ্হতা** ঃ- কম্পিউটাৰ শাখাৰ বাবে প্ৰাৰ্থী প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ নাইবা সমপৰ্যায়ৰ হ'ব লাগিব। কটা আৰু চিলাই, গোঠা আৰু ফুলতোলা আৰু বোৱা-কটা শাখাৰ বাবে প্ৰাৰ্থী কমেও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৮ম মান শ্ৰেণী উত্তীৰ্ণ হোৱা হ'ব লাগিব। আবেদনকাৰীৰ বয়স ০১-১০-২০২২ ইংত ১৮ বছৰৰ পৰা ৪০ বছৰৰ ভিতৰত হ'ব লাগিব। প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হোৱা প্ৰাৰ্থীক মাহেকত ১৫০ (এশ পঞ্চাশ) টকাকৈ জলপাণি দিয়া হ'ব। আবেদনকাৰীয়ে যিকোনো এটা শাখাতহে আবেদন কৰিব পাৰিব। প্ৰশিক্ষণ সমাপ্তিৰ পিছত স্ব-নিযুক্তিৰ বাবে বিভাগীয় আত্মসংস্থাপনমূলক সাহায্য আগবঢ়োৱা হ'ব। কোনো প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ সম্পূৰ্ণ নকৰিলে জলপাণি, প্ৰমাণ-পত্ৰ আৰু অনুদান দিয়া নহ'ব। ওপৰত উল্লেখ কৰা প্ৰশিক্ষণৰ শাখাত (**Trade**) অৰ্হতা থকা সকলো শ্ৰেণীৰ মহিলা প্ৰাৰ্থীয়ে (আৰ্থিকভাৱে পিছপৰা) নিম্নস্বাক্ষৰকাৰী কাৰ্যালয়ত নিৰ্ধাৰিত প্ৰ-পত্ৰৰ যোগে প্ৰশিক্ষণৰ শাখাৰ নাম উল্লেখ কৰি অহা ৩০।০৯।২০২২ ইং তাৰিখৰ ভিতৰত আবেদন পত্ৰ জমা দিব লাগিব। প্ৰশিক্ষাৰ্থীসকলৰ সাক্ষাৎকাৰৰ দিন পৰৱৰ্তী সময়ত কাৰ্য্যালয়ৰ জাননী ফলকত আঁৰি দিয়া হ'ব।

**অধ্যক্ষা**
**কাৰিকৰী ও সংস্থাপনমুলক প্ৰশিক্ষণ কেন্দ্ৰ**
**বেলতলা ঃঃ গুৱাহাটী-২৮**

*Janasanyog/D/12790/22*




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

# অসম

বৰ্তমানৰ আন্তঃগাঁথনি
ভৱিষৎ বাণিজ্যৰ সোপান

অসম চৰকাৰ
উদ্যোগ, বাণিজ্য
আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী
মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা

## সূক্ষ্ম, লঘু আৰু মজলীয়া উদ্যোগ সন্মিলন

### অসম চৰকাৰৰ দ্বাৰা বুজাবুজিৰ চুক্তিত স্বাক্ষৰ

**চি জি টি এম এছ ই-ৰ সৈতে**

- সূক্ষ্ম আৰু লঘু উদ্যোগীৰ ঋণৰ বিপৰীতে নিশ্চয়তা প্ৰদানৰ বাবে 'অসম ক্ৰেডিট স্কিম' কাৰ্যকৰীকৰণ

**ছিডবি ভেঞ্চাৰ কেপিটেল লিমিটেডৰ সৈতে**

- অসম ষ্টাৰ্ট আপ ভেঞ্চাৰ নিধি গঠন
- মুঠ পুঁজি ঃ ২০০ কোটি টকা
- অসম চৰকাৰৰ অংশীদাৰিত্ব ঃ ১০০ কোটি টকা
- ছিডবি (SIDBI)ৰ অংশীদাৰিত্ব ঃ ৫০ কোটি টকা
- অন্য প্ৰতিষ্ঠানৰ অংশীদাৰিত্ব ঃ ৫০ কোটি টকা

তদুপৰি

**আছাম লজিষ্টিকছ এণ্ড ৱেৰ হাউছিং ২০২২ৰ আনুষ্ঠানিক উন্মোচন**

অসমৰ অৰ্থনৈতিক বিকাশৰ গতি ত্বৰান্বিত কৰিবলৈ ৰাজ্যখনক অত্যাধুনিক সা-সুবিধাসম্পন্ন আঞ্চলিক বাণিজ্যিক ক্ষেত্ৰ হিচাপে গঢ় দিবলৈ পদক্ষেপ

'এম এছ এম ই' অসমৰ বিকাশৰ মন্ত্ৰ

Published by Directorate of Information and Public Relations, Assam Follow us /@diprassam https://dipr.assam.gov.in/
Subscribe to Assam Barta WhatsApp 'Assam' at 8287912158

Janasanyog /D/12809/22

অসম চৰকাৰ

## স্বাস্থ্য সেৱা অভিযান - বিশেষ স্বাস্থ্য শিবিৰ

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে ৰাজ্যৰ প্ৰতিখন জিলাৰ নিৰ্বাচিত স্বাস্থ্য খণ্ড অথবা একোটা নিৰ্দিষ্ট স্থানত সামগ্ৰিকভাৱে স্বাস্থ্য সেৱা বিশেষকৈ মাতৃ আৰু শিশুৰ স্বাস্থ্য সেৱা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে, য'ত চকু বিশেষজ্ঞ, দন্ত বিশেষজ্ঞও উপস্থিত থাকিব।

*এই অভিযানৰ শুভ উদ্বোধন কৰিব*

অসমৰ মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী
**শ্ৰীযুত কেশৱ মহন্তদেৱে**



শ্ৰীযুত কেশৱ মহন্ত
মাননীয় মন্ত্ৰী, স্বাস্থ্য আৰু
পৰিয়াল কল্যাণ বিভাগ, অসম

তাৰিখ ঃ ২৩ ছেপ্টেম্বৰ, ২০২২
স্থান ঃ ৰাজধানী ৰাজ্যিক চিকিৎসালয়, দিছপুৰ

### জিলাভিত্তিক স্বাস্থ্য শিবিৰৰ তালিকা

| ক্ৰঃ | জিলা | শিবিৰ-১ | শিবিৰ-২ |
|---|---|---|---|
| ১ | বাক্সা | ২৩/০৯/২০২২- বঙালীপাৰা মিনি পিএইচচি, নিজ-কাউৰবাহা বিপিএইচচি | ২৩/০৯/২০২২- ককলাবাৰী চাপাগুৰি (জুনিয়ৰ) কলেজ, গোলাগাঁও বিপিএইচচি |
| ২ | বজালী | ২৩/০৯/২০২২- কুৰুৱাহা উচ্চ মাধ্যমিক বিদ্যালয়, ভৱানীপুৰ বিপিএইচচি | |
| ৩ | বৰপেটা | ২৩/০৯/২০২২- টিএনডি মডেল একাডেমী, অদিতপুৰ, কলগাছিয়া বিপিএইচচি | ২৩/০৯/২০২২- শিখামন্দিৰ নগাঁও হাইস্কুল, নগাঁও বিপিএইচচি |
| ৪ | বিশ্বনাথ | ২৩/০৯/২০২২- ভৰালীজুলি, বিহালী বিপিএইচচি | ২৩/০৯/২০২২- শাকোমাথা, বিশ্বনাথ চাৰিআলি বিপিএইচচি |
| ৫ | বঙাইগাঁও | ২৩/০৯/২০২২- কুৰাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, সৃজনগ্ৰাম বিপিএইচচি | ২৩/০৯/২০২২- চেদামাৰী প্ৰাথমিক বিদ্যালয়, বালাপাৰা, বইটামাৰী বিপিএইচচি |
| ৬ | কাছাৰ | ২৩/০৯/২০২২- লোহাৰবণ্ড গাঁও পঞ্চায়ত কাৰ্যালয়, বাৰ্মথান, ধলাই বিপিএইচচি | ২৬/০৯/২০২২- দীঘলী ইউনাইটেড ক্লাব, লক্ষীপুৰ বিপিএইচচি |
| ৭ | চৰাইদেউ | ২৩/০৯/২০২২- মুলাগাভৰু উচ্চ মাধ্যমিক বিদ্যালয়, বতোৰা, পাটচাকু বিপিএইচচি | |
| ৮ | চিৰাং | ২৩/০৯/২০২২- আনখোৰবাৰী উপ-স্বাস্থ্যকেন্দ্ৰ, চিডলী বিপিএইচচি | ২৩/০৯/২০২২- তুলসীঝোৰা উপ-স্বাস্থকেন্দ্ৰ-স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ |
| ৯ | দৰং | ২৩/০৯/২০২২- চেঙেলীয়াঝাৰ এমপিএইচচি, পাথৰিঘাট বিপিএইচচি | ২৬/০৯/২০২২- মাদ্ৰাছা ইছৰাতুল উলুম, সানোৱা, ছিপাঝাৰ বিপিএইচচি |
| ১০ | ধেমাজি | ২৩/০৯/২০২২- টিগৰগুৰি প্ৰাথমিক বিদ্যালয়, বেৰবাৰী স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ, গোগামুখ বিপিএইচচি | ২৩/০৯/২০২২- বুধবৰীয়া বজাৰ, নাপামকুলি স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ, চিচিবৰগাঁও বিপিএইচচি |
| ১১ | ধুবুৰী | ২৩/০৯/২০২২- ভোগদোহৰ ৰিভাইন পিএইচচি, ধৰমশালা বিপিএইচচি | ২৩/০৯/২০২২- চলটাৰী গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাণীগঞ্জ বিপিএইচচি |
| ১২ | ডিব্ৰুগড় | ২৩/০৯/২০২২- ৰঙাগড় গাঁও পঞ্চায়ত কাৰ্যালয়, ৰঙাগড় টেঙাখাত বিপিএইচচি, ডিব্ৰুগড় | ২৩/০৯/২০২২- জামিৰাহ চাহ বাগিছা চিকিৎসালয়, বৰবৰুৱা বিপিএইচচি |
| ১৩ | ডিমা হাছাও | ২৩/০৯/২০২২- টুলুজি গাঁও, মাহুৰ খণ্ড | ২৩/০৯/২০২২- নাবলাইডিছা গাঁও, লেংটিং খণ্ড |
| ১৪ | গোৱালপাৰা | ২৩/০৯/২০২২- চেঁচাপানী বজাৰ, ৰংজুলি বিপিএইচচি | ২৩/০৯/২০২২- ধামাৰ মধ্য ইংৰাজী বিদ্যালয়, লক্ষীপুৰ বিপিএইচচি |
| ১৫ | গোলাঘাট | ২৩/০৯/২০২২- ধনশিৰিমুখ জনজাতি প্ৰাথমিক বিদ্যালয়, বোকাখাত বিপিএইচচি | ২৭/০৯/২০২২- দৈয়াং চাহ বাগিছা চিকিৎসালয়, জামুগুৰি গাঁও পঞ্চায়ত কাৰ্যালয়, কমাৰবন্ধা আলি বিপিএইচচি |
| ১৬ | হাইলাকান্দি | ২৩/০৯/২০২২- পঞ্চগ্ৰাম সন্তোষ নগৰ কলনী, কালীনগৰ বিপিএইচ চি | ২৩/০৯/২০২২- ৰতনপুৰ গাঁও পঞ্চায়ত কাৰ্যালয়, আলগাপুৰ বিপিএইচচি |
| ১৭ | হোজাই | ২৩/০৯/২০২২- কৃষ্ণনগৰ হাইস্কুল, খৰিখানা, লংকা বিপিএইচচি | |
| ১৮ | যোৰহাট | ২৩/০৯/২০২২- খুটিয়াপোতা প্ৰাথমিক বিদ্যালয়, শ'লমাৰা বিপিএইচচি | ২৩/০৯/২০২২- ৰাজাবাৰী ৰংগমঞ্চ, তিতাবৰ বিপিএইচচি |
| ১৯ | কামৰূপ মহানগৰ | ২৩/০৯/২০২২- শিৱ মন্দিৰ প্ৰাংগণ, সাৰদা পথ, ধীৰেণপাৰা, গুৱাহাটী | ২৩/০৯/২০২২- দুৰুং আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, সোণাপুৰ বিপিএইচচি |
| ২০ | কামৰূপ গ্ৰাম্য | | ২৩/০৯/২০২২- নহিৰা নোৱাহাটপাৰা পশু চিকিৎসা কেন্দ্ৰ, ৰামপুৰ বিপিএইচচি |
| ২১ | কাৰ্বি আংলং | ২৩/০৯/২০২২- ডকমকা উচ্চতৰ মাধ্যমিক বিদ্যালয়, হাওৰাঘাট বিপিএইচচি | ২৩/০৯/২০২২- হিন্দিপি মীৰ্জেং মধ্য ইংৰাজী বিদ্যালয়, বোকাজান বিপিএইচচি |
| ২২ | কৰিমগঞ্জ | ২৩/০৯/২০২২- কালাছান্দ এমভি স্কুল, শৰিচা আলেংজুৰি গাঁও পঞ্চায়ত কাৰ্যালয়, নিলাম বজাৰ বিপিএইচচি | ২৩/০৯/২০২২- ৰামেশ্বৰলাল সত্যদিয়া মধ্য ইংৰাজী বিদ্যালয়, ইৰালিগোল, বান্দৰকুনা গাঁও পঞ্চায়ত কাৰ্যালয়, পাথাৰকান্দি বিএইচচি |
| ২৩ | কোকৰাঝাৰ | ২৩/০৯/২০২২- ভদীয়াগুৰি প্ৰাথমিক বিদ্যালয় গুৰুফেলা, কচুগাঁও বিপিএইচচি | ২৩/০৯/২০২২- লক্ষীপুৰ নিম্ন প্ৰাথমিক বিদ্যালয়, পানবাৰী খণ্ড-৩, তুলসীবিল, গোঁসাইগাঁও |
| ২৪ | লখিমপুৰ | ২৩/০৯/২০২২- যুৱ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়, বিহপুৰীয়া বিপিএইচচি | ২৩/০৯/২০২২- টিএমপিকে ৰংগমঞ্চ, বৰবিল মাজগাঁও, ধলপুৰ বিপিএইচচি |
| ২৫ | মাজুলী | ২৩/০৯/২০২২- ফুলনি ৰংগমঞ্চ, কমলাবাৰী বিপিএইচচি | |
| ২৬ | মৰিগাঁও | | ২৬/০৯/২০২২- বৰদোৱাটোপ গাঁও পঞ্চায়ত কাৰ্যালয়, লাহৰীঘাট খণ্ড |
| ২৭ | নগাঁও | ২৪/০৯/২০২২- বামুনী মধ্য ইংৰাজী বিদ্যালয়, বামুনী, চামগুৰি বিপিএইচচি | ২৬/০৯/২০২২- কচুৱা আদৰ্শ চিকিৎসালয়, কঠীয়াতলি বিপিএইচচি |
| ২৮ | নলবাৰী | ২৩/০৯/২০২২- মনসা মন্দিৰ প্ৰাংগণ, বৰবিলা, চামতা বিপিএইচচি | ২৩/০৯/২০২২- বৰবিলা এমপিএইচচি |
| ২৯ | শিৱসাগৰ | ২৩/০৯/২০২২- বামুনপুখুৰী চাহ বাগিছা, গেলেকী বিপিএইচচি | ২৩/০৯/২০২২- সৰাগুৰি গাঁও (আজানপীৰ দৰগাহ), গৌৰীসাগৰ বিপিএইচচি |
| ৩০ | শোণিতপুৰ | ২৩/০৯/২০২২- বাচাচিমালু আৰপিএইচচি, ঢেকীয়াজুলি বিপিএইচচি | ২৩/০৯/২০২২- বাপুজী ভৱন, জামুগুৰিহাট, উত্তৰ জামুগুৰি বিপিএইচচি |
| ৩১ | দক্ষিণ শালমাৰা | ২৩/০৯/২০২২- পুৰাণ দিয়াৰা উচ্চ মাধ্যমিক বিদালয়, গাজাৰিকান্দি বিপিএইচচি | ২৩/০৯/২০২২- শালমাৰা সামুহিক কেন্দ্ৰ, দক্ষিণ শালমাৰা বিপিএইচচি |
| ৩২ | তিনিচুকীয়া | | ২৩/০৯/২০২২- লিডু গাঁও পঞ্চায়ত কাৰ্যালয়, কেটেটং বিপিএইচচি |
| ৩৩ | ওদালগুৰি | ২৩/০৯/২০২২- নেপালী গাঁও প্ৰাথমিক বিদ্যালয়, ওৰাং বিপিএইচচি | ২৩/০৯/২০২২- কুন্দৰবিল মধ্য ইংৰাজী বিদ্যালয়, ওদালগুৰি বিপিএইচচি |
| ৩৪ | পশ্চিম কাৰ্বি আংলং | ২৩/০৯/২০২২- নৰাইবিল ৪ সামুহিক কেন্দ্ৰ, ডংকামোকাম বিপিএইচচি | ২৩/০৯/২০২২- পুটচাৰি মধ্য ইংৰাজী বিদ্যালয়, উম্পানাই বিপিএইচচি |

(NHM/D/2022-23/262)